
দিগবলয়

# দিগবলয়

সম্পাদক

ডঃ হিতেশ ডেকা

সহযোগী সম্পাদক

শ্রীস্বপ্না স্মৃতি মহন্ত

**দিগবলয় ঃ** ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে কে চি দাস কমাৰ্চ কলেজৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম আন্তঃ মহাবিদ্যালয় গল্প প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত আৰু অসমৰ পাঁচগৰাকী পুৰোধা কথাশিল্পীৰ গল্প সংকলন।

---

**প্ৰকাশক ঃ** ডঃ হিতেশ ডেকা
অধ্যক্ষ, কে চি দাস কমাৰ্চ কলেজ
ছাত্ৰীবাৰী, গুৱাহাটী - ৭৮১০০৮

**প্ৰথম প্ৰকাশ ঃ** জানুৱাৰী, ২০০৯

**বেটুপাত অংকন ঃ** ত্ৰিণয়ন
ৰাজগড়, গুৱাহাটী-৭৮১০০৩

**মূল্য ঃ** ৭৫.০০ টকা

**মুদ্ৰণ ঃ** শৰাইঘাট প্ৰিণ্টাৰ্ছ
এম. চি. ৰোড
গুৱাহাটী-৭৮১০০৩

# নান্দীপাঠ

চুটিগল্প অৰ্বাচীন পৰিপাৰ্শ্বৰ উল্লেখযোগ্য অৱদান। ঊনৈশ শতিকাত সাহিত্যৰ এই বিশেষ ধাৰাটিৰ সৃষ্টি হয়। স্মৰ্তব্য যে সাহিত্যৰ প্ৰতিটি অংগৰ বৰ্তমানৰ স্থিতি পূৰ্ব-ৰূপৰ বিবৰ্তিত প্ৰতিচ্ছন্দ মাত্ৰ। মানুহৰ উন্মেষ ক্ষণৰে পৰা প্ৰচলিত সাধুকথাবোৰে ঊনৈশ শতিকাত চুটি কাহিনী (short fiction)ৰ ৰূপ পৰিগ্ৰহ কৰে। গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱনৰ অন্যতম পাৰ্থক্য হ'ল যে গ্ৰামীণ লোক প্ৰকৃতি-নিৰ্ভৰ আৰু নগৰীয়া লোকৰ জীৱন প্ৰকৃতিৰ পৰা বিচ্ছিন্ন। প্ৰকৃতি-নিৰ্ভৰ আদিম মানৱে প্ৰকৃতিক ভয় আৰু শ্ৰদ্ধাৰ দৃষ্টিৰে অৱলোকন কৰিছিল। তেওঁলোকে ধুমুহা, বিজুলী, মেঘ, বানপানী, খৰাং বতৰ, ভূমিকম্প, মহামাৰী ইত্যাদিক অসন্তুষ্ট প্ৰকৃতিৰ অভিসম্পাত স্বৰূপে গণ্য কৰিছিল আৰু সেইবাবে তেওঁলোকে প্ৰকৃতিৰ তেনে খণ্ডিত ৰূপসমূহক পূজা-পাৰ্বণ, নৃত্য-গীত, যাদু আদিৰ দ্বাৰা আৰু নানাধৰণৰ বাধা-নিষেধ (taboo) পালনৰ মাধ্যমেৰে সন্তুষ্ট কৰাৰ প্ৰচেষ্টা চলাইছিল।

সুমাত্ৰা দ্বীপত ঘঁৰিয়ালে মানৱ জীৱন বিপৰ্যস্ত কৰি তোলে বাবে সেই দ্বীপৰ অধিবাসীসকলে ঘঁৰিয়ালক অলৌকিক শক্তিসম্পন্ন প্ৰাণীৰূপে গণ্য কৰি বিস্তৃত সংস্কাৰ (rite)ৰ মাধ্যমেৰে সন্তুষ্ট কৰিবলৈ প্ৰচেষ্টা চলায়। সুন্দৰবনত বাঘৰ বিভীষিকাৰ পৰা পৰিত্ৰাণ বিচাৰি হিন্দু-মুছলমান উভয় ধৰ্মৰ লোকে বনবিবি নামৰ দেৱীৰ উপাসনা কৰে। তেওঁলোকৰ বিশ্বাস অনুযায়ী বনবিবি বাঘৰ অধিষ্ঠাত্ৰী দেৱী আৰু তেওঁৰ কৰুণা-অনুকম্পাইহে মানুহক বাঘৰ উৎপীড়নৰ পৰা পৰিত্ৰাণ কৰিব পাৰে। অসমীয়া হিন্দু লোকসকলে সৰ্প-ভয়ৰ পৰা নিস্তাৰ বিচাৰি মনসা দেৱীৰ পূজা-অৰ্চনা কৰে। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা তেনে অজস্ৰ উদাহৰণ দি প্ৰমাণ কৰিব পাৰি যে আদিম মানৱে প্ৰকৃতিক প্ৰভূত ক্ষমতাশালিনী শক্তি স্বৰূপে গণ্য কৰি বিভিন্ন প্ৰাকৃতিক ঘটনাক প্ৰকৃতিৰে অনুষংগ ভূত-প্ৰেত, দেৱ-দেৱী আদিৰ ক্ৰিয়া-কলাপৰূপে বিশ্বাস কৰিছিল, আৰু তাৰেই ফলস্বৰূপে বিভিন্ন অলৌকিক শক্তিৰ আকৃতি-প্ৰকৃতি, ৰেহ-ৰূপ, আচৰণ-বিচৰণ ইত্যাদি সম্বন্ধে মানৱ সমাজত অলেখ কল্প-কাহিনীৰো সৃষ্টি হৈছিল। অসমৰ গ্ৰামীণ সমাজত বাক, বীৰা, যখিনী, বুঢ়া ডাঙৰীয়া, বৰদৈচিলা, দ'ত, ঘৰ জেউতি আদি অশৰীৰীৰ ক্ৰিয়া-কলাপৰ ভিত্তিত সৃষ্ট অসংখ্য কথা-কাহিনী আজিকোপতি চহৰে-নগৰে প্ৰচলিত আৰু লোকপ্ৰিয়।

সাধুকথাৰ জন্ম-লগ্ন অথবা প্ৰাচীনতা সম্বন্ধে থিৰাংকৈ মন্তব্য কৰা দুৰূহ। সম্ভৱতঃ সাধুকথাৰ জন্ম ক্ষণ মানৱৰ উন্মেষ মুহূৰ্তৰ সমানেই প্ৰাচীন। পৃথিৱীৰ

সমস্ত প্ৰাণীৰ ভিতৰত একমাত্ৰ মানুহৰহে আছে সংস্কৃতি; বাক-দক্ষতা আৰু কল্পনা কৰিব পৰাৰ অভিনৱ সামৰ্থই মানুহৰ মনোজগত বৰ্ণময় কৰি ৰাখিছে। সালংকৃতা প্ৰকৃতিৰ অক্ষয় শক্তি আৰু অনিৰ্বচনীয় অভিনৱত্বই প্ৰকৃতি-নিৰ্ভৰ আদিম মানৱক কৰি ৰাখিছিল বিস্ময়-বিমুগ্ধ। প্ৰকৃতিৰ বিভিন্ন অনুষংগ গছ-লতা, পাহাৰ-তুষাৰ, নদী-জলাশয়, বতাহ-জলপ্ৰপাত, দাবানল-ফুল-ফল, সৰ্বোপৰি বিভিন্ন ঋতুত পৰিৱৰ্তিত প্ৰকৃতিৰ দৃষ্টিনন্দন ৰূপে আদিম মানৱক স্তম্ভিত-বিস্মিত কৰি নিজস্ব ধ্যান-ধাৰণাৰে সেই ৰূপসমূহৰ বিভিন্ন ব্যাখ্যা আগবঢ়াবলৈ উদ্বুদ্ধ কৰি তুলিছিল; তাৰেই ফলস্বৰূপে সৃষ্টি হৈছিল বিভিন্ন কল্প-কাহিনীৰ। আদিম মানৱৰো আছিল সংঘটিত বিভিন্ন ঘটনাক শ্ৰুতিমধুৰ ৰূপত সজাই-পৰাই কোৱাৰ উল্লেখযোগ্য দক্ষতা, আৰু সেই দক্ষতা নিঃসৃত কাহিনী বা সাধুকথাবোৰেই হৈছে চুটি গল্পৰ বুনিয়াদ।

কল্পনাৰ সৌকুমাৰ্য আৰু কথনভংগীৰ সাৰল্যই প্ৰাচীন কথা-কাহিনীসমূহক শ্ৰুতিনন্দন লাৱণ্য প্ৰদান কৰিছিল। পূৰ্বপুৰুষৰ পৰা উত্তৰ পুৰুষলৈ মৌখিক ৰূপত ধাৰাবাহিকভাৱে সঞ্চাৰিত সাধুকথাসমূহে দেশ-কাল, জাতি-বৰ্ণৰ সীমা অৱলীলাক্ৰমে অতিক্ৰম কৰি বিশ্ব-নিখিলৰ অগণন লোকক সম্মোহিত-মন্ত্ৰমুগ্ধ কৰি তুলিছিল। প্ৰকৃতিৰ সৈতে অভিন্ন ৰূপত সম্পৃক্ত সেই কথা-কাহিনীসমূহে প্ৰকৃতিৰ পৰা বিশ্লিষ্ট বৰ্তমান কালৰ যান্ত্ৰিক আধুনিক মানুহৰো হৃদয়-মন অমল আনন্দ আৰু সঞ্চাৰিণী আকাংক্ষাৰে পৰিপূৰ্ণ কৰি তুলিবলৈ সমৰ্থ হৈছে।

সাধুকথাৰ বাঘ-শিয়ালে মানুহৰ দৰেই কথা কয়, আচৰণ-বিচৰণ কৰে; সাধুকথাত মানুহ হয় চৰাই, ফুল-ফল; সংহাৰ মূৰ্তি ধৰি বাঘে খেদি অহা নিঃসহায় মানুহক আশ্ৰয় দিবলৈ গছে ফালি দিয়ে বুকু; সেই ফাঁকেৰে মানুহে বৃক্ষ অভ্যন্তৰত আশ্ৰয় লোৱাৰ লগে লগে বিদীৰ্ণ বিটপীয়ে পুনৰ্বাৰ পূৰ্বৰ ৰূপ গ্ৰহণ কৰে; হতচকিত বাঘে গছৰ চতুৰ্দিশে ঘূৰি স্বগতোক্তি কৰে—'আজিচোন বিৰিখত মনিচ মনিচ গোন্ধ পাওঁ'। প্ৰভূত জনপ্ৰিয়তাৰ বাবেই সুপ্ৰাচীন কালৰে পৰা দেশে দেশে প্ৰচলিত আৰু কালক্ৰমত লিপিৱদ্ধ হৈছে অগন্তি সাধুকথা। খৃঃ পূঃ চাৰিহাজাৰ বছৰতে মিচৰত ৰচিত 'Tales of the Magicians' পুথিৰ কল্প-কাহিনীয়ে সাধুকথাৰ প্ৰতি থকা মানুহৰ সংকৰ্ষণৰ উজ্বল দৃষ্টান্ত দাঙি ধৰে। বেদ ৰচনাৰ পূৰ্বেই ভাৰতত সাধুকথাৰ জন্ম হৈছিল, আৰু লিখন ৰীতিৰ আৱিষ্কাৰ হোৱাৰ পূৰ্বেই কল্প-কাহিনীৰ ক্ষেত্ৰখনে হৃদয়ৰঞ্জক ৰূপ পৰিগ্ৰহ কৰিছিল। ইউৰোপীয় সাধুকথাৰ অবয়বো ভাৰতীয় কল্প-কাহিনীৰ অণু-পৰমাণুৰে হৈ উঠিছিল চিত্তাকৰ্ষক। চীন, জাপান, ব্ৰহ্মদেশ, মালয়, সুমাত্ৰা, কম্বোডিয়া ইত্যাদিৰ সাধুকথাৰাজিত কথা-সাহিত্যত আদ্যন্ত ভাৰতীয় কল্প-কাহিনীৰ চিত্ত-বিনোদক বিচ্ছুৰণ দৃষ্টিগোচৰ হয়। সাধুকথাৰ বিপুল ভাণ্ডাৰৰ

অধিকাৰিণী ভাৰতত সুদূৰ অতীততে পৈশাচী ভাষাত গুণাঢ্যৰ 'বৃহৎ কথা', 'উপনিষদ', 'পুৰাণ', পালি ভাষাৰ 'জাতকৰ সাধু', সংস্কৃত ভাষাত 'কথা সৰিৎ সাগৰ', 'বৃহৎ কথা মঞ্জৰী', 'দশকুমাৰ চৰিত', 'হিতোপদেশ', 'পঞ্চতন্ত্র', 'বেতাল পঞ্চবিংশতি', 'ৰাজতৰংগিণী' ইত্যাদি ৰচিত হৈছিল। আনহে নালাগে ভাৰতৰ মহাকাব্যদ্বয় 'ৰামায়ণ' আৰু 'মহাভাৰত'কো উদাৰভাৱে সাধুকথাৰ সমাহাৰ স্বৰূপে গণ্য কৰিব পাৰি।

সাধুকথাৰ পৰা উদ্ভূত হ'লেও চুটিগল্প সাহিত্যৰ এটি স্বতন্ত্র ৰূপ। চুটিগল্প একোটা চুটিকৈ লেখা হয়। অৱশ্যে হ্রস্ব আকৃতিৰ যিকোনো গল্পকে চুটিগল্প আখ্যা দিব নোৱাৰি। 'সাহিত্য সন্দৰ্শন' পুথিত প্রখ্যাত বাংলা সাহিত্যিক শ্ৰীশচন্দ্ৰ দাশ (১৯৫৭ ঃ ১৫৭) এ লেখিছে ঃ 'আকৃতিগত ব্যতীত প্রকৃতিগত এবং মৰ্মগত অনেক বিভিন্নতা ইহাকে উপন্যাস হইতে পৃথক শ্রেণীভুক্ত করিয়াছে। E. A. Poe (১৯০৯-৪৯) বলেন, যে অর্দ্ধ হইতে এক বা দুই ঘণ্টার মধ্যে এক নিশ্বাসে পড়িয়া শেষ করা যায়, তাকে ছোটগল্প বলে। H. G. Wells বলেন যে, ছোটগল্প ১০ হইতে ৫০ মিনিটের মধ্যে শেষ হওয়া বাঞ্ছনীয়। ছোটগল্প প্রসংগে Poe বলেন— 'In the whole composition there should be no word written of which the tendency, direct or indirect, is not to the one pre-established design.........undue brevity is just as exceptionable here as in the poem; but undue length is yet more to be provided.'

জীৱনৰ বিশেষ পল-অনুপল কেতবোৰ চুটিগল্পৰ মাজেৰে বাংময় হৈ উঠে। চুটিগল্পৰ গঠন-ৰীতি কিংবা দৈৰ্ঘ সম্বন্ধে কোনো নিকপকপীয়া সংজ্ঞা নাই। গল্পকাৰে প্রাত্যহিক জীৱনৰ অভিজ্ঞতাৰ পৰাই চুটিগল্পৰ বীজ চয়ন কৰে। বিভিন্ন গল্পকাৰৰ ৰচনাত একেটা ঘটনাই ভিন ভিন ৰূপত মূৰ্ত হৈ উঠে। চুটিগল্পৰ প্লট বিচাৰি হাবাথুৰি খোৱাৰো প্রয়োজন নাই; বিচিত্র মানৱ জীৱনৰ প্রতিটি মুহূর্ত চুটিগল্পৰ উপাদানে আষ্ঠে-পৃষ্ঠে মেৰিয়াই ৰাখে। ইংৰাজ কবি ওৱৰ্ডচওৰ্থৰ ভাষাত ঃ

'O reader! had you in your mind
Such stories as silent thought can bring
O gentle reader! you would find
A tale in everything.'

চুটিগল্পৰ অবয়ব যে চুটি হ'বই লাগিব, তাত কাৰো দ্বিমত নাই। পৰিসৰ সীমিত হোৱাৰ বাবে চুটিগল্পত সমগ্ৰ জীৱনৰ পৰিৱৰ্তে জীৱনৰ খণ্ডিত ৰূপহে প্ৰকাশ পায়। আকাৰত ক্ষুদ্ৰ বাবেই চুটিগল্পত কম সংখ্যক চৰিত্ৰৰ আচৰণ-

বিচৰণ ৰূপায়িত হয়। সাৰ্থক চুটিগল্পত অনাৱশ্যক পাত্ৰ-পাত্ৰী, বিস্তৃত বৰ্ণনা আদি কঠোৰভাৱে পৰিত্যাগ কৰি ৰসঘন মুহূৰ্তহে চিত্ৰায়িত কৰা হয়। তদুপৰি চুটিগল্পৰ সূচনা আৰু সমাপ্তি নাটকীয় হোৱাটো কাম্য। বৰ্ণনাৰ আতিশয্যৰ পৰিৱৰ্তে ইংগিত-মাধুৰ্যহে চুটিগল্পৰ আকাংক্ষিত বৈভৱ। চৰিত্ৰ নিৰ্বাচন বৰ্ণনা, পৰিৱেশ সৃষ্টি ইত্যাদিত গল্পকাৰে স্থান, কাল আৰু ঘটনাৰ ঐক্য বিচক্ষণতাৰে সৃষ্টি কৰিব লাগে। সুনিৰ্বাচিত ষ্টাইল, উপযুক্ত শব্দ-চয়ন, ভাৱৰ নিটোলতা, বিষয়ানুগত ভাষা, সুচিন্তিত আংগিক-প্ৰতীক-উপমা-অলংকাৰৰ প্ৰয়োগ আৰু সূক্ষ্ম ব্যঞ্জনা-দীপ্তিয়ে চুটিগল্পৰ সৌষ্ঠৱ বৰ্দ্ধিত কৰে। চুটিগল্পৰ বৈশিষ্ট্যৰ বিষয়ে ক'বলৈ গৈ Brander Mathews এ উল্লেখ কৰিছে যে—ঐক্য, সমাহাৰ আৰু ঘটনাৰ কেন্দ্ৰিকৰণেই চুটিগল্পৰ প্ৰধান লক্ষণ।

বিশ্বকবি ৰবীন্দ্ৰনাথে চুটিগল্পৰ বৈশিষ্ট্য সম্বন্ধে এনেদৰে কৈছে ঃ

'ছোট প্ৰাণ ছোট ব্যাথা ছোট ছোট দুঃখ কথা
নিতান্তই সহজ সরল
সহস্ৰ বিস্মৃতি ৰাশি প্ৰত্যহ যেতেছে ভাসি
তারি দু-চারিটী অশ্ৰুজল।
নাহি বৰ্ণময় ছটা ঘটনার ঘনঘটা
নাহি তত্ব নাহি উপদেশ
অন্তরে অতৃপ্তি রবে সাংগ করি মনে হবে
শেষ হয়ে হইল না শেষ।'

হয়, পঠন শেষতো হৃদয়ত অসম্পূৰ্ণ পঠনৰ পীড়া জাগৰূক কৰিব পৰাতেই চুটিগল্পৰ উল্লেখযোগ্য সাৰ্থকতা।

চুটিগল্পৰ বিবৰ্তনৰ ইতিহাস চমকপদ, কৌতূহলোদ্দীপক, আৰু হৃদয়ৰঞ্জক। টলষ্টয়, মোপাছা, ও হেনৰী, এণ্টন চেকভ আদি বিশ্ব-বন্দিত সাহিত্যিকৰ চুটিগল্পসমূহে বহুকাল জুৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ লোকৰ হৃদয়-মন আপ্লুত-তৰংগায়িত কৰি ৰাখিছে। মহেশ্বৰ নেওগ আৰু হেমন্ত কুমাৰ শৰ্মা সম্পাদিত 'সাহিত্য সমীক্ষা' পুথিত সন্নিৱিষ্ট 'চুটিগল্প' শীৰ্ষক প্ৰবন্ধত বৰেণ্য সাহিত্যিক আৰু অননুকৰণীয় সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে চুটিগল্পৰ টেকনিক সম্বন্ধে কৰা মন্তব্য এটি উনুকিয়াব খুজিছোঁ ঃ 'সাধাৰণতে কোৱা শুনা যায় যে অমুকজন গল্প লেখকৰ টেকনিক ভাল, কিন্তু গল্প ভাল নহয়। এনে মত প্ৰকাশৰ মূলতে টেকনিক আৰু কথাবস্তুৰ পাৰস্পৰিক সম্বন্ধৰ অস্বীকাৰ। ইয়াত ধৰি লোৱা হৈছে যে টেকনিক এক প্ৰকাৰৰ আভৰণ আৰু সেই আভৰণে সকলোধৰণৰ কথা-বস্তুৰে অংগ শোভা বঢ়াই তুলিব পাৰে। ......কথা-বস্তু আৰু টেকনিকৰ সংগতিৰ ফলতহে কোনো এটি গল্প সুন্দৰ হৈ উঠিব পাৰে। কথা-

বস্তু প্ৰাণৱন্ত কৰি ৰূপ দিব নোৱাৰা টেকনিকক ভাল টেকনিক বুলি গৌৰৱ লাভ কৰাৰ যোগ্যতা নিশ্চয় নাই। ব্যক্তি ভেদে টেকনিকৰ কিছু নহয় কিছু পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰতিভাৰ বলতহে গল্পৰ ৰমণীয়তা আৰু টেকনিকৰ সৌন্দৰ্য একেলগে ফুটি উঠে' (১৯৬৩ ঃ ১৩৩-৩৪)।

তফজ্জুল আলি সম্পাদিত 'মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য' (১৯৭৪) পুথিত সন্নিৱিষ্ট 'অসমীয়া চুটিগল্পৰ আংগিক ঃ এটি পৰ্যালোচনা' প্ৰবন্ধত চৈয়দ আব্দুল মালিকে লেখিছে 'বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক আৰু বাটকটীয়া'। প্ৰাৰম্ভিক কালত 'আৱাহন', 'জয়ন্তী', 'সুৰভী', 'পছোৱা', 'ৰামধেনু' আদি পত্ৰিকাই অসমীয়া চুটিগল্পৰ অংকুৰক সাৰ-পানী যোগাই লালন-পালন কৰিছিল। 'মহাযুদ্ধৰ ফলত ভাৰতৰ ৰাজনৈতিক, আৰ্থিক আৰু সামাজিক অৱস্থা আৰু মানুহৰ চিন্তা-ভাৱনা আৰু বিশ্বাসৰ দ্ৰুত পৰিৱৰ্তন হয়। যৌথ পৰিয়াল ভাঙনমুখী হৈ পৰে, ঔদ্যোগিক প্ৰসাৰ ঘটে, ধনী-দুখীয়াৰ প্ৰভেদ বেছি স্পষ্ট হৈ উঠে। বিজ্ঞানৰ যুগান্তকাৰী আৱিষ্কাৰে মানুহৰ ধৰ্ম-বিশ্বাসৰ ভেটি শিথিল কৰি তোলাৰ লগে লগে নতুনত্বৰো সম্ভাৱনা দাঙি ধৰে। গণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ লগে লগে গাঁওবোৰতো ৰাজনৈতিক সচেতনতাই দেখা দিয়ে, নাগৰিক জীৱনৰ প্ৰতি মোহ বৃদ্ধি পায়। এনে দ্ৰুত পৰিৱৰ্তনশীল সমাজৰ বিচিত্ৰ অভিজ্ঞতা আৰু সমস্যাৰ মেৰপাকত জড়িত হোৱা ব্যক্তিৰ কামনা-বাসনা, হা-হুতাশ, সুখ-দুখ আৰু আশা-নিৰাশাৰ কথা আধুনিক গল্পকাৰে ৰূপ দিবলৈ চেষ্টা কৰিছে। নতুন লেখকসকলৰ ৰচনাত সৰল বৰ্ণনাতকৈ বিশ্লেষণ, বৰ্হিঘটনাতকৈ মানসিক বা আভ্যন্তৰীণ সংঘাত, সৰল ভাষাশৈলীতকৈ ব্যঞ্জনাপূৰ্ণ বৰ্ণাঢ্য ৰচনাশৈলী আৰু জীৱনৰ ৰাজআলিত সংঘটিত হোৱা ঘটনাতকৈ অলিয়ে-গলিয়ে হোৱা ঘটনাৰ বৈচিত্ৰ্যময় প্ৰকাশ আধুনিক গল্পকাৰসকলৰ ৰচনাত লক্ষ্য কৰা যায়; কিন্তু বহুক্ষেত্ৰত গল্পকাৰে সত্য (truth) আৰু সংঘটিত ঘটনাৰ (fact) পাৰ্থক্য নুবুজি যৌন ক্ষুধাৰ পৈশাচিক অভিব্যক্তিকো সত্যৰ পৰিৱেশন বুলি চলাই দিয়াৰ অপচেষ্টা দেখা গৈছে। এনে সাহিত্যই জাতীয় কল্যাণ সাধন কৰিব নোৱাৰে, ব্যক্তিৰো মংগলদায়ক নহয়' (সত্যেন্দ্ৰ নাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত', ১৯৫৯ ঃ ৩৪৩-৪৪)।

চুটিগল্প বিষয়ক আলোচনাৰ ইমানতে মোখনি মাৰি এই পুথিৰ নেপথ্য যৎসামান্যভাৱে হ'লেও উন্মোচিত কৰাটো যুক্তি-সংগত হ'ব। গুৱাহাটীৰ ছাত্ৰীবাৰীত অৱস্থিত কে চি দাস কমাৰ্চ কলেজে বিভিন্ন চমকপ্ৰদ কাৰ্য সম্পন্ন কৰি অসমৰ সাৰস্বত পৰিমণ্ডল আলোকিত-আলোড়িত কৰিবলৈ সমৰ্থ হৈছে। মহাবিদ্যালয়খনিয়ে এই বছৰটি ৰজত জয়ন্তী বৰ্ষৰূপে পালন কৰিছে। সেই উৎসৱৰ অনুষংগ স্বৰূপে অসমৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ ছাত্ৰ-

ছাত্ৰীসকলৰ মাজত চুটিগল্প প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। আশানুৰূপভাৱে সেই প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল; কিন্তু পৰিতাপৰ কথা এয়ে যে সেই গল্পসমূহৰ বুজন সংখ্যকতে চুটিগল্পৰ বৈশিষ্ট্যসমূহ বিকশিত নহ'ল। সম্ভৱতঃ চুটিগল্পৰ কালিকা হৃদয়ংগম কৰাত অসমৰ্থতা আৰু ধাৰাবাহিক অনুশীলনৰ অভাৱে ৰচনাসমূহক সাৰ্থক গল্পত পৰিণত হোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। চৰিত্ৰানুগত ভাষা ব্যৱহাৰত অক্ষমতা, ৰসঘন মুহূৰ্ত সৃষ্টিত অপাৰগতা, আংগিক-প্ৰতীক-ব্যঞ্জনাহীনতা, পৰিমিতি-বোধৰ অভাৱ, সূচনা আৰু পৰিশেষত হৃদয় স্পন্দিত কৰিব পৰা বিন্যাস ৰচনাত অসমৰ্থতা ইত্যাদিয়ে প্ৰতিযোগিতাৰ ভালেমান গল্পক নিম্নমানৰ লক্ষ্মণ ৰেখাৰে আৱদ্ধ কৰি ৰাখে। অসমীয়া ভাষা-সাহিত্যৰ নিৰংকুশ উত্তৰণৰ বাবে এনে পৰিস্থিতি নিঃসন্দেহে উদ্বেগ আৰু আশংকাৰ কাৰণৰূপে চিহ্নিত হ'ব।

পূৰ্ব নিৰ্দ্ধাৰিত সিদ্ধান্ত অনুযায়ী প্ৰতিযোগিতাৰ গল্প সমূহেৰে পুথি এখন প্ৰকাশৰ দিহা কৰা হৈছিল। যিহেতু সেই গল্পসমূহৰ পৰা পুথি প্ৰকাশ কৰিব পৰাকৈ নিৰ্দিষ্ট সংখ্যক নিটোল গল্প পোৱা নগ'ল, সেইবাবে কেইগৰাকীমান প্ৰতিষ্ঠিত আৰু জনপ্ৰিয় গল্পকাৰৰ ৰচনাও এই পুথিত সন্নিৱিষ্ট কৰা হ'ল। নিঃসন্দেহে সংযোজিত গল্পৰাজি পুথিখনিৰ সৌন্দৰ্য আৰু প্ৰমূল্যবৰ্দ্ধক শক্তিশালী অনুঘটকৰূপে চিহ্নিত হ'ব; তদুপৰি প্ৰবীণ গল্পকাৰৰ গল্পৰাজিয়ে ন-কথাশিল্পীসকলক গল্পৰ অবয়ব আৰু সৌষ্ঠৱ সম্বন্ধে কিছু অন্ততঃ ধাৰণা প্ৰদান কৰিবলৈ সমৰ্থ হ'ব।

কে চি দাস কমাৰ্চ কলেজৰ পাৰংগত আৰু কৰিৎকৰ্মা অধ্যক্ষ ডঃ হিতেশ ডেকাৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ঢৌতে খৰ মাৰি যদিও মই অৱতৰণিকা লেখাৰ গুৰু দায়িত্ব সম্পাদন কৰিবলগীয়া হ'ল, তত্ৰাচ মোৰ সুদৃঢ় ধাৰণা, এই নান্দীপাঠতকৈ মূল পুথিৰ আৱৰ্তততহে পাঠকে গোষ্পদে নভোমণ্ডলৱৎ আনন্দ-অনুপ্ৰেৰণাৰ অমল সমলৰ সন্ধান পাব। এই সুযোগতে মই ডঃ ডেকালৈ অকুণ্ঠ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আশাকৰোঁ অদূৰ ভৱিষ্যতত কে চি দাস কমাৰ্চ কলেজৰ উদ্যোগতে নৱ-প্ৰজন্ম ৰচিত অধিক নিটোল আৰু হৃদয়গ্ৰাহী চুটিগল্পৰ সংকলন প্ৰকাশ হ'ব।

*প্ৰীতিৱদ্ধ—*

**বিৰিঞ্চি কুমাৰ মেধি**
অধ্যাপক, নৃতত্ত্ব বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

১৭ ডিচেম্বৰ, ২০০৮

# দিগবলয় ঃ দৃষ্টি আৰু নেপথ্য

লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্মলাভ কৰা অসমীয়া চুটিগল্পৰ ইতিহাসে এটা শতিকাৰো অধিক কাল অতিক্ৰম কৰিলে। বেজবৰুৱাই সাধুকথাৰ ভেটিত আধুনিক চুটিগল্প ৰচনাৰে অসমীয়া সাহিত্যৰ পাঠকক এক নতুন সোৱাদ দিলে। নব্য ধাৰা আৰু নব্য চেতনাৰে সীমাৱদ্ধ পৰিসৰত হ'লেও তেওঁ গল্পৰ অপৰিহাৰ্য কলা-কৌশলৰ আদৰ্শ 'বাঁহী'লৈকে কৰ্ষণ কৰিছিল। কুৰি শতিকাৰ চতুৰ্থ দশকত 'আৱাহন', 'জয়ন্তী', 'বাঁহী' আদি আলোচনীৰ পাতত গল্প চৰ্চ্চাৰ দুৱাৰ অৰ্থবহ ৰূপত উন্মুক্ত হয়। আৱাহনে অসমীয়া গল্প-সাহিত্যৰ অভিনৱ যুগ এটাৰ সৃষ্টি কৰিলে। বিষয়বস্তু, আংগিক, ভাষা—সকলো ফালৰ পৰাই অসমীয়া গল্প সুচাৰু আৰু প্ৰগলভ হৈ উঠিল।

'আৱাহন' প্ৰকাশিত হৈ থকা কালতেই 'জয়ন্তী' আৰু 'সুৰভী' নামৰ আন দুখন আলোচনীৰ প্ৰকাশে গল্প চৰ্চ্চাৰ পৰিৱেশত অৰিহণা যোগালে। ইতিমধ্যে আৰম্ভ হোৱা দ্বিতীয় মহাসমৰ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ অসমতো নপৰাকৈ নাথাকিল। অসমৰ সামাজিক ক্ষেত্ৰখনলৈ পৰিবৰ্তন আহিল; গল্পৰ ক্ষেত্ৰখনতো উৎকৰ্ষৰ যুগ আৰম্ভ হ'ল। এই পৰিৱৰ্তনে গল্প লেখকৰ মানসিকতালৈও পৰিৱৰ্তন আনিলে। এনে সময়তে প্ৰকাশ পোৱা 'ৰামধেনু' আলোচনীৰ পাতত ন ন সম্ভাৱনাৰে উজ্জ্বল গল্প লেখকৰ সৃষ্টি হ'ল। পাশ্চাত্যৰ আধুনিক ধাৰা আৰু সমাজবাদী ধাৰা এই দুয়োটা সুঁতিৰ সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিলে। কিন্তু পঞ্চাশ-ষাঠিৰ দশকৰপৰা অসমীয়া সাহিত্য-চৰ্চ্চাৰ পৰিৱেশ কিছু পৰিমাণে হ'লেও স্থবিৰ হৈ পৰিল। স্বাধীন ভাৰতত পোখা মেলিবলৈ আৰম্ভ কৰা সামাজিক-ৰাজনৈতিক দুৰ্নীতি, ভণ্ডামি আদিৰ লগতে অসমৰ তেল শোধনাগাৰ আন্দোলন, ৰাজ্যভাষা আন্দোলন, বাংলাদেশ গঠনৰ ফলত হোৱা অস্বাভাৱিক প্ৰব্ৰজন, ১৯৭৯ চনৰপৰা আৰম্ভ হোৱা বিদেশী নাগৰিক সম্পৰ্কীয় আন্দোলন আদি ঘটনাসমূহৰ প্ৰভাৱ আমাৰ সামাজিক আৰু মানসিক জীৱনত বাৰুকৈয়ে পৰিল।

এনে জটিল সময়ৰ ভিতৰতো সংখ্যাত সীমিত হ'লেও কেইগৰাকীমান উল্লেখযোগ্য গল্পকাৰৰ গল্পই পাঠকক অভিনৱত্ব আৰু নতুনত্বৰ সোৱাদ দি আহিছে। অষ্টম দশকটোত অসমীয়া গল্পই ভাৱবস্তুৰ দিশৰপৰা বৈচিত্র্য প্রদর্শন কৰিছে। জীৱন সম্পর্কে বৌদ্ধিক বিশ্লেষণ, যুগসাপেক্ষ বাস্তৱ দৃষ্টিভংগীৰ সূক্ষ্মতা আৰু শৈল্পিক চাৰুতাৰে এই দশকৰ গল্পই অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। এই গল্প লেখকসকলৰ সৰহ ভাগেই সমাজ সচেতন তথা দায়বদ্ধ লেখক। তেওঁলোকৰ কলমত সমাজৰ ভিন ভিন সমস্যাই মূৰ দাঙি উঠিছে। এই গল্পসমূহত সমাজৰ পৰিৱর্তন, মানুহৰ প্রচলিত ৰীতি-নীতি, অন্যায়-অবিচাৰ, মানৱীয় আবেদন, ৰাজনৈতিক চেতনা ইত্যাদি নানান সমস্যাৰ প্রতিফলন ঘটিছে। কিছুমানত বৈপ্লৱিক পৰিৱর্তনৰ ইংগিত আছে; গল্পকাৰৰ ক্রোধ, বক্রোক্তি, সংস্কাৰধর্মী মনোভাৱৰো প্রতিফলন ঘটিছে।

অসমীয়া চুটিগল্প-সাহিত্যই বহু কাল অতিবাহিত কৰাৰ পাছতো ৰসজ্ঞৰ বিচাৰত উত্তম সৃষ্টিৰ অভাৱ অসমীয়া গল্পত আজিও আঁতৰা নাই। অসমীয়া লেখকৰ দুই-চাৰিটা গল্প ইংৰাজী নাইবা আন ভাষালৈ অনুদিত হৈছে যদিও ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় পর্যায়ত অসমীয়া গল্পই এতিয়াও বিশিষ্ট আসন লাভ কৰিবলৈ সমর্থ হোৱা নাই। বিশ্ব সাহিত্যৰ মানেৰে জুখিলে অসমীয়া গল্প এতিয়াও চালুকীয়া অৱস্থাতে আছে। অৱশ্যে বিশ্ব সাহিত্যৰ মান বিচাৰিব খুজিলে বিশ্বৰ সাহিত্য-কর্মৰ লগতো আমাৰ আত্মীয়তা থাকিব লাগিব। প্রচুৰ অভিজ্ঞতা, সূক্ষ্ম দৃষ্টি, সযত্ন অনুশীলন আৰু ঐকান্তিক সাধনাৰ অবিহনে বিশ্বজনীন তথা কালজয়ী সাহিত্য সৃষ্টি সম্ভৱ নহয়। শিল্পৰ মানৰ তেনে কোনো নির্দিষ্ট সূত্র বা পৰিমাপক নাই। গল্পৰ মান আৰু বিশিষ্টতাও সীমাবদ্ধ নহয়। আংগিক আৰু বিষয়বস্তুৰ একমুখিতাৰ অবিহনে সার্থক গল্প হৈছে বুলি ক'ব নোৱাৰি। অসমীয়া ভাষা প্রকাশিকা শক্তি সমৃদ্ধ। চুটিগল্পৰ এই প্রকাশিকা শক্তিৰ সমুচিত প্রয়োগ হ'বলৈ হয়তো এতিয়াও বাকী।

এই ক্ষেত্রত আমাৰ দায়িত্বও এৰাই চলিব পৰা নহয়। আৱাহন, ৰামধেনু, প্রকাশ আদি আলোচনী নাথাকিল। বর্তমানো দৈনিক অসম, অসম বাণী, সাদিন, অগ্রদূত আদি কাকতসমূহে দুই-একোটাকৈ গল্প প্রকাশ কৰি নথকা হ'লে গল্প প্রকাশৰ সুযোগ নতুন লেখকে নেপালেইহেঁতেন। বছা বছা গল্পসমূহৰ অনুবাদ কার্যও হ'ব লাগে। এই দিশতো অসমীয়া গল্প তেনেই পিছপৰি আছে।

অসমীয়া সাহিত্যৰ পাঠকৰ সংখ্যা তেনেই সীমিত। তাতে নৱ-প্ৰজন্মৰ মাজত অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হয়। ইয়াৰ মাজতে ন-কৈ গল্পৰ গছপুলি গোজা কলেজীয়া ডেকা-গাভৰুহঁতক উদ্‌গনি দিয়াৰ মানসেৰে কে চি দাস কমাৰ্চ কলেজৰ 'ৰূপালী জয়ন্তী বৰ্ষ'ৰ লগত সংগতি ৰাখি আমি এক গল্প প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। সদৌ অসম ভিত্তিত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত আয়োজিত এই প্ৰতিযোগিতাৰ ক্ষেত্ৰত আমি লাভ কৰা সঁহাৰি যদিও আছিল আশাব্যঞ্জক, তেওঁলোকৰ ৰচনা পঠনৰ পাছত আমাৰ আশা নিৰাশালৈ পৰ্যবসিত হয়। 'নতুন পুৰুষ'ৰ পৰা আমাৰ প্ৰত্যাশা আছিল ভালেখিনি। হয়তো তেওঁলোকৰ স্বকীয় অনুভূতি আৰু সংবেদনৰ মাজেদি মূৰ্ত হ'ব নতুন জগতখনৰ স্বৰূপ; কিন্তু ভাৱ, আৱেগ, সপোনৰ জগতখন নিৰীক্ষণ কৰাত ন-লিখাৰুসকল সামান্যভাৱেও সফল হোৱা বুলি ক'ব নোৱাৰি।

তথাপিও তাৰ মাজৰপৰাই নতুন প্ৰজন্মক হাতত কলম তুলি ল'বলৈ সাহস আৰু অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্য আগত ৰাখিয়েই বিচাৰকে উদাৰভাৱে নিৰ্বাচন কৰা পাঁচটি গল্প এই সংকলনৰ অন্তৰ্ভুক্ত কৰা হৈছে। গল্পকাৰসকলক চুটি গল্পৰ ব্যাকৰণ আৰু সুষমা সম্বন্ধে কিছু অন্ততঃ ধাৰণা দিয়াৰ বাবে এই পুথিত পাঁচ গৰাকী প্ৰতিষ্ঠিত কথাশিল্পীৰ চুটিগল্পও সংযোজিত কৰা হৈছে। এই সুযোগতে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আলোচ্য পুথিখনিৰ শিৰোনাম (দিগবলয়) নিৰ্বাচন কৰিছে ডঃ বিৰিঞ্চি কুমাৰ মেধিয়ে। মানুহে যিমানেই উচ্চতাত অৱস্থান কৰে, তেওঁৰ বাবে দিগবলয় সিমানেই প্ৰসাৰিত হৈ পৰে। আমি আশা কৰিছো যে ন-গল্পকাৰসকলে তিথিৰ মূৰত এচলু পানী দিয়াদি প্ৰয়োজন সাপেক্ষে গল্প ৰচনাত প্ৰবৃত্ত হোৱাৰ পৰিৱৰ্তে চুটি গল্পৰ ৰীতি আৰু সুষমা সম্বন্ধে প্ৰয়োজনীয় জ্ঞান আহৰণ কৰি ধাৰাবাহিক অনুশীলনত প্ৰবৃত্ত হৈ সাৰ্থক গল্প ৰচনা কৰিবলৈ সমৰ্থ হ'ব।

এই পুথিখনি প্ৰকাশৰ ক্ষেত্ৰত আমি বিভিন্নজনৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। প্ৰতিযোগিতাৰ বিচাৰকৰ আসন গ্ৰহণ কৰা অসমৰ স্বনামধন্য গল্পকাৰ ডঃ বিৰিঞ্চি কুমাৰ মেধি আৰু দেৱব্ৰত দাসলৈ কে চি দাস কমাৰ্চ কলেজ পৰিয়ালৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কলেজ পৰিচালনা সমিতি আৰু ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ প্ৰতিগৰাকী সদস্যৰ

সহযোগিতাৰ বাবে শলাগ ল'লো। মহাবিদ্যালয়ৰ সমূহ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগিতা অবিহনে আমাৰ এই উদ্দেশ্য সফল হৈ নুঠিলহেঁতেন। সহযোগী সম্পাদক শ্ৰীস্বপ্নাস্মৃতি মহন্তৰ সহযোগিতা অকুণ্ঠভাৱে স্বীকাৰ কৰিছোঁ। উক্ত সকলোজনৰ ওচৰত আমি ঋণী। সহৃদয় পাঠকে আমাৰ এই প্ৰচেষ্টাৰ শলাগ ল'ব বুলি আশা কৰিছোঁ।

*আশিসপ্ৰাৰ্থী—*

১৭।১২।২০০৮ **হিতেশ ডেকা**

# দিগবলয় মঞ্জুষা


◆ ছানাবাপা এ ভাল কৰি নাচন দিবি — ১
✍ সঞ্জীব পল ডেকা

◆ এলজেব্ৰাৰ X — ১৬
✍ সৃষ্টি শ্ৰেয়ম

◆ এজাক বৰষুণ আৰু এটা সপোন — ২১
✍ জয়ন্ত পাঠক

◆ জীৱনৰ প্ৰেক্ষাপটত এবুকু আৱেগ — ২৭
✍ জলি বৰা

◆ চকুলোৰে ধোৱা এটি আবেলি — ৩৯
✍ মানস প্ৰতিম ভড়ালী

◆ অলপ আশ্ৰয় — ৪৫
✍ দেৱব্ৰত দাস

◆ মম জ্বলিছে, গলিছে — ৫১
✍ কুল শইকীয়া

◆ ইয়াত এখন পাহাৰ আছিল — ৬১
✍ সুৰেশ চক্ৰৱৰ্তী

◆ পাঁচ হেজাৰ বছৰীয়া নৰ-নাৰী — ৬৯
✍ মৌচুমী কন্দলী

◆ সাক্ষাৎ ডাইনী — ৮২
✍ মনালিছা শইকীয়া

# ছানাবাপা এ ভাল কৰি নাচন দিবি

**সঞ্জীৱ পল ডেকা**

যেতিয়া ছানাবাপাই নিজৰ বাৰীৰ তামোল গছত বগাবলৈ ধৰিলে তেতিয়া বেলিটো নাৰিকলডালৰ পাতৰ ওপৰত উঠিছেহি। হাটৰ দিনটোৰ ৰাতিপুৱা সদায়ে এনেকুৱা হয়। গাঁৱৰ কাৰোবাৰ নহয় কাৰোবাৰ তামোল পাৰি দিব লাগেই। তামোল নাথাকিলে পাণ। মুঠতে কিবা নহয় কিবা এটা। ছানাবাপা এইবোৰ কামত একেবাৰে পকা। লোকে কয় গাঁৱত তাৰ সম দ্বিতীয়টো নাই।

লোকৰ ভৰা বাৰীৰ তামোল-পাণ পাৰি দি আহি ছানাবাপাই যেতিয়া নিজৰ বাৰীখনত সোমায়, তাৰ মনটো কিবা কিবা লাগে। বেলেগৰ বাৰী তামোল-পাণেৰে ভৰি থাকে, অথচ তাৰ বাৰী খৰালি মাহৰ পথাৰ হেন উদং। তামোলৰ গছো কম, থকা কেইডালতো তামোল নাই। থাকিবনো ক'ৰ পৰা, সপ্তাহে সপ্তাহে সেই কেইডালতে লফিয়াই নাথাকে জানো! বাৰীৰ মাটি বেছি হ'লেহে দয়া মাষ্টৰৰ বাৰীৰ নিচিনা ডাঠ, দিনতে আন্ধাৰ-মুন্ধাৰ হ'ল হয়।

ওচৰৰ এঘৰৰ দগা-পাল্লাযোৰ খুজি আনি ছানাবাপাই তামোল কেইটা জুখিলে। তামোলৰ মোনা দুটা বাংকাপাতৰ দুই মূৰত লয় মানে ঘৈণীয়েকে কেৰাচিন আৰু মিঠাতেলৰ খালি বটল দুটা মোনাত ভৰাই দিলে। লগতে ঘৰত নোহোৱা বস্তুৰ দীঘলীয়া তালিকা এখন গিৰিয়েকৰ আগত গাই শুনালে। তাৰে কেইটামান বস্তুৰ নাম ছানাবাপাৰ কাণত সোমাল। সৰহভাগেই নোসোমাল। জীয়েকজনীয়ে আজি কেইবাটাও হাটৰ বাৰত চেমিজ এটা অনাৰ কথা কৈ আছে। আজিও ক'লে। ছানাবাপাই হো-হা নকৰিলে। পুতেক বুদু নঙলা মূৰলৈ তাক আগবঢ়াই থ'বলৈ আহিল। বুদুৰ ধাণ্ডা বাপেকে বজাৰৰপৰা তালৈ কিবা খোৱাবস্তু লৈ আনিব।

নিজৰ গাঁও পাৰ হৈ আহি ছানাবাপাই ঘোপা পালেহি। আজি সাৰিলো বুলি ভাবি সি বেগাই খোজ দিছিলহে, তেনেতে নামঘৰটোৰ চোতালত টাং গুটি খেলি থকা ছলি সোপাই দেখিলেই নহয়—ছানাবাপাক। ছানাবাপা ক'ত সাৰে।

বেট-বল ক'ৰবাতে এৰি 'ছানাবাপা', 'ছানাবাপা' কৰি সিহঁতে মৌমাখিয়ে আগুৰাদি ছানাবাপাক আগুৰি ধৰিলে।

মোৰ নাম কি ছানাবাপা? এটাই সুধিলে।

তোৰ নাম কেৰপাই। ছানাবাপাৰ উত্তৰ শুনি গোটেইজাকে কিৰিলি পাৰি দিলে।

মোৰ নাম কি? আন এটাই সুধিলে।

তোৰ নাম চুহুংমুহুং। আকৌ এজাউৰি হাঁহি।

মোৰ নাম? মোৰ নাম?

তোৰ নাম চুকাই চৰ্মা, তোৰ নাম লেমটো কানীয়া।

এনেদৰে ল'ৰাজাকৰ প্ৰত্যেককে ছানাবাপাই নাম ক'ব লাগে। ছানাবাপাই দিয়া নাম শুনি বনৰীয়া চৰাই এজাকৰ দৰে সিহঁতে আনন্দত কিৰিলি পাৰি উঠে। ছানাবাপা এইফালেৰে অহা দেখিলেই হ'ল আৰু। সিহঁতক নাম ক'বই লাগিব। তেহে। ল'ৰাজাকৰ আনন্দ দেখি ছানাবাপায়ো ৰং পায়।

ছানাবাপাক আগুৰি সৰু সৰু ল'ৰাজাকেও খোজকাঢ়িয়েই আছে। নাম কোৱা শেষ হ'লত সিহঁতে এইবাৰ তাক গান গাবলৈ ধৰিলে। সেই হাঁহি উঠা গানটো। সিহঁতৰ পৰা সোনকালে নিস্তাৰ পাওঁ বুলি ছানাবাপাই বেছি দেৰি নকৰি এখন হাতেৰে মুদ্ৰা দি গাবলৈ আৰম্ভ কৰিলে—

ছানাবাপা এ ভাল কৰি নাচন দিবি।
ডাঙৰ বাপা এ ভাল কৰি নাচন দিবি।
গৰুবাট খোট দি আৰু এটা জুৰ্‌বি।।
গুৰু মুনি ভক্ত ধূলা শিৰত তুলি লওঁ।
অ' বৰপেটুৱাৰ দিনৰ দুই চাৰি আষাৰ কথা কওঁ।।

এইখিনি গায়েই ছানাবাপাই ল'ৰাজাকক ক'লে—"বাপাহাত আৰু নাগাওঁ দেই। মোৰ দেৰি হবো নহয়। বজাৰ আছেই।" সন্তুষ্ট হৈ দলটোৱে ছানাবাপাক এৰি দিলে। আকৌ আইভি দেই ছানাবাপা।

ছানাবাপাই মূৰ জোঁকাৰিলে।

তাৰ খোজ খৰ হ'ল। হাট পাবলৈ আৰু এখন ডাঙৰ পথাৰ পাৰ হ'বলৈ আছেই।

ৰাতিপুৱা খৰখেদাকৈ বজাৰলৈ অহা ছানাবাপা এতিয়া ঘৰমুৱাকৈ খোজ কাঢ়িছে। তাৰ বাওঁহাতে বেলিটো। বেলিটোৱে যেন সি যোৱালৈহে বাট চাই আছে। পথাৰখনৰ সিটো মূৰত তিৰোতা মানুহৰ ফোটটো হৈ বেলিটো ৰৈ আছে। ছানাবাপাও পথাৰখন পাৰ হ'ল, বেলিটোও টুপকৈ সৰি পৰিল।

আঘোণ মাহৰ দিন, সোনকালে গধূলি হয়েই। ছানাবাপাৰ ঠাণ্ডা ঠাণ্ডা লাগিছে। আঁঠুৰ ওপৰত ফিৰফিৰিয়া পাতল চুৰীয়া, চোলাটোৰে ধোঁৱা বৰণ লৈছে। ছানাবাপাই চোলাটোৰ জেপত হাত ভৰালে। এটা বান্দৰ বিড়ি তাৰ দুফাল হোৱা শুকান ওঁঠ দুটাৰ মাজত সোমালহি।

বিড়িডালে অলপ গৰম গৰম লগালে তাক। ধোঁৱা উৰুৱাই সি ঘৈণীয়েকৰ কথা ভাবিলে। ছানাবাপাই জানে, আজিও সি নিৰ্ঘাত ঘৈণীয়েকৰ গালি খাবই। হাটৰ দিনটোত সদায়েই খায়। ইটো ক'ত সিটো ক'ত বুলি গৈ পোৱাৰ লগে লগে হৈ-চৈ এখন আৰম্ভ কৰিব। ছানাবাপাই সদায়ে মনে মনে থাকে। কেতিয়াবাহে খং উঠি আহে তাৰ।

বজাৰৰ পেৰে ভোকে লঘণে মান্তু আহি পাইছোঁ। বইভা পীৰা এখান উলেই দিবি চাৰি বক্‌বা ধৰ্‌বি। নাও বাওতাইহে জানেই পানী কিমান দ!

এইখিনি বস্তু বজাৰ কৰোতেয়ে গোটেই দিনটো গেল্‌নে? সেই ৰাতিপুৱাতে গৈইছিল। বজাৰ কৰা হৱাৰ পাছত তাতে আৰু কি ওলেই থাকেই?

ঘৈণীয়েকৰ কথাত আৰু মাত নামাতে ছানাবাপাই। সিও বুজি পায় ঘৰখনত লগা বস্তুখিনিয়ে সি আনি দিব পৰা নাই। আনিবনো কিদৰে, তামোলৰ দৰ থাকোতেও কথাটো সুকীয়া আছিল। এপোণ তামোলতে তিনিকুৰি আঢ়েকুৰি পায়। দুপোণ হাটলৈ লৈ গ'লেই বজাৰ ভালকৈ কৰিব পাৰি। পিছে আজি কেইবছৰমানৰপৰা তামোলৰ পানীৰ দৰেই দৰ। পোণৰপৰা গৈ কেজিত পৰিল। এক কেজিত পাঁচ সাত টকা। ক'ত মৰা মৰ। কেইবাথোকো তামোল যেন ছানাবাপাৰ মূৰটোতহে খহি পৰিলহি। তামোল বেচি পোৱা সেই কুৰি ডেৰ কুৰি টকাৰে পাবনো কি? অইন বস্তুবোৰ নহ'লেও যেন তেন। কিন্তু আচল বিধ নোহোৱাকৈনো চলিব কিদৰে। তামোল বেছি পোৱা পইচা দেখোন চাউলতে শেষ।

হাটৰ দিনটোত দেৰি হয় ছানাবাপাৰ। দেৰি কৰোঁ বুলিয়েই কৰে। ঘৈণীয়েকৰ বকনি আৰু আজিকালি তাৰ কাণত নোসোমায়। ঘৰখনত কেৱল

ইটো নাই সিটো নাই, এই বোলে ডাঙৰ ছোৱালীৰ তমুক নাই, এই বোলে বুদুৰ চিলথ নাই, মাষ্টৰে গালি পাৰি আছে। সপ্তাহৰ মূৰকত আহে মঙ্গলবাৰটো। হাটৰ দিন। সোমবাৰৰ ৰাতিৰ পৰাই মনটো ভাল লাগিবলৈ ধৰে ছানাবাপাৰ। হাটখনত সঁচাই ভাল লাগে থাকি। কত ৰকমৰ মালবস্তু কত ৰকমৰ মানুহ। সংসাৰৰ কথা মনত নপৰে তেতিয়া।

পিছে আচল লাভটো বেঙেনা, বিলাহী কেইটাতহে। দিনত যিহে দাম, বেঙেনা, বিলাহীৰ বেপাৰী কেইটাৰ ওচৰলৈ যাবলৈয়েই সাহ নহয় ছানাবাপাৰ। তেওঁ একোবাৰ চুচুক-চামাককৈ যায় বেপাৰীৰ ওচৰলৈ। বেলেগ গ্ৰাহকক কৈ থকা দাম শুনি হাতত থকা লেউ-সেউ দহটকীয়া নোট দুখন মুঠি মাৰি আকৌ সি হৰেশ্বৰৰ চাহৰ দোকানত বহেহি। চাহ খোৱা মানুহ বেছি হ'লে সি উঠি দিয়ে। হৰেশ্বৰে বেয়া পালেও সি উপযাচিয়েই পানীৰ গিলাচ, ৰুটি, পৰঠা দিয়াত সহায় কৰি দিয়ে। তাৰ বাবত বজাৰৰ শেযত সি ঠাণ্ডা হোৱা ৰুটি একোখন খাবলৈ পায়। হৰেশ্বৰৰ দোকানৰ মাল-মটং ঠেলাখনত বন্ধা-কুন্ধা কৰি সি বেঙেনা বেপাৰীৰ ওচৰলৈ আহে। চাপৰিৰপৰা অহা মিঞা বেপাৰী সিহঁত। ৰাইজে বাছি বাছি এৰা পাচলিবোৰ লৈ নাযায় আৰু সিহঁতে। সস্তাতে দি থৈ যায়। সেয়ে ছানাবাপা হাটৰপৰা ওভতে মানে একেলগে অহা মানুহ ঘৰলৈ গৈ ভাত-পানী খাই বেলেগ কামত ধৰে।

ছানাবাপা ফুটকিতলি পথাৰখনৰ সমুখ পালেহি। ধান চপোৱা ইতিমধ্যে হৈ গৈছে। অকল নৰাবোৰেহে পথাৰখনক পহৰা দি আছে। খৰালি দিনত এইটো অলপ সুবিধা। নৰাতলিৰ মাজে মাজে বাট চমুৱাই যাব পাৰি।

ছানাবাপা পথাৰখনত নামিল।

কেঁচা নৰাৰ গোন্ধ এটা নাকত লাগিল। এই গোন্ধটো ইমান ভাল লাগে তাৰ। কি ধানৰ বা নৰা? সুৱাগমণি নে মালভোগ ধানৰ?

পাউদাৰ দিয়া চাউলৰ ভাত খাই খাই এইবোৰ ধানৰ গোন্ধ পাহৰাৰ নিচিনাই হ'ল। বুদুহঁতেতো এইবোৰ ধানৰ নামেই শুনা নাই। ছানাবাপাৰ হুমুনিয়াহ এটা ওলাই আহিব খুজিলে।

মালভোগ ধানৰ ভাত খাব চাৰি পাউদাৰ দিয়া কেইটাকেই সময়ত নাপায়। বছৰৰ বাৰ মাহেই কিনা। নিকিনিবলৈ ক'তনো ভাখেৰীটো আছে ছানাবাপাৰ।

আছিল, সুৱাগমণি জহা ধানৰ গোন্ধেৰে ঘৰখনৰ ভাখেৰী, চোতাল, কাঁথি ভৰি আছিল। পিতাক সিফলীয়া হোৱাৰ পৰাহে পয়মাল আৰম্ভ হ'ল। পিতাকৰ কাম-কাজ কৰি উঠাৰ পিছতেই এদিন মৌজাদাৰ দেউতা খাটা বহী লৈ ছানাবাপাৰ ঘৰত উপস্থিত। পিতাকে বহু বছৰৰ খাজনা দিয়া নাই। পাওনাৰ হিচাপটো বহীত অংক কৰি মৌজাদাৰ দেউতাই ছানাবাপাক দেখুৱাই গ'ল। ছানাবাপাই চকু দুটা মেলি চাই থাকিল। দিবলগীয়া টকা-কড়ি দিবতো লাগিবই। পিছে ছানাবাপাই দিয়ে ক'ৰ পৰা এতিয়া?

তাৰ পিছৰ বছৰৰ পৰাই বৰপথাৰৰ মাটি পাঁচ বিঘাত মৌজাদাৰ দেউতাৰ হালোৱাই হাল জুৰিলে। ছানাবাপাৰ চকুৰ আগেৰেই, বৰপথাৰৰপৰা মৌজাদাৰৰ হালোৱাই হুলাবাৰী বেকা হোৱাকৈ বৰাধানৰ ডাঙৰি কঢ়িয়ালে।

আকাল নোহোৱাকৈ নদন-বদনেৰে চলা ছানাবাপাৰ সেইবাৰ চলাত অলপ হেৰফেৰ হ'ল। বছৰটো পূৰ নৌহওঁতে যোগেশ্বৰৰ গেলামালৰ দোকানৰ বাৰাণ্ডাত ছানাবাপাক লগ পাই এদিন মৌজাদাৰ দেউতাই। বগলীপাখি হেন ধুতী-পাঞ্জাৱী পিন্ধি ক'ৰবালৈ যাবলৈ আহিছিল হ'বলা দেউতা।

কিয়েই ছানাবাপা, মোনা খণ্টা লৈ দোকানৰ মুখত কি কচ্ছা?

গৰুচাৰি থাকোতে কেনেবাকৈ ভৰি লাগিলে লাজুকিবন লেৰেলি যোৱাৰ দৰে ছানাবাপাৰ মনটোও কিবা এটা লাজত লেৰেলি গ'ল। কি ক'ব এতিয়া ছানাবাপাই। সাতপুৰুষ মৰি গ'ল পুৰণা ধানৰ ভাত খাই খাই, কেতিয়াবা পাউদাৰ দিয়া চাউলৰ ভাত খাব লাগিব বুলি ভাবিছিলেনে কোনোবাই? ছানাবাপাই মৌজাদাৰলৈ চাই থেৰো-গেঁৰো কৰিলে।

কি হৈছ্ছি নকৰা কিয়? মৌজাদাৰে ছানাবাপাক মৰমৰ ধমক এটা দিলে।

ঘৰত চাউল নাই। সেই কাৰণেহে......। ছানাবাপাৰ মাতটো কোমল চাউল যেন কোমল। মৌজদাৰে ছানাবাপাৰ দুখ দেখি ইস ইস কৰিলে। তাৰ পাছত ছানাবাপাক কাষলৈ মাতিলে।

মই থাকোতে তই কিয়া চিন্তা কচ্ছা ছানাবাপা? তোৰ ইমান টান পচ্ছি অথচ তই মোক এবাৰ কৰা নাই কথাটো। মই মৰি যাৱা বুলি ভাব্ছা নিকি?

মৌজাদাৰ দেউতাৰ কথা মতে যোগেশ্বৰৰ দোকানৰপৰা চাউল নানি ছানাবাপা সিদিনা তেওঁৰ পিছে পিছে মৌজাদাৰৰ চোতাল পালেগৈ। মৌজাদাৰৰ নিৰ্দেশত কাম্‌লা এটাই ছানাবাপাৰ মোনাটো সুৱাগমণি ধানৰ চাউলেৰে ভৰাই

দিলে। সিদিনাহে ছানাবাপাৰ পেটলৈ বহুদিনৰ মূৰত সৰহকৈ ভাত কেইটামান গ'ল। দোকানৰ চাউলৰ যিহে পাউদাৰ পাউদাৰ গোন্ধ। ভাতৰ পাততে হাত ধুই পাকঘৰৰ পৰা উঠি আহে ছানাবাপা।

তেতিয়াৰপৰা ঘৰত চাউল শেষ হ'লেই ছানাবাপা মোনাটো লৈ সাউৎকৈ মৌজাদাৰৰ ঘৰ পায়গৈ। দেউতাই আথে-বেথে এমোনা চাউল ভৰাই দিবলৈ নিৰ্দেশ দিয়ে। দেৱতা যেন এইজন মানুহলৈ চাই ছানাবাপাই মনে মনে আশীৰ্বাদ দিয়ে দেউতাৰ মূৰৰ চুলিৰ সমান আয়ুস হওক।

এদিন চাউল আনিবলৈ যাওঁতে মৌজাদাৰ দেউতাই ছানাবাপাক চ'ৰা ঘৰলৈ মাতি নিলে। ৰজাৰ আসন কেইখনত বহিবলৈ হেহোঁ-নেহোঁ কৰি থকা দেখি মৌজাদাৰে ছানাবাপাক ধমক এটা মাৰি দিলে। নবহা কিয়া? তাৰ পাছত লাহে লাহে কৈ গ'ল—তই কিমান দিনৰ চাউল নিলি হিচাপ আছেইনে?

নাই, ছানাবাপাৰ হিচাপ নাই। সি একোৰে হিচাপ নাৰাখে। ছানাবাপা মনে মনে থাকিল।

এইগিলাকেতো তহঁতৰ দোষ। বস্তু দৰকাৰত নি থাকা আৰু হিচাপ নাৰখা। তই পুৰা তিন্‌টা বাৰিষা মোৰ পেৰে চাউল নিলি গম পাইছানে?

ছানাবাপাই মূৰ দুপিয়ালে।

এইবিলাকৰ ধাৰ মৰাৰ কথা কিবা তই চিন্তা কৰ্‌ছানে?

ছানাবাপাৰ মনত এতিয়াহে খেলাল কথাটো। অতো, চাউলৰ ধাৰতো মাৰিব লাগিব। মৌজাদাৰ দেউতা বুলিহে এনেকৈ দি আছে।

সেইদিনাখন একো মাত-বোল নকৰি ছানাবাপা ঘৰলৈ আহিল। ছানাবাপাৰ আকৌ অকণমান কথাতে মূৰটো ঘূৰাই আহে। চাউলৰ মোনাখন ঘৈণীয়েকৰ ফালে আগবঢ়াই দি ছানাবাপা কাঁথিতে ঢেপেচকে বহি পৰিল।

আজি আকো কি হ'ল ইয়াৰ? ছানাবাপাৰ মুখ দেখা পায়ে ঘৈণীয়েকে কিবা এটা বুজি পালে। অইন দিনাখনতো ই এনে নকৰে। কিবা এটা হ'ব লাগিব।

কি হ'লেই আজি? মৌজাদাৰে কিবা কৈ পঠেইছি নেকি?

ছানাবাপাই একো নামাতিলে। তিৰীৰ আগত এইবিলাক কথা কৈনো কি ফয়দা? পিছৰবাৰ চাউলৰ মোনাখন লৈ জাপাং জুপুং কৰি ছানাবাপা

মৌজাদাৰৰ বলখেলা ফিল হেন চোতালত থিয় হ'ল। তাকে দেখি মৌজাদাৰে কাষলৈ মাতিলে।

কিবা চিন্তা কল্লিনে তই?

ছানাবাপা পকা বাৰাণ্ডাখনতে বহিল। কিবা চিন্তা কৰা যেন দেখুৱালে সি।

ধাৰ মাৰবানো মোৰ কি আছেই দেউতা? বাকীথকা মাটিখিনিকে দিবা লাগ্‌বু। কিন্তু মোক সহায় এটা কৰ্‌বা লাগ্‌বু।

ছানাবাপাই মৌজাদাৰৰ মুখৰফালে চাই পঠালে। মৌজাদাৰেও ছানাবাপাৰ ফালে চাইছে।

কি সহায়?

মাটিখিনিত ময়ে আধিয়াৰ খেতি কৰিম।

মৌজাদাৰে দেখো অলপপৰ কিবা চিন্তা কৰিলে। আধিয়াৰ খেতি কৰ্‌বি নিকি? দে দে কৰ্‌বা খুত্‌ছা কৰ।

জানে, ছানাবাপাই জানে। মৌজাদাৰ দেউতাই তাৰ কথা না নকৰে। মাটিৰ লগৰ মানুহ দেউতা। চাউলৰ মোনাখন লৈ দেউতাৰ ভৰিতে পৰি সেৱা এটা কৰি সেইদিনাখন উঠি আহিছিল ছানাবাপা।

তাৰ পাছত কেইবাবাৰো আধিয়াৰ খেতি কৰিলে ছানাবাপাই। টান পৰিলেই দেউতাৰ পৰা চাউল আনে। তাৰ বাবদ দেউতাৰ ঘৰত হাজিৰা বনো কৰি দিয়ে ছানাবাপাই। হেম গেম নোহোৱাকে চলি আছিল। যোৱা বছৰৰ উপৰিবাৰ বাৰিষাহে কি জানো হ'ল দেউতাৰ, ছানাবাপাক দেখো মাতি নিলে ঘৰলৈ।

ছানাবাপা, তই আচলতে নাচনৰে মানুহ। কাম-কাজৰ নহয়। মাটিখিনিত দুইবছৰো খেতি কৰ্‌বা দিলো। বেলেগ হালুৱৈৰ নিচিনাকে তই একবাৰো খেতি কৰি দেখাবা নল্লি। গতিকে তই আৰু মোৰ মাটিত খেতি কৰ্‌বা নাল্‌গেই বাপা। বেয়া নাপাবি মোক।

মৌজাদাৰৰ বাৰাণ্ডাৰ চিলিংখন ছানাবাপাৰ টকলামূৰা মাথাটোতে পৰিল। কি কয় মৌজাদাৰ দেউতাই, কিয় কয়! এনেহেন বাৰিষা। সি দেখোন থাউনি নোপোৱা গৰুৰ দৰে হ'ব। চলি কেইটাই কি খাব? মৌজাদাৰৰ ফালে চাই হাত যোৰ কৰিলে ছানাবাপাই।

এইবাৰৰ কাৰণে মাটিখিনি দিয়ক দেউতা। আপোনাক ভৰ্‌সা কৰিয়ে বাছি আছো। চলি গিটা নাখাই মৰ্‌বু নহলি। ধৰ্ম হবো আপোনাৰ। ধৰ্ম হবো।

নাল্‌গেই মোক তোৰ ধৰ্ম। ধৰ্মডাল লৈ মই স্বৰ্গক নেগেলিও হবো। মোক ধান লাগেই। ইমান বছৰ তোৰ মুখখান চাই দিলো। আৰু নহবো।

ছানাবাপাৰ কান্ধৰ পৰা কোলাত পৰা লেউ সেউ গামোচাখনৰ ওপৰতে কেইটোপালমান চকুপানী পৰিল।

তোৰ এইগিলাক এক্টিং চেক্টিং চাবা মোৰ সময় নাই ছানাবাপা। তই যাবা পাৰা ইতা।

মৌজাদাৰ দেউতাই মতা শুনি কেইটামান ধানৰ কথাও কম বুলি আহিছিল ছানাবাপা। পিছে ধানৰ কথা ক'ব কেনেকৈ, মাটিকে নিদিয়া হ'ল। ছানাবাপা অলপ পৰ বাৰাণ্ডাখনতে বহি থাকি উঠি আহিছিল সেইদিনা।

সেই উঠি অহায়েই ধান-চাউল খোজাৰ নামত আৰু সিমুৰা হোৰা নাই ছানাবাপা। সিদিনাৰ পৰাই যোগেশ্বৰৰ দোকানমুৰা হ'বলগীয়া হ'ল। পিছে প্ৰথম দিনাই যোগেশ্বৰে যিখনহে মুখ দেখুৱালে! মৌজাদাৰ দেউতাৰ ঘৰৰপৰা আহি কি কৰো কি নকৰো ভাৱেৰে ছানাবাপাই ঘৰৰ কাঁথিতে মূৰে-কপালে হাত দি বহি আছিল। ছানাবাপাৰ এই ৰূপ দেখি ঘৈণীয়েকে জক্‌জকাই উঠিল।

এংকে বহি থাক্‌বিনে চাউল পাতৰ কিবা দিহা কৰ্‌বি?

অ', হয়ো হয় কথাটো। চলি দুটাই ৰাতিপুৱাতে খাইছিল কেইটামান ঠাণ্ডা ভাত। ছানাবাপাৰতো সেইকেইটাও পেটত পৰা নাই। হাতত মোনটো লৈ ৰাতিৰ সাঁজৰ চাউল বিচাৰি সি যোগেশ্বৰৰ দোকানলৈয়ে আহিল।

যোগেশ্বৰৰ দোকানৰপৰা আগতে কিবা-কিবি নিয়ে যদিও বাকীত চাউল নি পোৱা নাই। তাৰ দোকানৰ সমুখত সি সেমেনা-সেমেনি কৰি মোনাটো আগবঢ়াই দিলে।

যোগে, দুই কেজি চাউল লাগ্‌ছিলেই।

যোগেশ্বৰে দগা-পাল্লাত চাউল জুখি থাকোতেই বাকীৰ কথাটো কৈ লোৱা ভাল হ'ব বুলি ছানাবাপাই ক'লে—আজি কিন্তু পইচা দিবা নৰিম যোগে।

ছানাবাপাৰ কথাষাৰ শুনি যোগেশ্বৰৰ কঁপালৰ সিৰ কোঁচ খাই গ'ল। পাল্লাৰ চাউলকেইটা একেকোবে বস্তাটোত বাকী দিলে সি।

নাই, নহবো। মই তহঁতৰ কাৰণে এইখান ধৰমশালা খুলি থৈছো নিকি? এই বস্তাটোৰ এক কেজি চাউলো নগদ বেচবা পাৰা নাই জানানে?

যোগেশ্বৰে দুকেজি ওজনৰ দগাটো তাৰ বুকুতে যেন মাৰি দিলে।

চলিগিটাৰ মুখৰফালে চাই কিবা কৰি দিয়েই ভাই। দিনটো আজি সিহাতে একোকে খাৱা নাই।

ছানাবাপাই আশাৰে যোগেশ্বৰলৈ চাই পঠিয়ালে। সি তাৰ কথাত কাণ নিদি আঙুলিত জিভাখন এবাৰ লগাই দিনটোৰ হিচাপ কৰাত লাগিল।

কি কৰে এতিয়া ছানাবাপাই? খালী মোনাখন হাতত লৈ যোগেশ্বৰৰ দোকানৰ সম্মুখতে সি সেমেনা-সেমেনি কৰি কৰি থিয় দি থাকিল।

যোগেশ্বৰে হিচাপ কৰি উঠি মনে মনে দেখোন দুকেজি চাউল জুখিলে। তাৰ পাছত ছানাবাপাৰ মোনাখন খুজি চাউলখিনি ভৰাই দিলে।

ময়োতো চল্‌বা লাগ্‌বু। তহঁতৰ চুবাৰপে বাকীত চাউল নিয়া মানুহৰ তই দহ নম্বৰত পল্লি।

যোগেশ্বৰৰ ফালে কৃতজ্ঞতাৰে এবাৰ চাই ছানাবাপাই খোজ লৈছিল।

ছানাবাপাৰ হুমুনিয়াহত নৰাৰ আগবোৰ কঁপি উঠিল। ভবা নাছিল, এনেকুৱা দিন পৰিব বুলি ছানাবাপাই ভবা নাছিল।

বাইন দেউতা কেতিয়া আহে কেতিয়া আহে লাগি আছিল। বাইনৰ গাড়ীত চিধাই সি সিখন গাঁৱৰ নামঘৰৰ চোতাল পাইছিলগৈ।

কেৱল নাচো নাচো লাগি থাকে ভোগেশ্বৰৰ। মাকে কিতাপ-কানি, চাকি-বস্তা যোগাৰ কৰি দিয়েহে দিয়ে। পিছে তাৰ মন ক'ত কিতাপত থাকে। থাকে নামঘৰৰ চোতালত। বাইন দেউতাৰ গৰুগাড়ীৰ শব্দ কেতিয়া শুনো কেতিয়া শুনো লাগি থাকে। কেতিয়াবা বাইন দেউতালৈ ৰখি থাকোতে টোপনি আহে তাৰ। বাইনে টোপনিত লাল কাল ভোগেশ্বৰক কোলাত লৈ গাড়ীত উঠাই লৈ যায়।

নামঘৰত থকা মেন্থল লাইটৰ জিলিক মিলিক পোহৰত ভোগেশ্বৰৰ টোপনি ভাগি যায়। বাইন দেউতাই মৰম কৰি কয় তাক—বাপা ভোগেই দে দে ঘুমেটি ভাঙি লৌ। আৰম্ভ কৰিম আমি ইতা।

বাইন দেউতাই ভাৱৰীয়াৰ হৰ্তা-কৰ্তা। নিজেও ভাগ লয়। নাই ক'ত তেওঁ। খেতি-বাতিৰ পৰা ঢুলীয়া খুলীয়ালৈকে। সেইবাবেই তেওঁ 'বাইন' নাম পাইছিল। আচল নাম কোনেও নাজানে।

ভোগেশ্বৰে চকুৰ ফেচকুৰিখিনি মচি লোৱা মানে সিফালে ঢুলীয়াই আৰম্ভ কৰেই। দেহাটো ৰঞ্জিত ৰঞ্জিত হৈ আহে তাৰ। গানৰ লগে লগে ভোগেশ্বৰৰ নাচন চাই আখৰা চোৱা মানুহ হাঁহিত ৰ'ব নোৱৰা হয়। বাইন দেউতাহঁতে চাপৰি বজাই বজাই গাবলৈ আৰম্ভ কৰে—

ছানাবাপা এ ভাল কৰি নাচন দিবি
ডাঙৰ বাপা এ ভাল কৰি নাচন দিবি

....... ....... ....... ....... .......

চেক্ চেক্ কৰেই চেকুৰ টেঙা
থুপথুপকৈ মৈহৰ গাখীৰ মালভোগ ধানৰ ভাত।
অ মোৰ ছানাবাপা ঐ

....... ....... ....... ....... .......

ছানাবাপাই নাচন দিছি দেহাৰ ভাৰষা এৰি
ছানাবাপাই নাচন দিছি ৰাইজে চাইছি বেৰি।

ৰাতি যিমানেই হৈ আহে ঢুলীয়াৰ চেও সিমানেই বাঢ়ি আহে। ভোগেশ্বৰৰ নাচনো সিমানে ভাল লগা হৈ আহে।

গাঁৱে গাঁৱে বাইন দেউতাৰ গাড়ীত উঠি খুলীয়া ভাৱৰীয়া আৰু বৰঢুলীয়াৰ পালা গাবলৈ যায় ভোগেশ্বৰ। ভোগেশ্বৰৰ নাচন দেখি চবৰে পেটৰ নাড়ী ডাল ডাল হয়। ইমান সৰু ল'ৰা ছানাবাপা কি ধুনীয়া নাচে! সকলোৱে ছানাবাপাৰ নাচ চাবলৈ হেতা ওপৰা লগায়। কেইখনমান গাঁৱত পালা গোৱাৰ পিছতেই ভোগেশ্বৰ ছানাবাপা হ'ল। সেই হোৱাই হ'লেই। স্বয়ং ভোগেশ্বৰেই নিজৰ নামটো পাহৰাৰ নিচিনা হ'ল।

খাৱন-শোৱনৰ চিন-ভিন নাছিল তেতিয়া। বাইন দেউতাৰ ঘৰখন ভাত ঘৰ হৈ পৰিছিল ছানাবাপাৰ। কিতাপ-কানি, সংসাৰৰ কাম-কাজ এইবোৰলৈ মনত নপৰা হৈছিল তাৰ।

এবাৰ ৰইনাকুছিত পালা গাবলৈ যাওঁতেই সেইজনীৰ ওপৰত চকু পৰিছিল ছানাবাপাৰ। তায়ো তাৰ নাচ চাই পেটত ধৰি ধৰি হাঁহিছিল। তাৰ পিছৰ বাৰেই সি তাইক বৰপথাৰলৈ ভূঁই ৰুবলৈ আহোতে পথাৰৰ পৰা পলুৱাই আনিছিল।

নাই পিছে, সেইজনী আৰু সেইজনী হৈ থকা নাই। ছানাবাপাৰ নাচ চাই ভালপোৱা মানুহজনীয়ে এতিয়া নাচৰ কথা উলিয়ালে খেংখেঙাইহে উঠে। বুদুক কেতিয়াবা গানটো গাই গাই নাচি থকা দেখিলে তাই খেদি যায় তাক মাৰিবলৈ।

বাপেৰ নিচিনা হ'বা খুত্‌ছা নিকি।

তাইৰ খঙৰ কাৰণো নজনা নহয় ছানাবাপাই। তাইক চপাই লোৱাৰ পাছৰে পৰাই ক'তনো তাইৰ ইচ্ছা মতেই খাব পিন্ধিব দিব পাৰিছে সি। থকা ঘৰটোকে জত পিটকৈ দিব পৰা নাই। ছানাবাপাৰ কামবোৰো চিজিল নহয়। হ'বনো কেনেকৈ? নাচি ফুৰোতে কাম শিকাৰ সময়ে বা পালে ক'ত সি।

এইটো আমাৰ ছানাবাপা নহয়নে? কোনোবা এজনৰ মাতত ছানাবাপা উচাপ খাই উঠিল। নৰাতলি এৰি কেতিয়া সি ৰাস্তাত উঠিল গমেই পোৱা নাই। সি মাত দিলে—হয় দিয়ক।

নাচনৰ মানহু দেখোন্ ঘৰ পাৱাই নাই যাই! আমি আকো মৌজাদাৰৰ ঘৰৰ লেগি যাবা ওলেই আইছুৰে।

মানুহটোৰ কথাত ছানাবাপাৰ চাটকৈ মনত পৰিল কথাটো। হয়তো, আজি মৌজাদাৰৰ ঘৰত নিমন্ত্ৰণ আছে। ছেঃ এইটো পাহৰিব লগা কথানে? ছানাবাপাৰ খোজ খৰ হ'ল। আগতে কোন দিনা ক'ত পালা থাকে ছানাবাপাৰ আঙুলিৰ মূৰত হিচাপ আছিল। আজিকালি পাহৰিব লগা অৱস্থা হ'ল। কিনো নাপাহৰিব? আগৰ নিচিনাকে মাহত দহ-বাৰখন পালা থাকিব চাৰি এতিয়া গোটেই বছৰটোতো সিমানখন পালা নহয়। মৌজাদাৰ দেউতাই যি পৰম্পৰাটো ৰাখি আছে।

ছানাবাপা ঘৰ পালেহি। কাঁথিতে ঘৈণীয়েক আৰু চলি দুটাই আন্ধাৰে-মুন্ধাৰে বহি আছে। ছানাবাপা আহি পোৱা দেখি গোটেই কেইটাই মোনাখনৰ ওচৰ চাপি আহিল। ঘৈণীয়েকে প্ৰথমতে কেৰাচিনৰ বটলটো লৈ গ'ল। চাকিটো জ্বলাবৰ কাৰণে।

ছোৱালীজনীয়ে তাইৰ চেমিজ বিচাৰি আগ্ৰহৰে মোনাখনৰ ভিতৰত খেপিয়াই চালে। তাৰ পাছত ফেঁকুৰি উঠিল—আজিও চেমিজ নান্‌লি! কিমান দিন ক'লো তোক। বেলেগৰ ফাটা চেমিজ এটা কিমান দিন পিন্ধিম!

মোৰ মাথা নাখেবি তহঁতে। অইনদিনা ছানাবাপাই গৰজি উঠে। আজি জীয়েকৰ কান্দোন শুনি একো নক'লে সি। বাঢ়ন ছোৱালী। কাপোৰ-কানি আনি দিবলৈ তাৰতো মন যায়েই। পিছে কি বেচিনো আনিব?

বুদুৰে তালৈ কিবা খোৱাবস্তু আনিছে নেকি বুলি মোনাখনৰ ওচৰলৈ যাব খুজিছিল। বায়েকে কন্দা শুনি সি নিলগতে থিয় দিলে।

ভৰি-হাতখিনি ধুই লাল চাহ টুপি খায়েই ছানাবাপাই পুতেকক ক'লে— বাপা, মৌজাদাৰৰ ঘৰত আজি আমাৰ ভাৱৰীয়া আছেই। যা যদি ওলৌ।

বুদু মাকৰ পিছে পিছে ঘূৰি ফুৰিছে। মাকে যাব দিলেই যাবলৈ পাৰিব সি।

যাবা খুত্ছা যা। ভাৱৰীয়া ভাঙোতে কিন্তু দেখি হ'ব। টোপনি নধৰেতো।

নাই টোপনি নধৰে তাৰ। আগৰ বাৰো মৌজাদাৰৰ ঘৰলৈ দেউতাকৰ লগত গৈছিল। দেউতাকহঁতক তৰহে তৰহে খাবলৈ দিছিল। সিও ভাগ পাইছিল। এইবাৰো নিদিয়াকৈ নাথাকে কিজানি!

সি খোৱাৰ কথা চিন্তা কৰি থাকোতেই বাপেকে ক'লে—ভাত-পানী খাবা নাল্গেই। মৌজাদাৰৰ ঘৰত ব্যৱস্থা কৰবো। ছানাবাপাৰ অংক, এসাজ ৰাহি হ'লেই হোৱা।

বুদু আগ্ৰহেৰে বাপেকৰ লগত ওলাল। তাৰো দেউতাকৰ দৰে নাচিবলৈ মন যায়। তাৰ দেউতাকে নাচিলে চবেই হাঁহে, পেটত ধৰি ধৰি হাঁহে। চবেই ভাল পায় দেউতাকক। নাচিবলৈ গ'লে তৰহে তৰহে খাবলৈ পায়। মিটিং বিলাকত তাৰ দেউতাকক মাতি নি গামোচা দিয়ে, আইনা বন্ধোৱা কাগজত কিবা কিবি লিখিও দিয়ে। তাৰ লগত পঢ়া কাৰো দেউতাককে এনেকৈ মাতি নিনিয়ে। মাকে দেখাতহে দেউতাকক টান কথা শুনায়, দেউতাক ঘৰত নথকা পৰত মাকে মিটিঙত দিয়া কাগজবিলাক পঢ়িবলৈ কিমান খাটনি দৰে তাক! বাপা মাতছোন কাগজখানত কি লেখ্ছি। মাতছোন।

মতাখিনিকে সদায় মাতি মাতি আমনি লাগি যায় বুদুৰ।

হ'ব, সি দেউতাকৰ নিচিনাই ভাৱৰীয়াৰ বহুৱা হ'ব। মৌজাদাৰৰ ঘৰত দেউতাকহঁতৰ নিচিনাকৈ সি চাহ, মিঠাই, পায়স খাবলৈ পাব। মৌজাদাৰৰ ঘৰত খাবলৈ পোৱাৰ আশাত বুদুৰ মনটো ভাল লাগি আহিল।

ছানাবাপাৰো মনটো মুকলি আজি। ভাৱৰীয়াৰ কথা ক'লে একোলৈ মনত নপৰে তাৰ। দেহা মন কিবা কৰি আহে। পিছে আগৰ ভাৱৰীয়াৰ মানুহবোৰ লাহে লাহে নোহোৱা হ'ল। তাতকৈ ডাঙৰ এজন নে দুজনহে আছে ভাৱৰীয়াত।

পথাৰখন পাৰ হৈ বাপেক-পুতেক দুয়ো মৌজাদাৰৰ চোতাল পায় মানে মৌজাদাৰৰ ঘৰৰ কাষৰ বাকৰিটো মানুহেৰে ভৰি পৰিছে। লাইটৰ জিলিক মিলিক পোহৰ, মাইকৰ মাত এইবোৰে বুদুতকৈ ছানাবাপাৰ মনটোহে বেছি

ভাল লগালে। ছানাবাপাক ইমান দেৰিকৈ দেখি উছাহত আত্মহাৰা হৈ থকা ভাৱৰীয়াৰ বাকীবোৰে জক্‌জকাই উঠিল।

তই ইমান দেৰি কৰ্‌বা লাগেইনে ছানাবাপা। ওলৌ ওলৌ সোনকালে ওলৌ।

ছানাবাপা পিন্ধি উৰি সাজু হ'ল। লগৰ কেইজনমানে বহুৱাৰ মোচ লগাই দিলে তাক।

এটা সময়ত নাটক আৰম্ভ হ'ল। সীতাহৰণ নাটক। নাটকৰ মাজে মাজে ছানাবাপাৰ নাচোন আছে।

বুদুৱে বাপেকক এৰি ৰাইজৰ মাজত থিয় দিলেগৈ। তাৰ মনটো কিবা ভাল লগা নাই। যোৱা বছৰ মৌজাদাৰে দেউতাকহঁতক কিমান কি খাবলৈ দিছিল। পেট ভৰাই পায়স সেইবাৰে প্ৰথম খাইছিল। ভাবিছিল এইবাৰো কিজানি খাবলৈ পাব। নাই পিছে, বুঢ়াডালে নুখুৱালে পায়স। দুখন দুখন বিস্কুটেৰে চাহ এগিলাচ দিয়েই শেষ কৰিলে।

বুদুৰ ভোক লাগি আহিল। দুপৰীয়া স্কুল নাই বুলি মাকে কেইটামানহে খাবলৈ দিছিল তাক। তাৰ পাছত আবেলিটো কচু তলিয়ে, চোৰাত তলিয়ে দৌৰি ফুৰিলে লুকা চুৰি খেলি।

বুদুৰ মনটো ঘৰত থাকোতেই হঠাতে দেউতাক ওলাল। তাৰ দেউতাক বুলি চিনিব নোৱৰা হৈছে।

ছানাবাপা ওলোৱাৰ লগে লগে ৰাইজৰ মাজত উকি গিৰজনি আৰম্ভ হ'ল। সকলোৱে চিঞৰিছে—ছানাবাপা, ছানাবাপা। আচলতে নাটক চাবলৈ আহিলেও সকলোৰে মন ছানাবাপাৰ নাচোনতে। এনে হাঁহি মৰা নাচ দেখুৱায় ছানাবাপাই! ক'ত বা শিকিছিল নষ্ট যোৱাটোৱে!

ছানাবাপাৰ টেঙা টেঙা উগাৰ দুটামান উজাই আহিছিল। সি গিলি পেলালে। সেই সৰুৰ পৰাই কাঠৰ 'ছানাবাপা'ক নচুৱাই যি অংগী-ভংগীৰে ৰাইজক সি হঁহুৱাই আহিছে সেই অংগী-ভংগী দেখুৱাব ধৰিলে। লগে লগে ঢোল বজাই বজাই ভাৱৰীয়াৰ বাকীবোৰে গান আৰম্ভ কৰিলে—ছানাবাপা এ ভাল কৰি নাচন দিবি।

বুদুৰ কিন্তু ঘৰতহে মনটো ঘূৰি ফুৰিছে। যিমানে তাৰ ভোক লাগিছে সিমানে ঘৰলৈ মনত পৰিছে। মাকে বায়েকে কিজানি ভাত-পানী খাই উঠি শুই পৰিছে এতিয়া মানে। ঘৰত থাকিলে সিও খাব পাৰিলে হয়।

চেক চেক কৰে চেকুৰ টেঙা
থুপ থুপ কৰে মৈহৰ গাখীৰ
জহা ধানৰ ভাত ........

গান শুনি বাপেকৰ নাচ চাই চ'বে হাঁহিছে। বুদুৰ কিন্তু খং উঠি আহিল। ম'হৰ গাখীৰ, জহা ধানৰ ভাত সি দেখাও নাই খায়ো পোৱা নাই। কিয় এইবোৰ গাই গাই নাচিব লাগে?

ৰাতি যিমানে হৈ আহিছে ভাৰৰীয়াৰ গানো সিমানে চৰিবলৈ লৈছে। ছানাবাপাৰ নাচোন, ৰাইজৰ হাঁহি-খিকিন্দালি সিমানে বাঢ়ি আহিছে। সিফালে বুদু ৰ'ব নোৱৰা হৈ আহিছে। এটা সময়ত ভোকতে সি কান্দি পেলালে।

হাঁহিত মচগুল হৈ থকা কেইবাজনেও তাক ডবিয়ালে। ক'ৰ চলি মৰিবলৈ আহে!

বুদুৰ কান্দোন এইবাৰ দুগুণ চৰিল। তাৰ ঘৰলৈ যাবলৈ মন গৈছে। ভাৰৰীয়াৰ মানুহে ঢোল বজাইছে, দেউতাকে কাঠৰ 'ছানাবাপা'ক লৈ নাচিছে, গাইছে, ৰাইজে হাঁহিছে—এইবোৰ তাৰ অকণো ভাল লগা নাই। নহয়, সি দেউতাকৰ নিচিনা বহুৱা নহয়। মিটিঙৰ গামোচা, আইনা বন্ধোৱা কাগজ একো নালাগে তাক।

ছানাবাপাই ভালেখিনি পৰেই নাচিলে। নাই, এনেকুৱা কোনো দিনে হোৱা নাই তাৰ। কিমান নাচিলে, কিমানক হুঁহুৱালে সি। নাই, এনেকুৱা হোৱা নাই। মূৰটো দেখোন ঘূৰাই আহিছে তাৰ। দুটামান টেঙা টেঙা উগাৰ আকৌ উজাই আহিল তাৰ।

ছানাবাপাৰ ভাগৰ ভাগৰ লাগিছে। ৰাইজখন, ৰভা খুঁটা কেইটা ঘূৰি থকা যেন লাগিছে। তেও সি কাঠৰ ছানাবাপাক নচুৱাই অংগী-ভংগী দেখুৱাবলৈ এৰা নাই।

লাহে লাহে ছানাবাপাৰ মূৰটো বেছিকৈ ঘূৰাই আহিল। দিনটো পেটত আজি একোৱেই পৰা নাই তাৰ। দুপৰীয়া হৰেশ্বৰৰ দোকানৰ ৰুটিখনেই যি। ভাৰৰীয়াৰ গায়ন-বায়নৰ লগতে ছানাবাপাই কাঠৰ 'ছানাবাপা' লৈ চাই শেষৰ শাৰী দুটা গাবলৈ লৈছে —

ছানাবাপাই নাচন দিছি দেহাৰ ভাৰসা এৰি
ছানাবাপাই নাচন দিছি ৰাইজে চাইছি বেৰি।

ছানাবাপাই পাৰে মানে চেষ্টা কৰিলে নপৰাকৈ থাকিব। কিন্তু নাই, সি নিজক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে। সি হাঁহিত মছগুল ৰাইজৰ মাজতে মাটিত বাগৰি গ'ল। তাৰ হাতৰ 'ছানাবাপা'ও ক'ৰবাত ছিটিকি পৰিল।

ছানাবাপাই নতুন চং দেখুৱাইছে! আগেয়ে মাটিত পৰি দেখুওৱা ছানাবাপাৰ এই চং কোনোদিন দেখা নাছিল ৰাইজে। ছানাবাপাৰ নতুন চঙত ৰং পাই ৰাইজ হাঁহিত ফাটি পৰিল।

●●●

*(গল্পটোৰ সংলাপত দৰঙৰ কথিত ভাষা ব্যৱহাৰ কৰা হৈছে।)*

---

কটন কলেজৰ ছাত্ৰ সঞ্জীৱ পল ডেকাৰ উক্ত গল্পটিয়ে আমি আয়োজন কৰা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছে।

# এলজেব্ৰাৰ X

**সৃষ্টি শ্ৰেয়ম**

ফোনটো অহাৰ পাছত গোপালৰ মুখখন আৰু অলপ চেপেটা আৰু দীঘল হৈ ওলমি পৰিল। দেউতাকৰ নামটো দেখি তন্দ্ৰালস মাতটোৰে ফোনটো ৰিচিভ কৰোঁতে সিফালৰ পৰা লতিকাৰ মাতটো ভাহি আহিল। উজাগৰী ৰাতিৰ পাছৰ পুৱাটোত টোপনি যাবলৈ যুঁজ দি দি বিছনাখনত লেপেট খাই থাকোঁতে হঠাতে আহিছিল ফোনটো আৰু দেউতাক বুলি ভাগৰুৱা মাতটোৰে 'অ' দেউতা ক' বুলি কৈ উঠোতে সিফালৰ পৰা ভাহি আহিছিল লতিকাৰ মাত।

গোটেই নিশা সাৰে থাকি পুৱা ন বজালৈকে পোহৰ সোমাবলৈ সুৰুঙা বিচাৰি নোপোৱা কোঠাটোত দীঘল দি থকা যাদৱক লতিকাৰ ফোনটোৱে একে টানে আনি থিয় কৰালে। মাজত মাত্ৰ এটা দিন সি দেউতাকলৈ ফোন কৰা নাছিল—মাত্ৰ এটা দিন। বহু সংঘটনাৰে পূৰ্ণ সেই এটা দিনৰ অন্ততে এতিয়া লতিকাই কৈছে যে সি ঘৰলৈ যাব লাগে। জৰুৰী। ভিতৰত অজস্ৰ মাখিয়ে ইফালৰ পৰা সিফাললৈ ভুন ভুন কৰি খুন্দা মাৰি থকাৰ দৰে এটা অস্বস্তিকৰ অনুভৱেৰে গধুৰ মূৰটো লৈ বিছনাৰ পৰা নামোতে গোপালৰ ভৰিত লাগি কিবা এটা ফৰফৰাই গ'ল। আগৰাতিলৈকে প্ৰাচুৰ্যত চিকমিকাই থকা হুইস্কিৰ বটলটো। টুকটুককৈ আগবাঢ়ি গৈ এটা কৰ্কশ শব্দ তুলি বটলটোৱে দুৱাৰখনত খুন্দা মাৰিলে। যেন দিশহাৰা বন্ধুৰ প্ৰতি অতি দায়িত্বশীল বন্ধুৰূপে সি গোপালক নিৰ্দেশনাহে দিছে। হ'ব পাৰে। হৈ যাব পাৰে। কেতিয়াবা প্ৰতিটো বস্তুৱেই তাক কিবা ক'ব খোজা যেন লাগে। সৰুতে পথাৰত গৰু চৰাবলৈ যাওঁতে এদিন কাউৰী এজাকৰ বিশৃংখল কা-কা শুনি ৰমনীকা আগবাঢ়ি গৈছিল। এটা ভয় ভয় অনুভৱেৰে ঘূৰি যাব খোজা গোপালক তেতিয়া ৰমনী কাই কৈছিল—সৰু বস্তুৱে কিবা এটা কয়। আমি মাথোঁ বুজিবলৈ চেষ্টা কৰিব লাগে। সুৰ লগাই ৰমনী কাই কৈছিল—'কাউৰীয়ে ৰমলিয়ালে যাবি, মানুহে

ৰমলিয়ালে নাযাবি।' আৰু কাউৰীৰ মাতৰ পম খেদি ৰমনীকাৰ পিছে পিছে গৈ গৈ সিদিনা পথাৰৰ মাজত থকা মেধিৰ ঘৰৰ বাঁহনিখনত সিহঁতে দেখিছিল—ডিমৰু গছৰ ডাল এটিত ডিমৰুবোৰৰ দৰেই গছত গা লগাই ওলমি থকা মনোহৰ দাইটিৰ নিথৰ দেহ।

গাঁওখনৰ ব্যতিক্ৰমী চৰিত্ৰ মনোহৰ দাইটি—সৰুতে গোপালৰ বাবে হিৰো আছিল। সেই সময়ত বিহুৱে-পূজাই গাঁৱৰ কেঁচা আলিটোৰ ধূলি উৰুৱাই অহা মনোহৰ দাইটি যেতিয়া অ'টোৰ পৰা নামিছিল, তেওঁৰ পুলিচী সাজটো চাবলৈ সিহঁতবোৰে কাঁচি জোনটোৰ দৰে লাইন পাতিছিল। 'পুলিচ পুলিচ' বুলি চেঁপা উত্তেজনাৰে বিৰ বিৰাই থকা কৌতুহলী চকুবোৰত মনোহৰ দাইটি বীৰৰ দৰে চিকমিকাই উঠিছিল। লাহে লাহে সিহঁতে গম পাইছিল—মণ্ডলৰ ঘৰত সন্ধিয়া সময়ত গাঁৱৰ বুঢ়াবোৰে জুম পাতি শুনি থকা ৰেডিঅ'টোৰ অফিচতে মনোহৰ দাইটিয়ে কাম কৰে। আৰু আচৰিত কথা! ৰেডিঅ'ৰো অফিচ থাকে? মনোহৰ দাইটিয়ে সেই অফিচতে পুলিচ কৰে? বাঃ এলাপেচা পুলিচোতো নহয়—ৰেডিঅ'ৰ পুলিচ। ধুনীয়া ধুনীয়া মাতবোৰ যি ঠাইৰ পৰা আহে—সেই ধুনীয়া ঠাইখনৰে পুলিচ দাইটি। আইতাকে কোৱা সৰগৰ বৰ্ণনাৰ লগত ক'ৰবাত যেন মিল থকা দেখা সেইখন—দুখ-কষ্ট, কাম-কাজ নাইকিয়া, মাথোঁ—নৃত্য-গীত। আৰামেৰে ভৰা ঠাই...... আস! মনোহৰ দাইটি সেইখন ঠাইৰ ৰখীয়া? মনোহৰক দূৰে দূৰে পূজা কৰি সিও সপোন দেখিলে এটি পুলিচী চোলাৰ। গাঁৱৰ ধূলিয়ৰি ৰাস্তাত তাৰ অ'টোৰ পিছে পিছে দৌৰি আহিব নাৰায়ণ....... নহয় নহয়—তেতিয়ালৈকে সিহঁতো ডাঙৰ হ'ব! মুঠতে মনোহৰ দাইটি বুলি ক'লে গোপালৰ সপোনবোৰৰ হেতা-ওপৰা লাগিছিল। এদিন কাউৰীৰ মাতৰ পম খেদি ৰমনীকাৰ পিছে পিছে গৈ সেই মনোহৰ দাইটিকে পাইছিলগৈ সি। ক'লা লংপেণ্ট আৰু সৰু সৰু সেউজীয়া আঁচ টনা ঢেলা চোলা এটিৰে কেঁচা ডিমৰু এটিৰ দৰে ওলমি আছিল তাৰ শৈশৱৰ হিৰো।

গোপালে ৰমনীকাৰ কঁকালত বান্ধি থোৱা গামোচাখনত খামুচি ধৰিছিল। আৰু তাৰ হাতৰ মুঠিত গামোচা এৰি তাতকৈ বহু বছৰ ডাঙৰ ৰমনীকাই 'পলা' বুলি ভিৰাই লৰ মাৰোতে সি কিন্তু সেই ঠাইতে বৈ গৈছিল। উভালি পৰা গছজোপাৰ দৰে বেকা মূৰটোৰে ওলমি থকা মনোহৰ দাইটিৰ মৃতদেহৰ সমুখত। ৰমনীকায়ে খবৰ দিয়াৰ পাছত গাঁৱৰ মানুহবোৰ দৌৰ মাৰি নহালৈকে গোপাল তাতে থিয় হৈ আছিল—অকলে আহিবলৈ দিনতে ভয় ভয় লগা মেধিৰ বাঁহনিখনৰ ওচৰত। গাঁৱত সি গম পাইছিল—সেইবাৰ হেনো মনোহৰ দাইটিয়ে কামৰ পৰা খেদা খাইছিল। সাত বছৰ পিন্ধা পুলিচী সাজটো ঘূৰাই

ল'বলৈ গাঁৱলৈকে আহিছিল গুৱাহাটীয়া মানুহ। গোপালক ৰমনীকায়ে কৈছিল—মনোহৰ দাইটিৰ চাকৰিটো হেনো পাৰ্মানেণ্ট হোৱা নাছিল। সেই কাৰণে শেষত তেওঁ চাকৰিটো, চোলাটো আৰু চিনাকিটো—সকলো হেৰুৱাইছিল। সাত বছৰত হয়তো গাৰ ছালৰ লগত মিলি গৈছিল সেই পুলিচী চোলাটো। মনোহৰ দাইটি বুলি ক'লে সিহঁতে তেওঁৰ অন্য ৰূপ দেখা নাপায়। মানুহটোৰ সৈতে এনেকৈ একাকাৰ হৈ গৈছিল তেওঁৰ চিনাকিটো। তথাপি হেনো পাৰ্মানেণ্ট হোৱা নাছিল চাকৰিটো! ইমানবোৰ স্থায়ী ছবি এৰি থৈ যোৱা সেই অস্থায়ী চাকৰিটোৱে মনোহৰক কিন্তু আৰু এটা স্থায়ী উপহাৰ দি গ'ল—মেধিৰ জয়াল বাঁহনিডৰাৰ সেউজময়তাত কেঁচা ডিমকুৰ দৰে ওলমি থকা এডোখৰ স্থায়ী ক্ষণ।

তললৈ হাউলি পৰা অহংকাৰৰ ছবিখন এৰি মনোহৰ দাইটিৰ বীৰসুলভ হাঁহি, গৰ্বিত খোজ—সকলোবোৰ তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ ধোঁৱাত শূন্যলৈ উৰি যোৱাটো গোপালে লক্ষ্য কৰিছিল। তথাপি গোপালে মনোহৰ দাইটিৰ আশ্চৰ্যসুন্দৰ দেশখনৰ প্ৰতি মোহ আৰু কৌতূহলখিনি অতি যত্নেৰে ৰক্ষণাবেক্ষণ দি ৰাখিলে। মেট্ৰিকটো পাছ কৰাৰ পিছত গাঁৱতে চাৰি বছৰমান ইটো সিটো কৰি পইচা অলপ গোটাই অৱশেষত দেউতাকৰ শংকিত চকুযুৰি আওকাণ কৰি সি গুচি আহিল—সাত বছৰৰ পিছত ঠিকনাহীনতাৰ সিদ্ধান্ত শুনোৱা ৰহস্যময় নগৰীখনলৈ। দুটামান দিনতে গোপালে বুজি পালে—ডাঙৰ ডাঙৰ ঘৰ, ডাঙৰ ডাঙৰ ৰাস্তা, ডাঙৰ ডাঙৰ গাড়ীৰে ঠাইখনৰ সকলোবোৰ কথা ডাঙৰ ডাঙৰ হ'লেও ইয়াত সকলোকে একেলগে আৱৰি ৰাখিবলৈ এখন ডাঙৰ মুকলি আকাশৰ বৰ অভাৱ। প্ৰথম ডেৰটা বছৰ সি সৰু চাহ দোকান, গেলামালৰ দোকানৰ পৰা ডিপাৰ্টমেণ্টেল ষ্টোৰ, ৰেস্তোৰাঁৰ ৰান্ধনিশাললৈ বাট কাটিলে। সিহঁতৰ ৰেস্তোৰাঁখনৰ সমুখতে বহা বিহাৰী পাণ দোকানীটোৰ সৈতে ভাল বন্ধুত্ব হৈছিল তাৰ। পাণ দোকানীটোৰ বন্ধুত্ব আছিল এটা গাড়ী মেকানিকৰ সৈতে; মেকানিকটোৰ বন্ধুত্ব আছিল এটা ড্ৰাইভাৰৰ সৈতে আৰু ড্ৰাইভাৰটোৰ বন্ধুত্ব আছিল এজন বিৰাট মানুহৰ ৰঙা লাইট লগোৱা গাড়ীখনৰ সৈতে। সেই সূত্ৰেই গোপাল আহি এ ছি এছ অফিচাৰজনৰ ঘৰত খালী হৈ থকা বাবুৰ্চিৰ কামটো পাইছিল। মাহিলী আঢ়ৈ হাজাৰ টকাৰে প্ৰথম মাহতে সি ঘৰত এটা ফোন দিয়াইছিল। এই ডেৰটা বছৰে বুঢ়া বাপেকটোৱে গণিব নোৱাৰা হিচাপত ধোন্দোলা পি চি অ'টোলৈ তাঁতবাতি কৰিলে। ফোনৰ কানেকচন লগোৱা দিনা দেউতাকে তালৈ ৰ' লাগি চাইছিল। অলপ চেপা চেপা মাতেৰে দেউতাকে তাক সুধিছিল—

'তোৰ কামটো পাৰ্মানেণ্ট নে?'

বাবুৰ্চিৰ নামটোৰে ঘৰখনৰ বজাৰ-সমাৰ, কাপোৰ ধোৱালৈকে সকলো ধৰণৰ কামৰ অভিজ্ঞতাৰে সি বাপেকক ধুনীয়া লাখুটি এডাল, ধুনীয়া চছ্‌মা এযোৰ, সৰুকৈ ৰঙীণ টি.ভি. এটা দিয়ালৈকে গোপালে এ,ছি,এছ অফিচাৰজনৰ ঘৰতে কাম কৰি থাকিল। বহু দিনৰ একেটা প্ৰশ্নৰ পাছত অকলশৰীয়া বুঢ়া দেউতাকটোৰ চিন্তা কমক বুলিয়ে গোপালে এদিন কৈ দিলে—আৰু ছমাহৰ ভিতৰতে তাৰ গৰাকীয়ে ছেক্ৰেটেৰীয়েটত তাক গাৰ্ডৰ পাৰ্মানেণ্ট পোষ্টটো পোৱাই দিব। সি সময়টোৰ বাহিৰে অন্য একো মিছা কোৱা নাছিল। কিন্তু কাটাই কাটাই ছমাহ অতিক্ৰম কৰাৰ পাছত গাৰ্ডৰ চাকৰিটো হ'লনে—হ'লনে বুলি দেউতাকৰ লগতে গাঁৱৰ মানুহৰো ফোন অহা হ'ল। অতিষ্ঠ হৈ গোপালে তাৰ ফোন নাম্বাৰেই সলনি কৰিলে আৰু মাথো এটা মানুহক ফাঁকি দিয়াৰ কষ্টখিনিক গিলি সি নতুন নাম্বাৰটোৰে এদিন দেউতাকক জনালে—হোমগাৰ্ডৰ চাকৰিটো তাৰ হৈ গ'ল। দুই এদিনতে পাৰ্মানেণ্ট হ'ব।

লাহে লাহে দেউতাকৰ ভয়টোৱে মনোহৰৰ চেহেৰাটো অতিক্ৰম কৰিব পৰা হ'ল। তেওঁ গোপালৰ বিয়াৰ কাৰণে জোৰ দিবলৈ ধৰিলে। লগৰ বুঢ়া-মেথাবোৰৰ লগত কথা পতা হ'ল—আমাৰ গোপালৰ জোখাৰে কাৰ জীয়েকজনী ভাল হ'ব বাৰু? গোপালৰ চাকৰিটো আমাৰ মনোহৰৰ নিচিনাই—চা—! নহয় অ'—গোপালৰটো পাৰ্মানেণ্ট! গোপালে ষ্টুডিঅ'ত পুলিচী চোলা পিন্ধি তুলি পঠিওৱা ফটোখন দেখুৱাই দেউতাকে ডিঙি ফালি ফালি ক'বলৈ ধৰিলে। কইনা বিচৰাটো লাহে লাহে ৰাষ্ট্ৰ হ'বলৈ ধৰোতে অকলশৰীয়া বুঢ়া দেউতাকক আলপৈচান ধৰিবলৈ নিজে আগবাঢ়ি আহিছিল সৰুতে তাৰ বিহু দলৰ মূল নাচনী হোৱা লতিকা। এতিয়া দেউতাকৰ ফোনৰ লগে লগে তাৰ মূৰত হেঁচা বাঢ়িবলৈ ধৰিলে। বোৱাৰী অনাৰ উলাহত দেউতাকে তাক বিয়াৰ কাৰণে গুৱাহাটীয়া মিঠাই অনাৰ কথা ক'লেই। প্ৰতিটো ফোনত নতুন নতুন আঁচনি। ইফালে মালিকৰ আশ্বাসৰ সময়বোৰ বাৰে বাৰে পাৰ হৈ যোৱাত মনোহৰ দাইটিৰ ছবিখনে গোপালক আমনি কৰিব খুজিলে। অৱশেষত সি বেচ গহীনভাৱেই মালিকৰ মুখামুখি হৈ তাৰ হোমগাৰ্ডৰ চাকৰিৰ নিৰ্দিষ্ট তাৰিখ বিচাৰিলে। আগতকৈ গহীনভাৱে কৈ মালিকে তাক জনাই দিলে যে সি সোমাম সোমাম বুলি ভাবি থকা পোষ্টটোত এমাহৰ আগতে অন্য এটা ল'ৰা সোমাইছে। আৰু আঠমাহমান ৰ'লে তেওঁ অন্য এটা পোষ্টত সুমুৱাই দিব পাৰিব। বঞ্চনাৰ ক্ষোভবোৰ উজাৰি গোপালে তাৰ আঢ়ৈ হাজাৰ টকীয়া চাপৰাচিৰ কামটো

হেৰুৱালে। নাই, তাৰ অকণো খেদ হোৱা নাছিল। বৰঞ্চ মাটি হেৰুওৱাৰ পাছত বালি-ইটাৰ সংগ্ৰহবোৰৰ প্ৰতি উদাসীনতা আহি পৰাৰ দৰে অফিচাৰ এটাৰ ঘৰত তেওঁৰ ঘৰুৱা কাম কৰা এই পদবীটোৰ প্ৰতি তাক ঘৃণা মিশ্ৰিত উদাসীনতাহে আহি পৰিছিল। কাম-চাম এৰি সি তাৰ পুৰণা পাণ দোকানী বন্ধুৰ গাড়ী মেকানিক দোস্তৰ সহায়ত লাইন লাইন কোঠালিৰ মাজত এটা বাথৰুম থকা কোঠা এটা বিচাৰি পালে। পৰহি সোমাইছেহি সি কোঠাটোত। পুৰণা বিছনা এখন পাৰি থোৱা আছিলেই—তাতে সি তাৰ লেপ-তুলি পাৰি ল'লে।

সন্ধিয়া দেউতাকলৈ একেদৰেই ফোন কৰি এটা দিন কোঠাটোতে সোমাই আকাশ-পাতাল সকলোবোৰৰ মাজৰ যোগসূত্ৰ বিচাৰি ফুৰিবলৈ ধৰিলে। কিজানি আকাশত থকা মনোহৰ দাইটিৰ স'তে অদৃশ্য সূতাৰে বান্ধ খাই আছে তাৰ পাতালৰ পৃথিৱী! মাজত মাত্ৰ এটা দিন। ৰাতি কাষৰে বিলাতী মদৰ দোকানখনৰ পৰা হুইস্কিৰ বটল এটা আনি খালী পেটতে গোটেই বটল বাকিলে। তথাপি ৰাতি ভাল টোপনি নহ'ল তাৰ। দেউতাক, লতিকা, অ'টো, ডিমৰুৰ বিচিত্ৰ বিচিত্ৰ ছবিবোৰ তাৰ আগত বৰ বিকৃতভাৱে নাচি থাকিল। পুৱা মূৰটো গধূৰ গধূৰ লাগি অহাত জোৰ কৰি শুব খোজোতেই মোবাইলটো বাজি উঠিল— সি যাব লাগে (দেউতাকৰ গা বেয়া!) জৰুৰী। এয়াৰ বেগটোৰ পৰা পাতল সেউজীয়া আঁচটনা ঢেলা বগা চাৰ্টটো তুলি আনি সি আকৌ সুমুৱাই থ'লে— নহয়—সি এইটো নিপিন্ধে! হুইস্কিৰ বটলটো গুৰিয়াই সি বাথৰুম পালেগৈ। নীৰৱে ওলমি থকা তাঁৰডালেৰে দুৱাৰখন লগাই সি বেৰত লাগি থকা ফুট ফুট দাগেৰে ভৰা ভগা আইনাখনত ভুমুকি মাৰি চালে। দেউতাকক সি বিছনাত পাব—কাষত লতিকা। দেউতাকে সুধিব—তালৈ সাগ্ৰহে চাই থকা লতিকাৰ সন্মুখতে দেউতাকে সেয়া তাক সুধিছেই—কামটো পাৰ্মানেণ্ট হ'লনে?

সি নিৰ্লিপ্তভাৱে মূৰ জোকাৰিলে—

হ'ল!

........ তাৰ অসন্তুলিত জীৱন সমীকৰণত এটা নতুন X !

●●●

---

কটন কলেজৰ ছাত্ৰী সৃষ্টি শ্ৰেয়মৰ উক্ত গল্পটিয়ে আমি আয়োজন কৰা প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰিছে।

# এজাক বৰষুণ আৰু এটা সপোন

জয়ন্ত পাঠক

উৰহৰ খং ভগা ঢাৰিত জৰাৰ দৰে চন্দ্ৰই তাৰ খংখিনি গৰুটোৰ ওপৰতে জাৰিলে। হালত গৰুটোৱে বিশেষ আমনি কৰা নাই। তথাপি উঠি অহা খংটোৰ বলি হ'ল গৰুটো। মাৰ খাই গৰুটোৱে খৰকৈ হালখন টানিলে। তাৰ সঁহাৰি পাই লগৰটোৱেও কোবাকোবিকৈ খোজ আগবঢ়ালে। শেষত চন্দ্ৰইহে 'লাহে লাহে' বুলি হালৰ গতি কমাব লগাত পৰিল। অবাবতে মাৰ দিয়াৰ বাবে তাৰ গৰুটোলৈ বেয়াও লাগিল। কামত গৰুহাল ভালেই। দিগ্‌দাৰি নাই। খোৱাতো বিশেষ বাচ-বিচাৰ নাই। যি পায় তাকে খায়। মাৰ দিয়া গৰুটোক হাতেৰে মোহাৰি হালখন ৰখালে চন্দ্ৰই। অকণমান গৰুহালে জিৰাওক বুলি চন্দ্ৰই নিজেও জলপানৰ টোপোলাটো খুলি ল'লে। ৰ'দটো খাওঁ খাওঁ মূৰ্তি ধৰি আগবাঢ়ি আহিছে।

চন্দ্ৰৰ বৰকৈ খং নুঠে। নুঠে নহয়, উঠে। কিন্তু কিছুমানৰ দৰে খংটোকে মূৰৰ আগত লৈ নাথাকে। খঙৰ সময়ত তাৰ খং উঠে; অবাবত নুঠে। আজি খঙে তাৰ মূৰৰ চুলি আগ পালেগৈ। সেয়ে অযথা শাস্তি পালে গৰুটোৱে। তাৰ মৰমৰ কজলা গৰুটোৱে। সি কজলালৈ চকু দিলে। কজলাই একান্ত মনে ঘাঁহ খোৱাত ব্যস্ত। আজি শাওণৰ মাজ হ'ল। অথচ পথাৰৰ গোট ছিগা নাই। যিমান ৰুলে তাতকৈ বেছি ৰুবলৈ আছে। এনে মুহূৰ্তত তাৰ খং উঠাটো স্বাভাৱিক। আহি থকা আন্ধাৰখিনিৰ কথা মনত পৰিলেও তাৰ খঙে স্থান-কাল-পাত্ৰ নামানে। কালিও তাৰ এই খঙৰ বাবেই অনিমাৰ লগত কাজিয়া। সি মানুহটোৱে পথাৰৰ খেতিৰ চিন্তা কৰি শুকাই-খীণাই গৈছে আৰু তাই কথাৰ মহলা মাৰি ইঘৰ-সিঘৰলৈ ঘূৰি ফুৰিছে। বজাৰৰ পৰা আহি ঘৰত কাকো নাপাই চন্দ্ৰ জঁকি উঠিল। ক'ৰবাৰ পৰা উধাতুখাই অনিমা ওলালহি। চন্দ্ৰই আগ-পাছ নুগুনি অনিমাৰ চুলি কোছাত ধৰি দিলে এটা চৰ। তাই কৰ্ফাল খাই ক'ৰবাত

পৰিলগৈ। অণিমাৰ মুখখন বাজিছিল; আৰু এটা চৰ তাইৰ গালত পৰাত মুখ সেইবাৰলৈ বন্ধ হ'ল। পাছে ৰাতিৰ সাজ চন্দ্ৰৰ ভাগত নিমিলিল। অকল সিয়েই নহয়। তাৰ পেন্দুকণা ল'ৰা-ছোৱালী হালেও একো এটা মুখত নিদিয়াকৈয়ে পাটিত পৰিল। সিহঁতে বুজিলে আজি আৰু সাৰে থকা মানে কুৰুক্ষেত্ৰ যুদ্ধ চাই থকা। চন্দ্ৰই অৱশ্যে পানী দুগিলাছমান খালে; অণিমাই তাকো নাখালে। তাই এবাৰ ভাত ৰান্ধো বুলি ভাবিছিল; পাছে কোনো কাৰণ নোহোৱাকৈ মাৰ খোৱাৰ বাবে বিছনাত পৰিল। অণিমাৰ আগতে এনেকৈ মাৰ খোৱাৰ মনত নপৰে। নহয়, নহয়। এবাৰ খাইছিল। দিন হ'ল। ঠিক মনত ৰাখিব লগা নহয়। তাই ভাবিলে আজিনো তেখেতৰ হ'ল কি? মইতো এনেয়ে ঘূৰি ফুৰা নাই। লেম্প-চাকি লগাই থৈহে অমলাহঁতৰ ঘৰলৈ গৈছিলো। সিহঁতৰ সৰুটো ল'ৰাৰ গা-বেয়া। তাৰ খবৰ এটা কৰিবলৈ কামৰ জুমুৰিৰ পৰা দিনটো সময়েই পোৱা নাই। সেয়ে বোলো এই ছেগতে পাক এটা মাৰি আহোঁ। আহি এইয়া। সন্ধ্যা সময়তনো মই কিয় ঘৰ এৰি যাব লাগে? এইবোৰকে গুণা-গথাঁ কৰি অণিমাই এসোতা কান্দিলে। পাছত ল'ৰা-ছোৱালী কেইটাই সাৰ পাই বুলি কান্দোন বন্ধ কৰি উচুপিবলৈ ধৰিলে। কাষৰ কোঠাৰপৰা চন্দ্ৰই সেই উচুপনি স্পষ্টকৈ শুনিলে।

আগদিনা লঘোণে থকা বাবে চন্দ্ৰই আটাইখিনি জলপান তৃপ্তিৰে হাত চেলেকি খালে। আগতে বাতিটোত ৰৈ যোৱা জলপানৰ অৱশিষ্টখিনি গৰু দুটাক দিয়ে। আজি এটা আগ্ৰহেৰে গৰু দুটাই তালৈ চালে। সি কল বাকলি দুটা সিহঁতলৈ আগবঢ়াই দি তামোলখন খাই পুনৰ হালবোৱাত লাগিল। পথাৰত পানী নাই। মাটিবোৰ টান হৈ গৈছে। যিকেইডৰা ৰুলে সেই কেইডৰাতো চিৰাল ফাট। অকল তাৰহে যে মাটি ৰুবলৈ আছে তেনে নহয়—সকলোৰে অৱস্থা একে। মাটিত পানী নাই। আকাশতো ডাৱৰ নাই। নীলা আকাশ। নীলা, নীলা, নীলা। যি নীলাই আনক আনন্দ দিয়ে সেই নীলাই খেতিয়কক আনন্দ দিব নোৱাৰে। খেতিয়কক পানী লাগে। বাৰিষা পথাৰ পূৰাই পানী লাগে। তেহে শস্য-শ্যামলা কৰিব পাৰিব সিহঁতৰ সপোনৰ শইচ। হেমন্ত ঋতুত তেহে হাতত কাঁচিখন লৈ দেওদি দেওদি নাচিব পাৰিব দাৱনীয়ে। তাৰ মৰমৰ অণিমাই। অথচ এইবাৰ তেনে এক দিন অহাটো কৃষ্ণপক্ষত জোনাক হোৱাৰ নিচিনা কথা হ'ব! এইবাৰ বতৰ খৰাং। বতাহ গধুৰ। কেনিও পানী নাই। সকলোতে খৰাং। খৰাং। খৰাং। আগতে দল গুচাই খেতি কৰা দ' মাটিও এইবাৰ ছিৰাল ফটা দিলে।

সিহঁতৰ দৰে খেতিয়কৰ অৱস্থা নাই মেচিনৰ সহায়েৰে পানী তুলি খেতি কৰিবলৈ। কিহে আহি থকা বছৰটো চলাই নিব তাকে ভাবি তাৰ দৰে সহস্ৰজনৰ মুখত পানী নাই। ভঁৰালত থকা ধানে চন্দ্ৰৰ ব'হাগ মান পাবগৈ। তাৰ পাছত? তাৰ পাছত সি কি খাব? এক অনাহুত অন্ধকাৰ ভৱিষ্যত কল্পনা কৰি চন্দ্ৰ পুনৰবাৰ ভাগি পৰিল। আৰু তাৰ পাছতে তাৰ খং উঠিল। কাৰ ওপৰত খং? মানুহ? নে প্ৰকৃতি? প্ৰকৃতি ঠিকেই আছে। আমিহে ভুলবোৰ কৰি আমাৰ বিপদ মাতি আনিছোঁ। হাতৰ কুঠাৰ ভৰিত মাৰিছোঁ। যি সময়ত পানী থাকে সেই সময়ত অপ-ব্যৱহাৰ কৰিছোঁ; সদ ব্যৱহাৰ কৰিবলৈ শিকা নাই। গছ-বন কাটি টহিলং কৰিছোঁ। এজোপা কাটি দহজোপা ৰোৱাতো দূৰৰে কথা দহজোপা কাটিও এজোপা ৰোৱা নাই। এতিয়া অনাবৃষ্টি নহৈ কি হ'ব? মানুহবোৰৰ ওপৰত প্ৰচণ্ড খং উঠিল এইবাৰ চন্দ্ৰৰ।

ৰ'দজাক বেছি হৈ অহাত, হাল মেলাৰ সময় নোহোৱাতো হালখন মেলিলে চন্দ্ৰই। গৰু হাল এৰাল দি ঘৰলৈ খোজ ল'লে সি। গৰু হালক গা ধুৱাব লাগিছিল। পাছে ওচৰত ক'তো পানী নথকাত এচাহ পোৱাৰ পিছত ঘৰতে ধুৱাবগৈ লাগিব—সি মনতে ভাবিলে। বাটত তৰুণকো লগ পালে চন্দ্ৰই। তাৰ মুখতো একে দুশ্চিন্তাৰ ৰেখা প্ৰকট। সিহঁত এটাইও বাটত একো কথা নাপাতিলে। অব্যক্ত বেদনাই দুয়োকে মূক কৰি ৰাখিছে। ঘৰ পাই গাটো ধুই গৰু দানাৰ জোগাৰ কৰিলে চন্দ্ৰই। অণিমাই তেনেতে মাত দিয়াত ভাতৰ পাতত বহিলগৈ।

ঃ কালি আপোনাৰ খং কিয় উঠিলনো? মইতো এনেয়ে ঘূৰি ফুৰা নাই, অমলাৰ সৰুটো ল'ৰাৰ গা-বেয়াৰ খবৰ এটা কৰিবলৈহে গৈছিলোঁ।

অণিমাই তাৰ চকুলৈ চাই ক'লে। তাৰ দৃষ্টি ক'ৰবাত। সি অণিমাৰ চকুলৈ চাব পৰা নাই।

ঃ কি হ'ল মাত নাই যে? এতিয়াও খং মাৰ যোৱাই নাই নেকি?

ঃ নহয় অ', এনেয়ে মনটো বেয়া হৈ আছিল। বজাৰৰ পৰা আহি তোক নেদেখি টিঙিচকৈ খংটো উঠি আহিল।

ঃ ইস্ একেবাৰে মোক নেদেখিলে থাকিব নোৱাৰাটো! মোক নেদেখিলে থাকিবই যদি নোৱাৰে তেন্তে মাৰিলে কিয়?

ঃ দুখ নকৰিবি অ', তোক আচলতে মাৰোঁ বুলি মৰা নাই নহয়। এনেয়ে হাতখন উঠি গ'ল। তাতে তই মুখখন বজোৱাত এচৰ বেছিকৈ খালি।

ঃ ভুলটো মোৰহে বেছি হ'ল। আপোনাক লঘোণে ৰাখিলোঁ। ভজা অকণমান দিম নেকি?

ঃ অণিমাই ভাজি অলপ চন্দ্ৰৰ কাঁহীত বাকি দিলে। অনিমাই পুনৰ প্ৰশ্ন কৰিলে “পাছে আপোনাৰ মনটোনো বেয়া কিয়?”

ঃ হুঁ, মন বেয়া কিয় সুধিবলৈ আহিছ? দেখা নাই পথাৰত পানী নাই।

ঃ অ', কথা সেইটো, কিয়নো চিন্তা কৰি শুকাই-খীণাই গৈছে? ভগৱানৰ ওপৰত সকলো এৰি দিয়ক। হাত দুখন আছে যেতিয়া টানি-আঁজুৰি খাম।

কথাখিনি গভীৰ প্ৰত্যয়েৰে ক'লে অণিমাই। চন্দ্ৰই এটা হুমুনিয়াহ কাঢ়িলে।

গৰু-গাই কেইটা বান্ধি আবেলি চন্দ্ৰ বজাৰলৈ ওলাই গ'ল। কোমোৰা কেইটামান আৰু ৰঙালাও কেইটামান তাৰ বজাৰৰ সম্ভাৰ। লগত অৱশ্যে আটকীয়া নেমু কেইটামানো। দৈনিক বজাৰখনৰ এমূৰত বহিল চন্দ্ৰ। তাৰ কাষত বহিছে টেপুৰাম। সিয়েই দিলে তাক খবৰটো। চৰকাৰে খৰাংপীড়িতসকলৰ খাজনা এইবাৰ ৰেহাই দিছে। খবৰটোৱে তাক আনন্দ দিলেও, নিদিলেও। যদি খেতিয়েই নহয়; খাজনাৰ নামত যোৱা টকা কেইটা বাচিলেও বিশেষ একো উপকাৰ কৰিব নোৱাৰে তাক। খেতিটো হ'লে খাজনাটো দিয়াত আপত্তিনো ক'ত। কেইটামানহে টকা!

অতি কম সময়ৰ ভিতৰতে তাৰ বস্তুকেইপদ বিক্ৰী হৈ গ'ল। ঘৰুৱা বস্তুৱেই! বজাৰখন সামৰি সি এইবাৰ গেলামালৰ দোকানখনত সোমাল। তাতে আৰু এটা খবৰ পালে। ঠিক ভালো নহয়, বেয়াও নহয়। নাই। এতিয়া ভাল খবৰ বুলিবই লাগিব। খৰাংপীড়িত কৃষকসকলক, যিসকলৰ পাঁচবিঘাৰ ওপৰত মাটি আছে তেওঁলোকক কৃষি বিভাগে অতি ৰেহাই মূল্যত পাম্প ছেট দিব। খবৰটোক চন্দ্ৰই ভাল খবৰ বুলিয়েই ল'লে। খবৰ দিয়া জনৰ পৰা ক'ত, কেনেকৈ পাম্প ছেট পাব তাৰ বিষয়ে সবিশেষ কথা জানি বুজি লৈ সি ঘৰলৈ উভতিল। সোণগুটি চপোৱাৰ আনন্দত সি মছগুল হ'ল। নৰাৰ স্পৰ্শ সি হাতখনত পালে।

বজাৰৰ পৰা আহি অণিমাক ঘৰতে পালেহি। কালিৰ চৰকেইটাৰ কথা মনত পেলাই চাগৈ তাই আজি কেনিও লৰচৰ হোৱা নাই। চন্দ্ৰৰ ভাল লাগিল। সি ভাবিলে মাজে মাজে এনে শাসন কৰাটো ভাল কথা। তেতিয়া সকলো ঠিকে থাকে। অণিমাই চাহ-জলপান যতনালে। চাহ খাই থাকোতেই চন্দ্ৰই অণিমাক

বজাৰত পোৱা খবৰটো ক'লে! খবৰটোৱে অণিমাক চুই গ'ল। তাইৰ মুখত আশাৰ হাঁহি বিৰিঙিল। পাছে পাঁচদিনৰ ভিতৰতে যোগাৰ কৰিব লগা টকা তিনিহাজাৰেহে তাইক বিবুদ্ধিত পেলালে।

ঃ এতিয়া পিছে টকাৰ যোগাৰ কেনেকৈ কৰিম বুলি ভাবিছে?

ঃ কিবা এটাটো কৰিবই লাগিব। চাওঁচোন কি কৰিব পাৰোঁ!

ঃ কি কৰিব পাৰোঁ বুলি ক'লে জানো হ'ব? পানী নহ'লে ধান হ'ব ক'ত? বতৰ এইয়া!

ঃ হেৰি কৰো নহ'লে, ডাকঘৰত আমাৰ চুমিৰ নামত থকা টকা কেইটাকে উলিয়াও। পাছত কিবা এটা কৰিব লাগিব।

ঃ সেইখিনিটো তাইৰ পঢ়া খৰচৰ কাৰণে থোৱা।

ঃ নহ'লেতো উপায় নাই।

ঃ আপুনি যি ভাল দেখে তাকে কৰক।

দুয়োটাই আলোচনা কৰি ঠিক কৰিলে চুমিৰ নামত ডাকঘৰত জমা থোৱা টকা কেইটাৰেই পাম্পছেটৰ ব্যৱস্থা কৰিলে কৰিব। এতিয়া ধানমুঠিৰ ব্যৱস্থা হওক। পাছত অন্যখিনি হ'ব।

সেইৰাতি চন্দ্ৰৰ সোনকালে টোপনি আহিল। দেখিলে এটা সপোন। তাৰ পথাৰবোৰ ভৰুণ হৈ পৰিছে। পথাৰ গৰ্ভৱতী ধানৰ মাজে মাজে সি সুহুৰিয়াই সুহুৰিয়াই আনন্দেৰে ঘূৰি ফুৰিছে। সি অনুভৱ কৰিলে তাৰ মাটিৰ সংখ্যা বাঢ়ি গৈছে। সি পথাৰত থাকোতে ক্ৰমান্বয়ে পথাৰবোৰ সোণোৱালী হৈছে। হাতত কাঁচি লৈ অণিমাই পথাৰত নিজৰ শৰীৰটো এৰি দিছে। তাইৰ হাতৰ মুঠিত সোণগুটিয়ে ভৰ কৰিছে। সি ডাঙৰি বান্ধি ভাগৰি পৰিছে। তাৰ মৰমৰ কজলা আৰু ৰঙাই টনা গাড়ীৰে মেটমৰা ডাঙৰিবোৰ ভঁৰাললৈ কঢ়িয়াইছে। চাৰিওফালে প্ৰাচুৰ্যৰ বতাহ। চন্দ্ৰ আনন্দত উত্ৰাৱল। দেওদি নাচিছে তাৰ চুমি আৰু মাইনা। চুমিৰ নামত থকা জমা টকাৰে কিনা পাম্পছেটেৰে কঠিয়ানীত কৰা বন্ধাকবি, ফুলকবি, ওলকবিৰ গুৰিত পানী দিছে। সৰিয়হৰ হালধীয়াই তাক উন্মনা কৰিছে। ধান দাই থকা অণিমাৰ কাষ চাপি সি তাইক কিবা এষাৰ কৈছে। তাই লাজুকীয়া খঙেৰে তাক ডবিয়াইছে। সি ভাবত তন্ময় হৈছে। সি ভাবিলে চুমিৰ নামত এখন 'মাণিবেক' পলিচি খুলিব লাগিব। তাই পঢ়িব— ডাঙৰ মানুহ হ'ব—কাগজত তাইৰ নাম ওলাব.....।

চন্দ্র সাৰ পালে বৰষুণৰ শব্দত। এজাক দোপালপিটা বৰষুণ। বিছনাৰ পৰা উঠি সি বৰষুণৰ মাজেৰে দৌৰিলে তাৰ পথাৰলৈ। বৰষুণৰ পানীয়ে তাৰ পথাৰ ভৰাই তুলিছে। চন্দ্র আনন্দত আত্মহাৰা হৈ নাচিবলৈ ধৰিলে। তাৰ সকলোখিনি কাপোৰ বৰষুণে ধুই নিলে। সি জুৰুলি-জুপুৰি হ'ল। তেতিয়াও সপোনত দেখা 'মাণিবেক' পলিচিৰ কথাটো তাৰ গাত লাগি থাকিল।

●●●

---

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্র জয়ন্ত পাঠকৰ উক্ত গল্পটিয়ে আমি আয়োজন কৰা প্রতিযোগিতাত তৃতীয় পুৰস্কাৰ লাভ কৰিছে।

# জীৱনৰ প্ৰেক্ষাপটত এবুকু আৱেগ

জলি বৰা

আৱেগ আৰু যুক্তিৰ ঠিক কোনটোৱে মানুহৰ জীৱনত অধিক প্ৰভাৱ বিস্তাৰ কৰে—এই প্ৰশ্নৰ হয়তো কোনো চূড়ান্ত উত্তৰ পোৱা নাযায়। সময়, পৰিস্থিতি তথা মানুহ ভেদে ইয়াৰ উত্তৰ সদায়ে ভিন্ন হ'ব। কিন্তু এটা কথা সত্য যে সমাজৰ গৰিষ্ঠসংখ্যক লোকেই ভিন্ন ক্ষেত্ৰত ভিন্ন কাৰণত কিছুমান অহৈতুকী আৱেগ হৃদয়ত কঢ়িয়াই লৈ ফুৰে। যুক্তিয়ে ঢুকি নোপোৱা আৱেগ এইবোৰ। এই গৰিষ্ঠসংখ্যক লোককো আকৌ দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰি। এচামে নিজৰ অজ্ঞাতে জীৱনৰ বাটে-পথে এনে আৱেগ বুটলি লয় আৰু দ্বিতীয় চাম ভাৱবিলাসী লোকে অহৈতুকী বুলি জানিও কিবা এক অবুজ মায়াত ডুবি বুকুত সযতনে সাঁচি থয় এনে আৱেগ। এটা গোপন অসুখৰ দৰে এই আৱেগে সময়ে অসময়ে হৃদয়ক পীড়িত কৰি থাকে। তথাপিও কোনো কাৰণতে দ্বিতীয় চাম মানুহে সেই আৱেগৰ দুৱাৰ বন্ধ কৰিব নোখোজে। সেই দুৱাৰেদি কিবা এক অমূল্য সম্পদ জীৱনৰ চ'ৰাঘৰত প্ৰৱেশ কৰিবহি বুলি অনাহক আশাত মগ্ন হৈ ৰয় তেওঁলোক।

প্ৰাণচাঞ্চল্যৰে ভৰা এজাক কলেজীয়া ল'ৰা-ছোৱালীৰ আড্ডাত বহি থাকিও মৃণালে এইবোৰ কথাকে ভাবি আছিল। সি যে বহুপৰ ধৰি মৌন হৈ আছে সেই কথাটো কাৰো দৃষ্টিত ব্যতিক্ৰম হৈ ধৰা দিয়া নাই। কাৰণ, প্ৰত্যেকৰে এটা বদ্ধমূল ধাৰণা, মৃণাল ছিৰিয়াছ প্ৰকৃতিৰ ল'ৰা। পঢ়া-শুনাত ভাল ফল দেখুৱাই, শান্ত-শিষ্ট স্বভাৱেৰে ইতিমধ্যে সি অনায়াসে ভাল ল'ৰাৰ খিতাপটো অৰ্জন কৰি থৈছেই। গতিকে মৃণাল নামৰ ভাল ল'ৰাজনে আড্ডাৰ মাজত অন্যমনস্ক হৈ থকাৰ দৰে অপকৰ্ম এটা যে কৰিছে সেয়া কোনেও লক্ষ্য কৰা নাই। নাই, কথাটো ঠিক এনেকৈ ক'লে অলপ ভুল হ'ব। তাৰ পৰা তিনিজন আড্ডাবাজ পাৰ হৈ ল'ৰাবোৰে 'দুখী আত্মা' বুলি জোকোৱা প্ৰণামীয়ে তাইৰ স্বভাৱসিদ্ধ দুখী দুখী ভাব এটা চকুৰে মুখে ফুটাই লৈ বহি আছে। তাইৰ কাষতে

সেইজনী শ্ৰুতি। অঞ্জনৰ সঁচা-মিছাৰ নিৰ্দিষ্ট অনুপাতৰ মিশ্ৰণেৰে সৃষ্টি কৰা ৰসাল কাহিনীবোৰ শুনি সকলোৰে লগতে তায়ো হাঁহিছে। এইজনী শ্ৰুতিয়েই আড্ডাৰ কথা আৰু হাঁহিৰ মাজে মাজে সন্তৰ্পণে মৃণাললৈ দৃষ্টি নিক্ষেপ কৰিছে। দুবাৰমান মৃণালৰ চকুৰে চকুৰে পৰাত এনেভাৱে দৃষ্টি আঁতৰাই নিছে যেন চাওঁ বুলি তাই চোৱাই নাছিল—এনেয়েহে পৰি গ'ল! শ্ৰুতিৰ এই দৃষ্টি—এই দৃষ্টিৰ আঁৰত হৃদয়ত থকা অহৈতুকী অনুভৱক কেন্দ্ৰ কৰিয়েই মৃণালে আৱেগ আৰু যুক্তিৰ দৰ্শন মেলিছে।

মৃণালে যে তাইক ঠিকেই ধৰা পেলাইছে আৰু তাকে লৈ কিছু চিন্তিতও হৈ পৰিছে, সেয়া শ্ৰুতিয়ে ধৰিব পৰা নাই। প্ৰথম চাম মানুহৰ আৱেগতকৈ মৃণাল যে নিজৰ দ্বিতীয় চাম মানুহৰ আৱেগক লৈ অধিক চিন্তিত হৈ পৰিছে—সেই কথাও তাই নাজানে। জনাৰ কথা নহয়।

মৃণালৰ হঠাতে পৰিৱেশটো ভাল নলগা হৈ পৰিল। প্ৰায় একে সময়তে তাৰ মনত পৰিল, 'পাৰ যদি সোনকালে ঘৰলৈ আহিবিচোন' বুলি মাকে কোৱা কথাষাৰ। সি যাবলৈ ওলাল। এইবাৰ কিন্তু কথাটো সকলোৰে চকুত পৰিল। 'এতিয়াই ঘৰলৈ যাৱনে?' 'কি কৰিবিনো এতিয়াই গৈ?' জাতীয় কেইবাটাও প্ৰশ্নৰ উত্তৰ 'কাম আছে' বুলি একেষাৰতে দি সি নৰ'লেই। শ্ৰুতিৰ দৃষ্টিকো একপ্ৰকাৰ আওকাণ কৰিয়েই মৃণাল শ্ৰেণীকোঠাৰ পৰা ওলাই আহিল।

নিজম দুপৰীয়া জনশূন্য বাটটোৰে মৃণালে খোজ দিলে ঘৰলৈ বুলি। এনে নিজম দুপৰীয়া অকলশৰে খোজকঢ়াৰ এক সুকীয়া মাদকতা আছে বুলি সি সদায় অনুভৱ কৰে। সঁচাই, নিজকে একেবাৰে কাযত পাবলৈ, নিজে নিজৰ সংগ উপভোগ কৰিবলৈ সহজ লভ্য আৰু বঢ়িয়া উপায়বোৰৰ এইটোও এটা, ভাবিলে মৃণালে। শ্ৰুতিৰ মুখখন তাৰ মনলৈ আহিল—কিন্তু মাত্ৰ এটা মুহূৰ্ত্তৰ বাবেহে। ক্ষন্তেকতে সেই মুখখন ধুঁৱলী-কুঁৱলী হৈ গৈ তাৰ ঠাইত ভাঁহি উঠিল অন্য এখন মুখ। সেইখন মুখ কাবেৰীৰ। কাবেৰী—অহৈতুকী বুলি জানিও বুকুত সংগোপনে লালন কৰা এক আৱেগ, যাৰ বাবে মৃণালে নিজকে দ্বিতীয় চাম মানুহৰ অন্তৰ্ভুক্ত বুলি ভাৱে। কাবেৰী—মৃণালৰ শৈশৱৰ লগৰী। তাৰ শৈশৱ আৰু কৈশোৰৰ দোমোজাৰ দুটামান স্বপ্নময় দিনত যি সপোনৰ দৰে আহি নোহোৱা হৈ গ'ল। অথচ মৃণালে আঁকোৰগোজ হৈ এতিয়াও সেই সপোনকে সাবটি ধৰি আছে। সেই সপোনকে কেন্দ্ৰ কৰি অন্য হাজাৰটা সপোন ৰচিছে।

মৃণালৰ এতিয়াও খুব ভালকৈ মনত আছে, সঘনে ট্ৰেন্সফাৰ হোৱা দেউতাকৰ চাকৰিটোৰ বাবে সিহঁতে প্ৰায়েই ঠাই সলাই দিহিঙে-দিপাঙে ঘূৰি

ফুৰিব লগীয়া হৈছিল। ভাড়াঘৰে ভাড়াঘৰে ডলাৰ বগৰীৰ দৰে বাগৰি ফুৰা জীৱনটোক অলপ সকাহ দি সেইবাৰ দেউতাকৰ ট্ৰেন্সফাৰ হৈছিল নিজৰ জন্মস্থান নাহৰণিলৈ। মৃণাল তেতিয়া দহ বছৰীয়া কিশোৰ। চহৰৰ অকলশৰীয়া জীৱনৰ পৰা আহি গাঁৱৰ মধুৰ পৰিৱেশত ককাক-আইতাক, খুড়াক-পেহীয়েকেৰে ভৰা ঘৰ এখন আৰু সমনীয়া ল'ৰা-ছোৱালীৰ ডাঙৰ দল এটা পাই ভীষণ সুখী হৈ উঠিল সি। কম দিনৰ ভিতৰতে সি সকলোৰে স'তে সহজ হৈ পৰিল। ঢলপুৱাতে শুই উঠি পদ্ম ককাকৰ ভৰপূৰ বাৰীখনৰ পৰা বতৰৰ ফল চুৰ কৰিব পৰাকৈ পাৰ্গত হৈ উঠিল সি! চিলা উৰোৱা, বৰশী বোৱা, নৈত সাঁতোৰা, চাপৰিত গৰুখিচ, চেচুক, ইকৰা-পানী বিচাৰি গোটেইখন পিতপিতাই ফুৰা—কি যে কৰা নাছিল সিহঁতে। ...... সঁচাই বৰ ৰঙীণ আৰু মুক্ত জীৱন আছিল সেয়া।

কিন্তু এই সকলোৰে মাজত কাবেৰী যেন কিছু ভিন্ন আছিল। চুৰ কৰা ফল-মূলৰ পৰাও সদায়ে দুটামান তাই মৃণাললৈ একাষৰীয়াকৈ থৈ দিছিল। ঘৰত কিবা এটা ভাল বস্তু দিলেও তাই তালৈ লৈ আনিছিল। আনকি মৃণালৰ প্ৰতিটো কথা তাই নিৰ্বিবাদে মানি লৈছিল। কিয়? এই প্ৰশ্নটোৱে সেই সময়ত সেই বয়সত মৃণালক এবাৰো আমনি নকৰিলে। তাইৰ সৰল আন্তৰিকতাক তেতিয়া সদায়ে সি স্বাৰ্থপৰৰ দৰে ব্যৱহাৰ কৰিলে। অথচ তাই নোহোৱা হৈ যোৱাৰ পিছত এই সাধাৰণ কথাবোৰেই স্বকীয় অৰ্থ লৈ তাৰ মনৰ পদূলিত অগা-দেৱা কৰিবলৈ ল'লে। মৃণালৰ হৃদয়ত কাবেৰীৰ এক অদৃশ্য মূৰ্ত্তি প্ৰতিষ্ঠা হ'ল আৰু এক অনন্য অনুভৱৰ জোৱাৰে সেই মূৰ্ত্তিৰ চৰণ ধুৱাই থাকিল। এই সকলো ক্ৰিয়া-প্ৰতিক্ৰিয়া সেইজনী কাবেৰীক লৈয়ে ঘটি থাকিল যাক শেষবাৰৰ বাবে মৃণালে লগ পোৱাৰ পিছত দহটা বছৰ বাগৰি গ'ল। ......

দহ বছৰৰ পূৰ্বে সেই ৰঙীণ দিনবোৰৰ কোনোবা এটা নিৰ্মল স্বাভাৱিক দিনে সিহঁতৰ জীৱনত পদাৰ্পণ কৰিলেহি অস্বাভাৱিকতাৰ বতৰা লৈ। সেইদিনা ককাকৰ সম্পত্তিৰ ভাগ-বতৰা কৰাৰ প্ৰশ্ন তুলিছিল খুড়াকে। ককাকে লাহে-ধীৰে কৰাৰ কথা কওঁতে খুড়াক অধৈৰ্য হৈ পৰিছিল। মৃণালৰ দেউতাকে ঘাই ঘৰলৈ আহি লৈ সমস্ত সম্পত্তি দখল কৰাৰ আঁচনি কৰিছে বুলিও খুড়াকে অভিযোগ কৰিছিল। মৃণালে আজিও বুজি নাপালে ইমান মৰমীয়াল খুড়াকৰ মনত এইবোৰ ধাৰণা কেনেকৈ সোমাল। হয়তো কাৰোবাৰ প্ৰৰোচনাত পৰি খুড়াকৰ মতিভ্ৰম হৈছিল। ইতিমধ্যে মৃণালৰ দেউতাকৰ ব্যক্তিত্বৰ স'তে এক অদ্ভূত জেদী মনোভাৱ সাঙোৰ খাই পৰিছিল। খুড়াকৰ অভিযোগে তেওঁৰ

আত্মসন্মানত প্ৰচণ্ড আঘাত দিলে। সিদিনাই ঘৰৰ সকলোৰে সম্মুখত দেউতাকে সিদ্ধান্ত লৈছিল—সেই ঘৰ, সেই সম্পত্তি সকলো ত্যাগ কৰিব তেওঁ।

কাৰো কোনো ধৰণৰ আপত্তি নৰজিল দেউতাকৰ সিদ্ধান্তৰ আগত। খুড়াকৰ সৈতে কাজিয়া লাগি কেইদিনমান পাছতেই মাক-দেউতাকৰ স'তে মৃণাল আৰু ভনীয়েক জুৰি চহৰলৈ গুচি আহিল। এৰি আহিল সেই সপোনপুৰী— আপোন বুলি ভবা মানুহবোৰ। আৰু কাবেৰীকো। নিজৰ নিজৰ সুখ, ক্ষোভ বা অন্য হিচাপ-নিকাচত ব্যস্ত হৈ থাকোঁতে কোনেও ভাবিবলৈ আহৰিয়ে নাপালে, মৃণালৰ অকণমানি পৃথিৱীখনত কিমান ঠাই শূন্যতাই বেদখল কৰি ল'লেহি।

...... গেটখন খুলিয়েই বাৰাণ্ডাত মাকক দেখি মৃণালে বুজিলে যে মাকে তাৰবাবেই অপেক্ষা কৰি আছিল। তাক দেখি আগবাঢ়ি আহি মাকে ক'লে— "আহিলি তই! পলম কৰা বাবে চিন্তাতে পৰিছিলো।"

"কিয়, কি হ'লনো?"

এইবাৰ তাৰ আৰু অলপ কাষ চাপি আহি মাকে ক'লে—"পুৱাতে ককাৰৰ অসুখ বুলি খবৰ আহিছিল আজি। বাথৰুমত পিছলি পৰিল হেনো।"

মৃণাল আচৰিত হৈ গ'ল—"ককাৰ অসুখ? মোক কোৱা নাছিলা কিয়?"

"কোৱাৰ সুযোগেই নাপালো দেখোন! দেউতাৰ ঘৰতে নাছিল জানো?"

হয়, মাকে ঠিকেই কৈছে। এই দহটা বছৰে একো যোগাযোগ নাই ককাকৰ ঘৰখনৰ লগত, আনকি দেউতাকৰ উপস্থিতিত সিহঁতৰ ঘৰত এই সম্পৰ্কীয় প্ৰসংগ উত্থাপনতো অঘোষিত নিষেধাজ্ঞা। মৃণালৰ বেদনাৰ্ত মুখখন দেখি মাকো যেন আৱেগিক হৈ পৰিল। কিন্তু পিছ মুহূৰ্ত্ততে নিজকে নিয়ন্ত্ৰণ কৰি আকৌ ক'লে—

"দেউতাৰে টিফিন খাবলৈ আহি ঘৰতে আছেহি। একো খোৱাও নাই। অথনিৰে পৰা নিজৰ কোঠাত পায়চাৰি কৰি আছে। জুৰিক স্কুলৰ পৰা আনিবলৈকো যোৱা নাই—কওঁনো কেনেকৈ? যাচোন, তয়ে লৈ আনগৈ।"

পাঁচ মিনিটৰ ভিতৰতে গাড়ীখন লৈ মৃণাল ঘৰৰ পৰা ওলাল। জুৰিৰ স্কুল কিছু দূৰৈত। গাড়ী চলাই গৈ থাকোতে দেউতাকৰ ওপৰত তাৰ খংটো বাঢ়ি গৈ থাকিল। কি অদ্ভুত জেদ দেউতাকৰ! ইমান বছৰে সেই জেদতে একো খবৰ

নকৰাকৈ পাৰ কৰি দিলে। তিনি বছৰৰ আগতে কাৰোবাৰ পৰা পেহীয়েকৰ বিয়াৰ খবৰ শুনিও দেউতাকৰ সিদ্ধান্ত সলনি নহ'ল। সেইখন ঘৰৰো কাৰোৱেই সিহঁতৰ খবৰ এটা ল'বলৈ আহৰি নোলালনে! মৃণাল আচৰিত হয়।

আৰু কাবেৰী? কাবেৰীৰ কোনো খবৰেই নাপালে সি। দেউতাকৰ প্ৰতি থকা শ্ৰদ্ধা মিহলি ভয়ৰ বাবে মৃণালে একো পদক্ষেপ লোৱাৰ সাহস গোটাব নোৱাৰিলে। অথচ কাবেৰী তাৰ বাবে কেৱল শৈশৱৰ লগৰীয়ে নাছিল; তাৰ হৃদয়ৰ কোনোবা এক নিভৃত কোণ তাই নিগাজীকৈ দখল কৰি লৈছিল। বহুতো নিশা সপোনত সেই কোণটো বাৰে বাৰে উদ্ভাসিত হ'ল। সপোনৰ পিছে পিছে মৃণালে ঢপলিয়াই ফুৰিলে আৰু ক'ৰবাত উজুটি খাই সাৰ পাই যোৱাৰ পিছত শেষ নিশাবোৰ টোপনিহীনতাৰে ভাৰাক্ৰান্ত হ'ল। ইয়াতকৈ বেছি একো কৰিব নোৱাৰিলে মৃণালে।

জুৰিক লৈ ঘৰলৈ আহি থাকোতে কোনো প্ৰসংগ ননাকৈ মৃণালে সুধিলে—"জুৰি, ককাৰ যে অসুখ গম পাৱনে তই?"

"কি? নাহৰণিৰ ককা? সেই যে ফটোত দেখা চছ্মা পিন্ধা মানুহজন?"

মৃণালৰ মনটোৱে হাঁহাঁকাৰ কৰি উঠিল। নিজকে সান্ত্বনা দি সি ভাবিলে, জুৰিক দোষ দিয়াৰ একো যুক্তি নাই। তাৰপৰা আহোতে তাইৰ আঢ়ৈ বছৰ বয়স। মৃণালক বহুপৰ নীৰৱে থকা দেখি জুৰিয়ে আকৌ সুধিলে—

"দাদা, অসুখ বেছি নেকি?"

"ও।" মৃণালৰ মাতত ফুটি উঠা হাহাকাৰখিনি জুৰিয়ে ধৰিব নোৱাৰিলে।

এনেতে শান্তনুক দেখা পাই সিহঁতৰ কথা-বতৰা বন্ধ হ'ল। মৃণালে গাড়ী ৰখালে। শান্তনুৱে তাক দেখি উৎসাহেৰে ক'লে—

"আৰে তই! আজি কি হ'ল তোৰ—ইমান সোনকালে গুচি আহিলি যে কলেজৰ পৰা? তোক লগ কৰিবলৈ গৈছিলো মই।"

"গাড়ীত উঠচোন। কথা আছে।" মৃণালে শান্তভাৱে ক'লে।

শান্তনুৱে কিবা এটা বুজিলে। নীৰৱে সি গাড়ীত উঠিল। জুৰিক ঘৰত থৈ দুয়ো ওলাই আহিল। শান্তনু মৃণালৰ ঘনিষ্ঠ বন্ধুবোৰৰ অন্যতম। কোনো সংকোচ নকৰাকৈ বহুত কথাই কৈ দিব পাৰি তাক। অৱশ্যে আগৰ কথাবোৰ সি জানেই। কাবেৰীৰ কথা বহুত বাৰ শুনিছে সি মৃণালৰ পৰা। শ্ৰুতিৰ বিষয়েও পোন প্ৰথমে এই শান্তনুৱেই মৃণালক সচেতন কৰি দিছিল। এতিয়া সকলোবোৰ জনাৰ পিছত কিছুপৰ চিন্তা কৰি শান্তনুৱে ক'লে—

"এইটো সোণালী সুযোগ পাইছ তই। এই সুযোগটো নেৰিবি। বৰদেউতাই নিজৰ সম্পৰ্কক লৈ সিদ্ধান্ত লৈছে। তই তোৰ সম্পৰ্কক লৈ সিদ্ধান্ত ল। ককা, আইতা, পেহী, কাবেৰী—এই সকলোৰে স'তে তোৰ জানো কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই? সেইখন ঘৰ, সেই গাঁও তোৰো আপোন নহয় জানো? ইমান দিনে নীৰৱ হৈ ৰ'লি। এইবাৰ অন্ততঃ সম্পৰ্কৰ প্ৰতি তোৰ দায়িত্ব ৰক্ষা কৰ। ফল যিয়েই নহওঁক পিছত বিবেকৰ ওচৰত কৈফিয়ৎ দিয়াৰ পৰা ইয়েই ৰক্ষা কৰিব।"

মৃণাল ভিতৰি ভিতৰি উত্তেজিত হ'ল। এনেকৈতো সি কেতিয়াও ভবাই নাছিল। "তাৰমানে তই মোক যাবলৈ কৈছ নাহৰণিলৈ?" উত্তেজনা চেপি সি সুধিলে।

"অ।" শান্তনুৱে একেবাৰে শান্ত মাত এটাৰে ক'লে।

"দেউতা? দেউতাই মোক কেতিয়াও যাবলৈ নিদিয়ে।"

"নিদিয়ে যদি নোকোৱাকৈ যা। ৰিস্ক ল'বলৈ শিক বুজিছ!" শান্তনুৰ একেই কণ্ঠস্বৰ।

মৃণালৰ নিজৰ ওপৰতে সন্দেহ হ'ল। ইমান দিনে দেউতাকৰ আদেশেৰে চিন্তাক গঢ় দি অহা ল'ৰা সি। সি ইমান দুঃসাহসী হ'ব পাৰিবনে? নাই, সি যাবই লাগিব। মৃণাল দৃঢ় হ'ল। শান্তনুৱে ঠিকেই কৈছে। এয়া সম্পৰ্কৰ প্ৰতি দায়িত্ব পালন কৰাৰ সময় তাৰ বাবে। এটা মুকলি মন লৈ মৃণাল ঘৰলৈ উভতিল। ঘৰখনৰ গোমা পৰিৱেশটোৱে তাৰ সিদ্ধান্তক অধিক শক্তিশালীহে কৰি তুলিলে। সুবিধা বুজি মাকক সি অকলশৰীয়াকৈ মাতি তাৰ সিদ্ধান্তৰ কথা ক'লে। মাকে প্ৰথমতে ঘোৰ আপত্তি কৰিলেও পিছত লাহে লাহে সেই আপত্তিৰ তীব্ৰতা কমি আহি নোহোৱা হৈ গ'ল। মাক সন্মত হ'ল—হয়তো মৃণালৰ দৃঢ়তা দেখি, হয়তো সেই ঘৰখনৰ প্ৰতি থকা হেঁপাহৰ তাড়নাত।

...... সকলো অতিক্ৰম কৰি তাৰ দুদিনৰ মূৰত মৃণাল এয়া নাহৰণিলৈ যোৱাৰ বাটত। তাৰ মনত অনেক ভাবৰ ঢৌ। সৰু-বৰ ঢৌবোৰে তাক তিয়াই-বুৰাই উটুৱাই উটুৱাই লৈ গ'ল অতীত নামৰ মহাসাগৰলৈ। জোনাক নিশা চোতালত ঢাৰি-পাটি পাৰি ককাকৰ মুখেৰে সাধু শুনা, নামঘৰত টোপনিয়াই টোপনিয়াই ভাওনা চোৱা দিনবোৰে তাক আৱেগিক কৰি পেলালে। বাছৰ খিৰিকীৰে কাষৰ পথাৰবোৰত সি দহ বছৰীয়া মৃণালকে দৌৰি ফুৰা দেখিলে। কাষে কাষে সেয়া যেন কাবেৰী! সেয়া তাইৰ ৰঙা চিলাখন ওখ শিমলুজোপাৰ ডাল এটাত লাগি ধৰি ফাটি গৈছে। তাইৰ কৰুণ মুখখন দেখি মৃণাল দৌৰি

আহিছে। বতাহত খেলি-মেলি হৈ কাবেৰীৰ চকুৰ আগলৈ আহি পৰা চুলি কেইডাল আলফুলে কাণৰ কাষলৈ নি সি কৈ উঠিছে—

"জাপৰী, আকৌ এখন চিলা বনাই দিম নহয় তোক।" ......

......নাহৰণি, নাহৰণি। কণ্ডাক্টৰৰ চিঞৰত মৃণালৰ তন্ময়তা ভাঙিল। বাছৰ পৰা নামিয়েই সি দীঘলকৈ এটা উশাহ ল'লে—যেন প্ৰাণভৰি টানি ল'ব খুজিলে তাৰ সপোনপুৰীৰ সুবাস। সি আগবাঢ়িল। সকলোবোৰ যেন সম্পূৰ্ণ অচিনাকি। কি এক বিৰাট পৰিৱৰ্তন নাহৰণিৰ। বাট-পথ, ঘৰ-দুৱাৰ, মানুহ সকলো অপৰিচিত। বিচাৰি-খোচাৰি মৃণালে কোনোমতেহে সিহঁতৰ পুৰণি ঘৰখন ওলালগৈ। ঘৰটো একেদৰেই আছে। অৱশ্যে অযত্নৰ বাবে সময়ৰ আঁচোৰবোৰ স্পষ্ট হৈ পৰা যেন লাগিল মৃণালৰ। ঠায়ে ঠায়ে ৰঙৰ প্ৰলেপো এৰাইছে। চোতালত অপ্ৰয়োজনীয় গছ-বন বেছি হোৱা যেনো তাৰ ভাব হ'ল।

দুৱাৰমুখত ৰৈ ভিতৰৰ কঁপনিটো যথাসম্ভৱ কমাবলৈ চেষ্টা কৰি মৃণালে মাত দিলে—"ককা!"

কোনো সঁহাৰি নাই। দ্বিতীয়বাৰ অলপ ডাঙৰকৈ মাতিবলৈ লওঁতেই ভিতৰৰ পৰা বৃদ্ধা এগৰাকী ওলাই আহিল। পিন্ধনত মলিয়ন কপাহী মেখেলা চাদৰ। মৃণালৰ মুখৰ পৰা ওলাই আহিল অন্য এক সম্বোধন—

"আইতা!!" এইবাৰ তাৰ মাতটো সঁচাকৈয়ে কঁপিল।

আইতাক ওচৰ চাপি আহিল। ভালকৈ জুপি চোৱাৰ দৰে চাই লৈ ক'লে—"কোননো? মই চিনিব পৰা নাই দেখোন!"

মৃণালৰ কান্দিবৰ মন গ'ল। কোনোমতে সি নিজকে চম্ভালি ল'লে। আগবাঢ়ি আহি আইতাকৰ হাতখন খামুচি ধৰি সি ক'লে—

"মই মৃণাল আইতা। আপোনালোকৰ বাবা আকৌ।"

আইতাক কিছুপৰ থৰ হৈ ৰ'ল। তাৰ পিছত তাক সাবটি ধৰি এসোঁতা কান্দি ল'লে। আৰু আথে-বেথে তাক ভিতৰলৈ আগবঢ়াই নিলে। ককাক বিছনাত শুই আছিল। তেতিয়ালৈ অৱস্থা যথেষ্ট ভাল যদিও সম্পূৰ্ণ আৰোগ্য লাভ কৰাই নাই। মৃণালক বুকুৰ মাজত আঁকোৱালি লৈ তেওঁ খা-খবৰ সুধিলে। ক'লে—

"ইমান দিনে সদায় ঈশ্বৰক খাটিছিলো, সিফলীয়া হোৱাৰ আগেয়ে অন্ততঃ এবাৰৰ বাবে হ'লেও যেন তহঁতৰ মুখকেইখন চাই যাব পাৰো। চা বাবা, ঈশ্বৰে মোৰ প্ৰাৰ্থনা শুনিলে।" ......

খুড়াক-খুড়ীয়েকেও অতি উৎসাহেৰে তাৰ অভ্যৰ্থনা কৰিলে। অতীতৰ কালিমাৰ কোনো চিন-চাব নাছিল তেওঁলোকৰ ব্যৱহাৰত। বৰং খুড়াকে গধুৰ কণ্ঠেৰে ক'লে—

"গাঁৱৰ চকুচৰহা এচামৰ কথাই মোক বিপথে পৰিচালিত কৰিছিল বাবা। যেতিয়া নিজৰ ভুলটো বুজি পালো তেতিয়ালৈ বহু পলম হৈ গৈছিল। কিমান চেষ্টা কৰিলো অ'ৰ ত'ৰ পৰা তহঁতৰ খবৰ গোটাবলৈ। কিন্তু তহঁতৰ সেইখন বৰ ডাঙৰ ঠাই, বহু মানুহ—বহু কথা। সংসাৰৰ ঝামেলা মাৰি সময় উলিয়াই কোনো তথ্য নোহোৱাকৈ বিচাৰ-খোচাৰ কৰাটো সম্ভৱো নাছিল। সেইটো কথাত লাগিয়েই ককাইদেৱেনো ইমান বছৰ কেনেকৈ আঁতৰি থাকিব পাৰিলে বাবা?" মৃণাল নিৰুত্তৰ।

...... ৰহুপৰ হেঁপাহ পলুৱাই কথা পাতি লোৱাৰ পিছত খুড়ীয়েকে ভাতৰ আয়োজন কৰিবলৈ উঠি গ'ল। মৃণালে ককাকৰ বিছনাতে বহি সকলোৰে খা-খবৰবোৰ দি গ'ল। এনেতে তাৰ ম'বাইলত মিহি সুৰ এটা বাজি উঠিল। চাই দেখিলে দেউতাক। বাহিৰলৈ ওলাই আহি সি ফোনটো ৰিচিভ কৰিলে।

"হেল্ল', দেউতা!"

"বাবা, তই এনেকুৱা এটা কাম কৰিবলৈ ......"

দেউতাকৰ খঙাল কণ্ঠস্বৰে মৃণালৰ ওপৰত একো প্ৰভাৱ পেলাব নোৱাৰিলে। দেউতাকক বাধা দি একেবাৰে শান্ত মাতেৰে ক'লে—

"দেউতা, মই যি কৰিছো ভাৱি-চিন্তিয়েই কৰিছো। আপোনাক একো বুজাবলৈ নাযাওঁ; কিন্তু প্লিজ দেউতা এনে একো সিদ্ধান্ত নল'ব যাৰ বাবে সমগ্ৰ জীৱনলৈ আপোনাৰ আক্ষেপ ৰৈ যায়। আৰু এটা কথা, মই ঠিক কৰিছো, ককা সম্পূৰ্ণকৈ ভাল হৈ নুঠালৈকে মই ইয়াতে থাকিম!"

মৃণালে লাইন কাটি দিলে। দেউতাকৰ স'তে মনত পৰাৰে পৰা আজিহে ইমান স্পষ্টভাৱে কথা পাতিলে সি। এতিয়া দেউতাকৰ যি ইচ্ছা তাকে কৰক। সি যি ভাল দেখিলে, হৃদয়ে যি উচিত বুলি ভাবিলে সেয়া কৰিলে। সি পুনৰ ককাকৰ ওচৰলৈ উভতি আহি কথা পতাত ব্যস্ত হ'ল। অৱশ্যে দেউতাকৰ ফোন অহাৰ কথা নক'লে সি।

সেইদিনা সমগ্ৰ দিনটো যে কেনেকৈ পাৰ হৈ গ'ল মৃণালে গমেই নাপালে। আবেলি ভাত-পানী খাই উঠি পাকঘৰত আইতাকৰ স'তে ইটো সিটো কথা পাতি থাকোতে খুড়ীয়েক সোমাই আহি ক'লে—

"বাবা, সৰুতে যে তোমাৰ লগত একেলগে উমলি ফুৰিছিল কাবেৰী, মনত আছেনে তোমাৰ? কাবেৰী আৰু মাক আহিছে দেউতাৰ খবৰ ল'বলৈ।"

নাহৰণিলৈ আহি পোৱাৰ পিছত এই প্ৰথমবাৰৰ বাবে মৃণালৰ মনত পৰিল কাবেৰীলৈ। ইমানপৰে ককাক-আইতাক, খুড়াক-খুড়ীয়েকৰ স'তে মান-অভিমান আৰু খা-খবৰৰ বিনিময়ত, তেওঁলোকৰ মৰমৰ উমত অন্য একো অনুভৱ আহিবলৈ সুৰুঙাই নোহোৱা হৈ পৰিছিল। কিবা যেন আকস্মিক সংযোগ! যাক বিচাৰি যোৱা দহটা বছৰে স্বপ্নই-দিঠকে সি ঢপলিয়াই ফুৰিছে, সেই কাবেৰী ইয়াত! হৃদয়ত উখল-মাখল লগাই দিয়া আৱেগৰ গতিক বাধা দিবলৈ আপ্ৰাণ চেষ্টা কৰি মৃণালে ক'লে—

"মনত কিয় নাথাকিব খুড়ী! আছে, খুউব ভালকৈয়ে আছে।"

"বৰ লখিমী ছোৱালী অ'। এইকেইদিন সদায়ে তাই ককাকৰ যত্ন লৈছেহি।"

আইতাকে কাবেৰীৰ প্ৰশংসা কৰি আৰু কিবা কৈছিল যদিও মৃণালৰ কাণত নোসোমাল। ককাকৰ কোঠালিটোলৈ আগবাঢ়ি যাওঁতে খোজ কেইটা থৰক-বৰক হৈছিল যদিও সি গম নাপালে। পৰ্দাখন দাঙি খপজপকৈ সি সোমাই দিয়াত কোঠাটোত থকা তিনিওজনেই একেলগে তালৈ চাই পঠিয়ালে—ককাক, তাৰ ৰমা জেঠায়েক আৰু ককাকৰ মূৰ শিতানত বহি থকা কাবেৰীয়ে।

...... এইজনী কাবেৰী! তাৰ কাবেৰী!! মৃণালে থৰ লাগি তাইকে চাই ৰ'ল। সৰু সৰু ৰঙা ফুল থকা পাটৰ মেখেলা-চাদৰ এযোৰ পিন্ধি আছিল তাই। লগতে খোপালৈকে টনা ওৰণিখন আৰু কপালৰ দগমগীয়া ৰঙা বেলিটোৰে সঁচাই লখিমী বোৱাৰী যেন লাগিছিল। মৃণাললৈ ইমানপৰে আশ্চৰ্যময় দৃষ্টিৰে চাই থকা কাবেৰীয়ে এইবাৰ চকু তললৈ নমাই নিলে আৰু অনাৱশ্যক ভাৱে ওৰণিখন ঠিকে ঠাকে আছে নে নাই এবাৰ পৰীক্ষা কৰি ল'লে।

একেবাৰে ক্লান্ত মানুহৰ দৰে কাষৰ বিছনাখনত মৃণাল বহি পৰিল। হৃদয়ত প্ৰতিষ্ঠা কৰা মানস প্ৰতিমা চিৰদিনৰ বাবে আনৰ হৈ গৈছে—এই কথাটো তাৰ বিশ্বাস কৰিবলৈ মন নগ'ল। কিন্তু সেই অবাঞ্চিত সত্যৰ জীৱন্ত প্ৰমাণ দি এই যে কাবেৰী তাৰ সন্মুখতে সংকুচিতভাৱে বহি আছে সেয়াটো অবিশ্বাস কৰিব নোৱাৰি! ইমান দিনে যিখন নৈয়ে ফেনে-ফোটোকাৰে বাঢ়ি আহি তাৰ হৃদয়ত উখল-মাখল লগাই আছিল, সেই নৈখনে ভয়ংকৰ গতিৰে

গৰাখহনীয়া আৰম্ভ কৰি দিলে। মৃণালে অসহায় হৈ নীৰৱে চাই ৰ'ল আৰু এটা সময়ত অনুভৱ কৰিলে তাৰ বুকুখন একেবাৰে শূন্য হৈ গৈছে। সকলো থানবান হৈ খহনীয়াৰ স'তে গুচি গৈছে। ......

কাবেৰীৰ মাক ৰমা জেঠায়ে আদৰেৰে মৃণালক মাত লগালে। সি যে ইমান ওখ-ডাঙৰ হ'ল সেয়া ক'লে আৰু ঘৰৰ খবৰ ল'লে। জোৰকৈ মুখত হাঁহি এটা ফুটাই সি কথাবোৰৰ উত্তৰবোৰ দি গ'ল। ইমানখিনিৰ পিছতো নিশ্চুপ হৈ থকা কাবেৰীক মৃণালে সোধো নোসোধোকৈ সন্দেহেৰ সুধিলে—"কাবেৰী, তই মোক চিনি পোৱা নাই?"

কাবেৰীয়ে অকণমান হুঁহাৰ দৰে কৰি ক'লে—"পাইছো, কিয় নাপাম! ভালনে তোমাৰ?"

সুদীৰ্ঘ দহটা বছৰৰ মূৰত এই প্ৰথম কাবেৰীৰ মাত শুনিলে—তাইৰ স'তে কথা পাতিলে মৃণালে। আৰু প্ৰথমবাৰৰ বাবে ইমান সংকুচিত হৈ, ভাৰি-চিন্তি, 'তই'ৰ পৰিৱৰ্তে 'তুমি' সম্বোধনেৰে কাবেৰীয়ে কথা ক'লে তাক! নাই, এইজনী তাৰ কাবেৰী নহয়! তাৰ স্মৃতিৰ বৰঘৰ শুৱনি কৰি ৰখা, তাৰ অনুভৱৰ আকাশত ভোটাতৰা হৈ জিলিকি ৰোৱা কাবেৰীজনীৰ স'তে এই কাবেৰীৰ কি সাংঘাতিক পাৰ্থক্য!! মৃণালৰ অনুভৱ হ'ল তাৰ হৃদয়ৰ কাবেৰীৰ কোনো পাৰ্থিৱ অস্তিত্ব নাই। তাই মাথো মৃণালৰ সেই অহৈতুকী আৱেগৰ জগতখনৰে বাসিন্দা। ...... সেই জগতৰ পৰা ওলাই আহি বাস্তৱত ধৰা দিয়াৰ সকলো বাট বন্ধ হৈ গৈছে ইতিমধ্যে। ......

এনেতে কোঠাৰ ভিতৰলৈ পোন্ধৰ-যোল্ল বছৰীয়া ল'ৰা এজন সোমাই আহিল। কোলাত ছোৱালী এজনী—এক-ডেৰ বছৰমান বয়সৰ। ল'ৰাজনক মৃণালে চিনি পালে, ৰতন—কাবেৰীৰ ভায়েক। মৃণালক দেখি ৰতনে উল্লাসিতভাৱে চিঞৰি উঠিল—"বাবা দা নহয়নে?" তাৰ পিছত ইটো সিটো কথা পাতিলে দুয়ো। ছোৱালীজনীক দেখুৱাই ক'লে—"এই বৰ আমনি কৰি আছিল। সেয়ে বাইদেউৰ ওচৰলৈ লৈ আহিলো।"

মৃণালে তাৰ কথাৰ ধৰণতে বুজিব পাৰিলে এইজনী কাবেৰীৰ ছোৱালী—অকণমানি কাবেৰী! তাইক কোলাত লৈ মৃণালে কাবেৰীলৈ চাই নামটো সুধিলে—

"ভাল নাম দূবৰি। আমি মাজনী বুলিয়েই মাতো।" কাবেৰীৰ হৈ উত্তৰটো ৰতনেই দিলে। 'দূবৰি!' নামটো মনতে উচ্চাৰণ কৰি মৃণালে ক'লে—

"ধুনীয়া নাম! বয়স এবছৰতকৈ বেছি হ'ল, নহয়?"

"ও। তিনি মাহৰ পিছত দুবছৰ পূৰ হ'ব। নামটো ভিনদেৱে দিয়া। শিক্ষক মানুহটো! নাম দিবলৈ বিশেষ ভাৱিব লগাই নহ'ল। মনলৈ হঠাতে আহিল আৰু ক'লে এইৰ নাম দূবৰি হ'ব। বচ হৈ গ'ল ......"

ৰতনে ভিনদেৱকৰ কথা আৰু কিবা কিবি ক'লে প্ৰশংসাসূচকভাৱে। মৃণালে শুনি গ'ল নীৰৱে। কাবেৰীলৈ চাই দেখিলে, তাই আৰু বেছি সংকুচিত হৈ পৰিছে—গালখন অকণমান ৰঙাও পৰিছে। তাইৰ মুখত চকামকাকৈ পৰা তৃপ্তিৰ ৰহণকণো মৃণালৰ দৃষ্টিৰ পৰা সাৰি নগ'ল। কিছুপৰ তেনেকৈয়ে কথা পতাৰ পিছত দূবৰিয়ে বেছিকৈ আমনি কৰিবলৈ ধৰাত সিহঁত যাবলৈ উঠিল। সিহঁতক আগবঢ়াই দিওঁতে মৃণালে হঠাতে কৈ পেলালে—

"তোৰ মানুহজনক নেদেখিলোৱে নহয় কাবেৰী!"

আগে আগে দূবৰিক লৈ গৈ থকা কাবেৰীয়ে ঘূৰি চালে। সেই একেই লাজৰ আভা—চকামকা তৃপ্তিৰ ৰহণ আৰু শেষত প্ৰশান্তিময় হাঁহিটোৰে তাই ক'লে—

"দেখিবা নহয়! দুদিন পিছতে মোক আৰু দূবৰিক নিবলৈ আহিব তেওঁ।"

সিহঁত গ'লগৈ। শূন্য বাটটোলৈ চাই চাই মৃণালে ভাবিলে, হওক—পৰিপূৰ্ণভাৱে সুখী হওক তাই। শুভ কামনাৰ বাহিৰে তাইক দিবলৈতো একোৱেই নাই তাৰ। ......

পিছদিনা পুৱাতে গোটেই ঘৰখনত আনন্দৰ জোৱাৰ উঠিল। মৃণালৰ মাক-দেউতাক আৰু জুৰি পালেহি। মৃণালক আশ্চৰ্যান্বিত কৰি লগত আহিল অঞ্জন, শ্ৰুতি আৰু শান্তনু। মৃণালে ক'লে—

"তহঁত আহিলি যে!"

শান্তনুৱে কিবা এটা ক'বলৈ মুখ মেলোতেই অঞ্জনে তপৰাই ক'লে—"তই ইয়ালৈ একেবাৰে গুচি আহিলি বুলি শুনি আমি তোক শেষ বিদায় জনাবলৈহে আহিলো!"

মৃণালৰ দেউতাকৰ দৰে গহীন-গম্ভীৰ মানুহজনেও হাঃ হাঃ কৈ হাঁহি উঠিল অঞ্জনৰ কথাত। সকলোৰে লগতে হাঁহিব নোৱাৰিলে মাত্ৰ মৃণালে। ...... মান-অভিমানৰ দীঘলীয়া প্ৰক্ৰিয়াৰ শেষত ঘৰখনৰ গধুৰ বতাহজাক ওলাই

গৈছিল। দেউতাকে ককাকক চহৰলৈ নি ভালকৈ চিকিৎসা কৰাব প্ৰস্তাৱ দিছিল। সকলোৱে নিৰ্বিবাদে মানি লৈছিল। মাক আৰু খুড়ীয়েকে পাকঘৰত যা-যোগাৰ আৰম্ভ কৰিলেগৈ সকলোৱে মিলি ভালকৈ এসাঁজ খোৱাৰ মনেৰে। ......

আবেলি সদায় অহাৰ দৰে কাবেৰী আকৌ আহিল। ককাকৰ হাত-ভৰিবোৰ মালিচ কৰি দিলে—গৰম পানী কৰি দৰৱ খুৱাই দিলে। সেই শৈশৱৰে পৰা তাই ককাকৰ বৰ মৰমৰ আছিল। সেই মৰমৰ সঠিক মূল্য ৰাখিবলৈ তাই যেন যত্নপৰ হ'ল! শান্তনু, শ্ৰুতি আৰু অঞ্জনে ইতিমধ্যে সকলো জানি পেলাইছিল। এতিয়া কাবেৰী আৰু দূবৰিৰ স'তে চিনাকি কৰি দি মৃণাল বাহিৰলৈ ওলাই আহিল। দীঘল পদূলিটোৰ একেবাৰে মূৰত বৈ নঙলাডালত ভেঁজা দি দূৰণিলৈ চাই থাকিল সি। পশ্চিম আকাশত চতুৰ্দিশ ৰাঙলী কৰি ডুবিবলৈ ধৰা সূৰ্যৰ দৰে তাৰ মনটোও ভাৰৰ আকাশত ডুব গ'ল। বহুপৰ তেনেকৈ কটোৱাৰ পিছত কান্ধত এখন চেঁচা কোমল হাতৰ স্পৰ্শ অনুভৱ কৰিলে সি। মৃণালে ঘূৰি চালে। ......সেইজনী কাবেৰী নাছিল—সেইজনী আছিল শ্ৰুতি। মৃণালৰ দৰে তাইৰ সাঁচতীয়া আৱেগ তেতিয়ালৈ অহৈতুকী হৈ ৰোৱা নাছিল।

●●●

---

উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ ছাত্ৰী জলি বৰাৰ উক্ত গল্পটিয়ে আমি আয়োজন কৰা প্ৰতিযোগিতাত উদ্‌গনিমূলক বঁটা লাভ কৰিছে।

# চকুলোৰে ধোৱা এটি আবেলি

মানস প্ৰতিম ভড়ালী

এদিন মৃণাল ককাইদেউ আহিছিল......।

বাহিৰত উজ্জ্বল ৰ'দ। যোৱা চাৰিটা দিনৰ নেৰানেপেৰা বৰষুণৰ পিছত আজি এয়া এচমকা ৰ'দৰ মুখ দেখিছো। মনটো ভাল লাগি গ'ল। হাতত বহুপঠিত কিতাখনকে লৈ চোতালৰ মূৰৰ কৰৱীজোপাৰ তলত বহিলোহি। ভিতৰত মাৰ বক্‌বকনি। মই আগচোতালত ৰ'দ পুৱাই বহি থকাটো মাৰ সহ্যৰ বাহিৰত। মাৰ ভয় জানোচা কোনোবাই মোৰ কলংকিত ইতিহাস পুনঃস্মৰণ কৰায়। অৱশ্যে আজি মাৰ চিৰাচৰিত গালিলৈ কাণ নিদিলো। চকুৰ সন্মুখত ওলোমাই ৰাখিলো অদেখা-অজানা এখন নতুন পৃথিৱী। 'ৰুমীবা, আহিল।' উচাপ খাই উঠিলো। এয়া যে মোৰ পৰিচিত সাংকেতিক অৰ্থৰ দীৰ্ঘ প্ৰতীক্ষাৰত বাতৰিৰ আগমন! সন্তৰ্পণে বাবুলক গোহালি ঘৰৰ পিছফাললৈ মাতি আনিলো। মোৰ আগ্ৰাসী হাতত দুশাৰী আখৰৰ এখন অকণমান চিঠি। 'ধন্যবাদ দি তোক সৰু নকৰো। মোৰ শৈল হৃদয়ত এতিয়া নতুনকৈ জুৰি এটি ববলৈ লৈছে। অহা বৃহস্পতিবাৰে তোৰ কাষলৈ যাম।' তপ্‌কৈ বাবুলৰ ওফোন্দা গালখনত এটা চুমা দি দিলো। চঞ্চলা কিশোৰীৰ দৰেই উদ্দাম বতাহজাকে মোক স্পৰ্শ কৰি গ'লহি। মই যেন ঘূৰাই পাইছো কৈশোৰৰ সেই সেউজীয়া, সেই হাঁহি-আনন্দ-কান্দোন.......

'তুমি নাযাবা মৃণাল ককাইদেউ, তুমি নাযাবা।'— এয়া কাঞ্চন বৰুৱাৰ 'পুৱতি তৰা'ত অংকিত জয়াৰ সংলাপ নহয়। এয়া মোৰ নিজৰ সংলাপ। জয়াৰ সেই সংলাপৰ লগত মিল থাকক বা নাথাকক ক্ষতি নাই। কিন্তু সেইদিনা স্কুলৰ সন্মুখৰ বগৰীজোপাৰ তলত মৃণাল ককাইদেউৰ চাৰ্টত আকুলভাৱে খামুচি ধৰি মই চিঞৰি উঠিছিলো। মৃণাল ককাইদেউৰ মাতৃহাৰা জীৱনটোৰ ভিতৰুৱা সংঘাতৰ লগত পৰিচয় হোৱাৰ বয়স তেতিয়া হোৱা নাছিল মোৰ। সি নহ'লে যে আমাৰ নতুনকৈ গঢ়ি উঠা কিশোৰ-কিশোৰীৰ সংঘটো বন্ধ হৈ যাব সেই

আশংকাতে হাঁহাঁকাৰ কৰি উঠিছিলো। মৃণাল ককাইদেউ নাৰাজ। দেউতাক, খুৰীয়েকৰ অত্যাচাৰৰ পৰা হাত সৰাৰ উপায় বিচাৰি মৃণাল ককাইদেউৰ মামাকৰ ঘৰলৈ যাত্ৰা। মোৰ চকুপানী, গাঁওখনৰ মৰমে তাক টলাব নোৱাৰে। আমাৰ দলটোৰ মৰম, হেঁপাহ নেওচি সি গ'লগৈ। দিনবোৰ নতুনকৈ আৰম্ভ হ'ল। মৃণাল ককাইদেউ অবিহনে নিষ্ক্ৰিয় হৈ পৰা দলটোৰ আমি সৰ্বকনিষ্ঠ সদস্যকেইটাই হাইস্কুল এৰি কলেজ পালোগৈ। কিন্তু কলেজৰ নতুন বন্ধু-বান্ধৱেও আমাৰ মনৰপৰা মৃণাল ককাইদেউৰ অভাৱ দূৰ কৰিব নোৱাৰিলে।

অৱশ্যে এদিন মৃণাল ককাইদেউ আহিছিল। আহিছিল নহয়, আহিবলৈ বাধ্য কৰোৱা হৈছিল। সি গঢ়ি থৈ যোৱা সংঘৰ এজন সক্ৰিয় সদস্য বুদ্ধ ককাইদেউৰ বানপানীত ৰিলিফ দিবলৈ যাওঁতে নাৱৰপৰা পৰি মৃত্যু হোৱা বাবে মৃণাল ককাইদেউক জোৰকৈ মাতি অনা হৈছিল। সেইবাৰ সি এম.এচ.চি. ফাইনেল দিছে। দুচকুত নতুনকৈ সমাজ গঢ়াৰ স্বপ্ন। কিন্তু সি আগতকৈ বহুত সলনি হ'ল। তাৰ দুচকুৰ স্বপ্ন কৈশোৰৰ সেই মৃণালৰ স্বপ্নৰ সৈতে একে নহয়। এই স্বপ্ন নগৰীয়া সভ্যতাৰ চেঁকাৰে লুতুৰি-পুতুৰি এক ভুৱা ছলনা মাত্ৰ। তন্ন তন্নকৈ বিচাৰিও মই তাৰ দুচকুত আগৰ সেই চিৰসেউজ উচ্ছলতা বিচাৰি নাপালো। সেই চিনাকি দুচকুত মৰুভূমিৰ শুষ্কতা। ভাবলেশহীন, নিস্পন্দ চকুৰ দৃষ্টি। 'মানুহ মৰিবই। তাত আমাৰ কোনো হাত নাই। বুদ্ধ মৰিল। এতিয়া সকলোৱে লগলাগি বুদ্ধৰ শেষ কৃত্য ভালদৰে সমাপন কৰা উচিত।' আমিবোৰ স্তব্ধ হৈ পৰিছিলো। ইমান নিৰুত্তাপ কণ্ঠেৰে এইটো সেই তাহানিৰ মৃণালটোৱেইনে? মৃণাল ককাইদেউৰ পৰীক্ষাৰ ফিজ দিবলৈ বুলি ঘৰৰপৰা টকা চুৰি কৰি আনি যিটো বুদ্ধই দেউতাকৰ কঠোৰ শাস্তি মূৰ পাতি ল'বলগা হৈছিল, যিটো বুদ্ধ নহ'লে মৃণাল ককাইদেউৰ এটা মুহূৰ্তও চলা নাছিল, সেইটো বুদ্ধৰ মৃত্যুত মৃণাল ককাইদেউৰ এনে আচৰণে আমাক মৰ্মাহত কৰি তুলিলে। চহৰীয়া বতাহে তাৰ হৃদয়খন ইমান শিল কৰি পেলালেনে? নিৰ্বাক চাৱনিৰে আমি মাথো তাৰ নতুন চেহেৰাটো প্ৰত্যক্ষ কৰিছিলো।

এদিন হঠাৎ আমাক সকলোকে আচৰিত কৰি দি মৃণাল ককাইদেউ বিদ্ৰোহী সংগঠনত ভৰ্তি হৈছিল। ইমান ব্যক্তিকেন্দ্ৰিক মানুহটোৱে ব্যক্তিগত স্বাৰ্থ এৰি ৰাজহুৱা স্বাৰ্থৰ বাবে কাম কৰাৰ ধৃষ্টতা দেখি হাঁহি উঠিছিল আমাৰ। তাৰ এই চিন্তাৰ আঁৰত আন কিবা অভিসন্ধি লুকাই থকা নাইতো? কিন্তু আশ্চৰ্যজনকভাৱে তাৰ পৰিৱৰ্তন ঘটিছিল। তাৰ শুকাই যাব খোজা হৃদয়খনলৈ বিগত দিনৰ দেশপ্ৰেম আৰু চিনাকি সজীৱতা ঘূৰি আহিছিল। সশস্ত্ৰ সংগ্ৰামত

মই বিশ্বাসী নহয়। আমি খাটি খোৱা মানুহ। দুবেলা দুসাজ পেট ভৰাই খাই শান্তিৰে জীয়াই থাকিবলৈ পালেই আমি সন্তুষ্ট। তাতোকৈ উৰ্ধ্বত হাতত বন্দুক লৈ আৰু কিবা দাবী কৰাৰ ইচ্ছা আৰু মানসিকতা আমাৰ নাই। অথচ মৃণাল ককাইদেউৰ এই পৰিৱৰ্তনতে আমি সকাহ পাইছিলো। হওক তেওঁ, চহৰীয়া হৃদয়হীনতাৰ আবেষ্টনীৰ মাজৰপৰা ওলাই আহি সি যে দেশৰ বাবে খাটিছে। হওকেই বা সেয়া, সশস্ত্ৰ সংগ্ৰামৰ পথ।

এদিন মৃণাল ককাইদেউক কেন্দ্ৰ কৰি শান্ত, নীৰৱ গাঁওখনত সেনা নামিছিল। মাজনিশাৰ নিস্তব্ধতা ভেদ কৰি চাৰিওফালে মৰণকাতৰ আৰ্তনাদ, গছৰ পাত সৰোৱা কান্দোনৰ ধ্বনি। ঘণ্টাদিয়েকৰ পিছতে গাঁওখনলৈ নামি আহিছিল মৰিশালীৰ নিস্তব্ধতা। ঘূৰি যাওঁতে সেইজাকে কাৰোবাক দি থৈ গ'ল বলে নোৱাৰা যন্ত্ৰণাৰ বোজা, কাৰোবাৰ গৰ্ভত সিঁচি থৈ গ'ল এক অচিন ৰোগ— অবাঞ্ছিত সন্তান ধাৰণৰ সন্ত্ৰাস। 'শান্তিপুৰ' নামৰ মৰিশালীখনলৈ এদিন মৃণাল ককাইদেউ পুনৰ আহিছিল। কোনো এক মাজনিশা মোৰ ৰুমৰ খুলি দিয়া দুৱাৰেদি হুৰমুৰকৈ সোমাই আহিছিল সি। তাৰ ওপৰত মোৰ সমষ্ট খং, অভিমান, বেজাৰ থুপ খাই উঠিছিল। 'তোমাৰ অদূৰদৰ্শিতাৰ বাবেই আমাৰ এই শান্তিময় গাঁওখন আজি ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ ভেৰোণীয়া গুণ্ডামখাৰ পদদলিত হ'ল। দীপু, অৰনী, ধৰ্মেশ্বৰ দাইটিহঁতৰ পিঠিত বন্দুকৰ কুন্দাৰ প্ৰহাৰ পৰিল। নিভা, বকুলী, ৰেণু নবৌহঁত ধৰ্ষিতা হ'ল। কিয় মৃণাল ককাইদেউ? কিয় তুমি সশস্ত্ৰ সংগ্ৰামৰ পথ ল'বলৈ গ'লা? দেশ উদ্ধাৰৰ আন একো ৰাস্তা নাছিলনে? তোমাৰ বাবেই আজি আমাৰ এই অৱস্থা হ'ল মৃণাল ককাইদেউ। তোমাৰ বাবেই।'

অন্তৰত বহু কথাই উক্‌মুকাই উঠিলেও মুখ ফুটি এটাও কথা ওলাই নাহিল। বেৰত আউজি মাথো শাৰীৰিক-মানসিকভাৱে দুৰ্বল হৈ স্থান-কালৰ সংকোচ এৰি মোৰ বিছনাখনতে বহি পৰা মৃণাল ককাইদেউৰ শীৰ্ণ, বিধ্বস্ত ৰূপটো প্ৰত্যক্ষ কৰিলো। এইটো মানুহৰ ওপৰত খং, অভিমান কৰি লাভ কি? আজি হাজাৰ হাজাৰ বঞ্চিত নিবনুৱা যুৱকে হাতত বন্দুক তুলি লৈছে। সিহঁত সকলোৰে ওপৰত আমি অভিমান কৰিব পাৰিম জানো? 'ৰুমী!' বহুদূৰৰপৰা ভাঁহি অহা যেন লগা শব্দটোত মূৰ তুলি চালো। ইমান আকুতিৰে ভৰা এটা মাথোন শব্দ! 'মই জানো ৰুমী, তহঁত সকলোৱেই মোক অভিশাপ দিছ। দিবিয়েই। এয়া মোৰ প্ৰাপ্য। কিন্তু মোৰ উপায় কি ৰুমী? চহৰীয়া ব্যক্তিকেন্দ্ৰিক বতাহজাকে মোক স্পৰ্শ কৰিলেও মই যে মোৰ হেঁপাহৰ অতীতক একেবাৰে

দলিয়াই পেলাব নোৱাৰিলো।' গাঁৱৰ সংস্পৰ্শৰপৰা আঁতৰি থাকি মোৰ জীৱন গঢ়াৰ চাবি-কাঠি হস্তগত কৰিলেও তহঁতবোৰকযে মই পাহৰি যাব নোৱাৰিলো।' নেকান্দিলেও মৃণাল ককাদেউৰ কথাকেইযাৰ যেন চকুলোৰেই নামান্তৰ। 'অভিশাপ তোমাক কোনেও দিয়া নাই মৃণাল ককাইদেউ। এয়া আমাৰ ভাগ্যৰে দোষ বুলি ধৰি লৈছো। সশস্ত্ৰ সংগ্ৰাম আমি সমৰ্থন নকৰিলেও তুমি যে সমাজৰ কাৰণে, দেশৰ কাৰণে নিস্বাৰ্থভাৱে কাম কৰিবলৈ চেষ্টা কৰিছা তাতেই আমাৰ আনন্দ।' নিস্তব্ধতাৰে পাৰ হ'ল বহু সময়। 'বকুলী, ৰেণু নবৌ, নিভাহঁতৰ কথাবোৰ শুনিছোঁ। কিন্তু মই কৰিম কি? অক্ষম মই। তইতো জান মই ঈশ্বৰক বিশ্বাস নকৰো। অথচ আজি সকলোবোৰ দেখি-শুনি ঈশ্বৰৰ হাতত সমস্ত এৰি দিছো। কিন্তু..... সিহঁতে তোৰো একো অনিষ্ট কৰা নাইতো ৰুমী?' মই কঁপি উঠিলো। কি উত্তৰ দিম? কেনেকৈ কম মোৰ কথাবোৰ? 'ক' ক' ৰুমী। মৌন হৈ নাথাকিবি। মৌনতালৈ মোৰ খুউব ভয় লাগে। শুনিবলৈ অপ্ৰিয় হ'লেও কথাবোৰ তই কৈ দে ৰুমী।'

মৃণাল ককাইদেউ বহাৰপৰা উঠি আহিব খুজিছিল। মোৰ ভয় হ'ল জানোচা সি মোৰ অশুচি দেহটো স্পৰ্শ কৰে। 'নুচুবা, তুমি মোৰ অশুচি দেহটো নুচুবা মৃণাল ককাইদেউ। সেই পাষণ্ডহঁতৰ কলংক ময়ো মোৰ গৰ্ভত কঢ়িয়াই ফুৰিছোঁ। তুমি আঁতৰি যোৱা। মোৰ ওচৰৰপৰা তুমি আঁতৰি যোৱা মৃণাল ককাদেউ।' মৃণাল ককাইদেউক আঁতৰি যাবলৈ কৈ এটা সময়ত ময়ে তাৰ আঁঠুত মূৰ গুজি সশব্দে কান্দি উঠিছিলো। মোৰ অতদিনৰ স্তূপীকৃত চকুপানীবোৰ বৰফ গলাদি গলিবলৈ আৰম্ভ কৰিছিল। 'নাকান্দিবি ৰুমী। তহঁতৰ এই অপমানৰ উচিত প্ৰত্যুত্তৰ আমি এদিন দিম। এদিন সিহঁতে এই অপমানৰ শাস্তি মূৰ পাতি ল'বই লাগিব। মোক এৰি দে ৰুমী। মই এতিয়া যাওঁ'। মৃণাল ককাইদেউ যাবলৈ উঠিছিল। 'কিবা এটা খাই যোৱা মৃণাল ককাইদেউ।' মোৰ কণ্ঠত মিনতি। 'নালাগে ৰুমী। মই আকৌ আহিম। অন্যৰ নহ'লেও তোৰ খবৰ কৰিবলৈ সময়-সুবিধা উলিয়াই মই এদিন আহিম।' খৰধৰকৈ সি গ'লগৈ। মনটো মোৰ সংশয়ৰ মাজত দুলি থাকিল। আহিবনে সি? সেনাৰ শেনচকুত ধূলি মাৰি আকৌ এবাৰ আহিব পাৰিবনে সি? 'হে প্ৰভু, তুমি মোৰ মৃণাল ককাইদেউক জীয়াই ৰাখা। সি মোৰ ওচৰলৈ আহিব নালাগে। চকুৰে নেদেখিলেও সি জীয়াই থকা বুলি শুনিলেই মই শান্তি পাম প্ৰভু।' হাতজোৰ কৰি অস্ফুটভাৱে কৈ উঠিছিলো।

'ৰুমীবা, এই ৰুমীবা, মই যাওঁ নহয়। মোক এৰি দিয়া।' বাবুলৰ মাতত মই বাস্তৱলৈ ঘূৰি আহিলো। ছিঃ বাবুলক ধৰি ৰাখি কিবোৰ ভাবি যে মই তন্ময় হৈ আছিলো। বাবুলক এৰি দিলো। দৌৰি যোৱা সৰু ল'ৰাটোলৈ চাই মোৰ এনেয়ে অকণমান লাজ লাগিল। ইমাননো আপোনপাহৰা হ'ব লাগেনে মই? লাজ লাজকৈ অকণমানি চিঠিৰ টুকুৰাটো আকৌ এবাৰ পঢ়িলো। আৰে, বৃহস্পতিবাৰ দেখোন আজিয়েই। তাৰমানে মৃণাল ককাইদেউ মোৰ ওচৰলৈ আজিয়েই আহিব? মনটো দেখোন মোৰ কেনেবাখন লাগিল। সি নহা হ'লেই ভাল আছিল হয়তো। লাহে লাহে আগফালৰ চোতাললৈ আহিলো। সতৃষ্ণ নয়নেৰে আলিবাটলৈ চালো। অথচ মনটোত উদ্বিগ্নতা।

পদূলিৰ জপনা খোলাৰ শব্দ। পুলিচী মেজাজেৰে মঞ্জিল সোমাই আহিছে। তীব্ৰ ঘৃণাত মোৰ ওঁঠ কোঁচ খাই গ'ল। সহপাঠী হ'লেও মঞ্জিল মোৰ ঘৃণাৰ পাত্ৰ। পৃথিৱীৰ সমস্ত নিৰ্দয়তাৰে পৰিপূৰ্ণ তাৰ হৃদয়। মাক-দেউতাকে হয়তো তাৰ নাম চৰিত্ৰৰ লগত মিলাকৈয়ে ৰাখিছিল। নিজৰ লক্ষ্য পাবৰ বাবে সি যিকোনো কামেই নিৰ্বিবাদে কৰি যাব পাৰে। দেশৰ এই পৰিস্থিতিত মোটা মুনাফা লাভৰ আশাত মঞ্জিল এতিয়া সেনা আৰক্ষীৰ বিশ্বস্ত কৰ্মচাৰী। এক কথাত চোৰাংচোৱা। শুনামতে আমাৰ সদা শান্ত গাঁওখনতো আৰ্মি নমোৱাৰ গুৰিতে সিয়েই। 'হেল' ৰুমী, কি খবৰ?' মই মাত নিদিলো। জানো, মাত দিবলৈ যোৱা মানেই এখন সৰু-সুৰা ৰণক্ষেত্ৰৰ সৃষ্টি হোৱা। 'তুমি যিমানেই মৌনতা অৱলম্বন নকৰা কিয় ৰুমী, মই কিন্তু তোমালোকৰ সকলোবোৰ খবৰেই সংগ্ৰহ কৰি পেলাইছো। দুমাহমানৰ আগতে তোমাৰ ওচৰলৈ মৃণাল আহিছিল। সি আজি আকৌ আহিব। হয়নে নহয়?' মঞ্জিলৰ শগুণ দৃষ্টি।

উত্তৰ দিবলৈ মোৰ ভাষা নাছিল। তথাপি সহজে ধৰা নিদিলো। 'এইবোৰ খবৰ তোমালোকে জানা। মোৰ কি গৰজ পৰিছে লোকৰ খবৰ লৈ ফুৰিবলৈ?' 'হাঃ হাঃ হহুঁৱালা ৰুমীদেৱী। তোমাৰ প্ৰিয়জনৰ খবৰ মই ল'ম নে তুমি? মৃণালৰ খবৰ লোৱাটো তোমাৰ অতি প্ৰয়োজনীয় কৰ্তব্য।' মঞ্জিলৰ তীৰ্যক ঠাট্টাই মোক উত্তেজিত কৰি তুলিছিল। 'চুপ থাকা মঞ্জিল। লাজ নালাগে তোমাৰ এনেকৈ হাঁহিবলৈ? সহপাঠী হিচাপে তুমি মোৰ এই অৱস্থাৰ প্ৰতি কিমান সহৃদয় হ'ব লাগিছিল। কিন্তু তাৰ পৰিৱৰ্তে তুমি মোৰ লগত এনে নিৰ্দয় ব্যৱহাৰ কৰিছা। তোমাৰ প্ৰেমৰ প্ৰস্তাৱ অস্বীকাৰ কৰা বাবেই তুমি মোৰ ওপৰত প্ৰতিশোধ ল'ব আহিছানেকি?' 'আহ্ মোক ইমান নিম্নখাপৰ মানুহ বুলি নাভাবিবাচোন। সেইবোৰ প্ৰেমৰ ল'ৰা-ধেমালি মই কেতিয়াবাই বাদ দিলো। মই এতিয়া

ব্যক্তিগত লাভালাভ— মানে টকা-পইচাৰ ওপৰতহে অধিক গুৰুত্ব দিওঁ আৰু তুমি স্বীকাৰ নকৰিলেও আমি ইতিমধ্যে সকলোৱে প্ৰমাণ পাই গৈছো। সেনা বা আৰক্ষীৰ লগত মৃণালৰ সন্মুখ যুদ্ধ এখন হওক, বৰ কষ্টকৰ মৃত্যুক সি সাবটি লওক, তাতকৈ চাৰেণ্ডাৰ কৰিবলৈকে পৰামৰ্শ দিয়া ৰুমী। আচলতে তোমাৰ কষ্ট মোৰ সহ্য নহয়তো।' মঞ্জিলে চিগাৰেট এটা জ্বলাই ল'লে। মোৰ অসহ্য হ'ল। 'stop, stop it মঞ্জিল। তুমি.....তুমি এটা ভণ্ড, পিশাচ....।'

হঠাৎ ফোপাই-জোপাই দৌৰি অহা বাবুলক দেখি চক্ খাই গ'লো। সি অকণমান আগতে ইয়াৰপৰা গৈছিলহে। 'মৃণাল ককাইদেউক আৰ্মিয়ে মাৰিলে ৰুমীবা। চাৰিআলিতে লাচটো পৰি আছে।' মোৰ ভৰিৰ তলৰ পৃথিৱীখন আঁতৰি যোৱা যেন লাগিল। সময় যেন স্তব্ধ হৈ পৰিছে মোৰ বাবে। সঁচানে? সঁচানে এয়া? 'ঐ পোৱালি, সেইটো মৃণালৰ লাচ বুলি তই কেনেকৈ গম পালি?' মঞ্জিলে বৰ নিষ্ঠুৰভাৱে প্ৰশ্ন কৰিলে। 'ধেৎতেৰি, গম নাপাম কেলেই? সকলোৱে দেখিছে। দীপুদা, অৱনীদাহঁত তাতে আছে।' বাবুল আকৌ দৌৰিছিল। মোৰ সকলোবোৰ খেলি-মেলি লাগি গ'ল। মোৰ-মোৰ দোষৰ বাবেই মৃণাল ককাইদেউ এনেকৈ মৰিবলৈ পালে। মই যদি তাক মোৰ ওচৰলৈ আহিবলৈ বাধা দিলোহেঁতেন.....। 'মৃণাল ককাইদেউক তুমি বিচাৰিছিলা নহয় মঞ্জিল। যোৱা, লৈ যোৱাগৈ। তাক জীয়াই থাকোতে নিব নোৱাৰিলা। মৰাশটোকে লৈ যোৱাগৈ। মই কি কৈছো শুনিছানে? শুনিছানে মঞ্জিল? যোৱা, তাক লৈ যোৱা।' মোৰ মূৰটো ঘূৰাবলৈ আৰম্ভ কৰিছিল। কৰবীজোপাৰ গাত ধৰি সশব্দ কান্দোনত ভাগি পৰিছিলো মই। বুকুৰ মাজত মৃণাল ককাইদেউ চিঠিৰ টুকুৰাটো। '.....অহা বৃহস্পতিবাৰে তোৰ কাষলৈ যাম।' মোৰ কাণৰ কাষত অনুৰণিত হৈ থাকিল, আজি বৃহস্পতিবাৰ, আজি বৃহস্পতিবাৰ। মৃণাল ককাইদেউৰ মৰাশটো চাবলৈ মানুহবোৰে হিল-দ'ল ভাঙি দৌৰিছিল।

●●●

---

ধেমাজী কলেজৰ ছাত্ৰ মানস প্ৰতিম ভড়ালীৰ উক্ত গল্পটিয়ে আমি আয়োজন কৰা প্ৰতিযোগিতাত উদ্‌গনিমূলক বঁটা লাভ কৰিছে।

# অলপ আশ্ৰয়

**দেৱব্ৰত দাস**

তীব্ৰ বেগেৰে আহি থকা ট্ৰাকখনৰ সমুখত ধপহ্‌কৈ কিবা এটা পৰিল। অমৃক সিং তেতিয়া ব্যস্ত আছিল সমুখৰ পৰা আহি থকা ট্ৰাক তিনিখনমানক ৰাস্তাৰ সোঁপিনে যাব পৰাকৈ ঠাই এৰি দিয়াত। সেয়ে অমৃকে ভালকৈ দেখা নাপালে বস্তুটো কেনেকৈ ট্ৰাকৰ সন্মুখত পৰিল। তথাপি অমৃক সিং পুৰণি পাকৈত ড্ৰাইভাৰ। তীব্ৰ বেগত থকা সত্ত্বেও সতৰ্কতাৰে ব্ৰে'ক আৰু ক্লাচ্‌ টিপিলে অভ্যস্ত দুভৰিৰ পতাৰে। ট্ৰাকখন বস্তুটোক স্পৰ্শ নকৰাকৈ অলপ দূৰত সমুখতে ৰৈ গ'ল। ক্লিনাৰ বিল্লাৰ সৈতে চৰ্দাৰ অমৃক সিং নামি গ'ল ট্ৰাকৰ পৰা। গৈ দেখিলে ট্ৰাকৰ সমুখত মৃতপ্ৰায় ডেকা এজন। মুখ আৰু শৰীৰৰ নানা ঠাইত তেজেই তেজ।

—দেখ অ'য়বিল্লে' — জিন্দা হেয় য়া মৰ্‌ গয়া?

বিল্লা মৃতদেহৰ ওচৰলৈ গৈ উত্তৰ দিলে—জীয়াই আছে চৰ্দাৰজী, পিছে বেছি পৰ টিকি নাথাকিব। ইয়াক ইয়াতে এৰি থৈ যোৱাই ভাল হ'ব।

ট্ৰাকৰ ভিতৰৰ পৰা অলপ আগেয়ে চাৰে চাৰিমান বজাত লগোৱা কেছেটটোৰ পৰা ৰাতিপুৱাৰ পাঞ্জাৱী ভাষাৰ শবদ কীৰ্তন গুৰুবাণীৰ ধাৰ্মিক নিৰ্দেশবোৰৰ সুৰ ভাঁহি আহি আছিল। অমৃক সিঙে প্ৰতি ৰাতিপুৱা গুৰুসকলৰ সাংগীতিক বন্দনা শ্ৰৱণেৰে দিনটোৰ বাবে নিজকে পৱিত্ৰ আৰু সাজু কৰি লয়। ওৰে দিনটো যাতে গুৰুৰ প্ৰতি ভক্তি আৰু নিষ্ঠাৰে তথা সততাৰে পাৰ কৰিব পাৰে। বিল্লাৰ কথাত বিৰক্ত হ'ল অমৃক। মানুহ এজন মৃত্যুৰ দুৱাৰডলিত। এনে এজনক সহায় নকৰাকৈ এৰি থৈ যাব এজন প্ৰকৃত বাহাদুৰ বীৰ শিখ পুৰুযে— এনে কথা কেতিয়াও হ'ব নোৱাৰে।

বিল্লাই আকৌ ক'লে—চৰ্দাৰজী য়ে আচাম্‌ হেয়। ইয়াত বহুত উল্টা-চিধা কাম হৈ থাকে। বুদ্ধিমানৰ কাম হ'ল—আনৰ কাম-কাজত মূৰ নুসুমোৱাকৈ পলাই যোৱা।

—অয়ে' তু ভাগ্‌নেদী গল্ কিয়াচী—ভাগে' তেৰা দুচমন। চল পকড় ইচে'। ধৰ, উঠা ইয়াক। চৰ্দাৰ অমৃক সিঙে বিল্লাক নিৰ্দেশ দিলে। বিল্লাই নিৰ্দেশ মানি তেজেৰে তুমৰ্‌লি হৈ থকা দেহাটোৰ দুই কান্ধত ধৰি তুলিলে আৰু অমৃকে দুই ভৰিত ধৰি তুলি মানুহজনক ডাংকোলাকৈ ট্ৰাকৰ পিছপিনৰ খালী ঠাইলৈ লৈ গ'ল।

গুৱাহাটীৰ পূৱ দিশৰ নাৰ্চিং হ'ম এখনৰ সমুখত ট্ৰাকখন ৰ'লগৈ। নাৰ্চিং হ'মৰ ৰিচিপচনৰ মানুহে ৰাতি ডিউটিত থকা ডাক্তৰজনৰ পৰামৰ্শ লৈ আঘাতপ্ৰাপ্ত মানুহজনক ভিতৰলৈ লৈ অনাৰ ব্যৱস্থা কৰিলে। অমৃক সিঙক ক'লে—এইটো পুলিচ কেচ। গতিকে আপুনি থাকিব লাগিব। ভাগ্য ভাল আছিল এজন পুলিচ অফিচাৰ নাৰ্চিংহ'মতে আছিল আন এটা কেচৰ তত্ত্বাৱধানত। তেওঁ অমৃকৰ পৰা ঘটনাৰ সবিশেষ বৰ্ণনা লৈ ট্ৰাকখনৰ নম্বৰ টুকি লৈ অমৃকক যাবলৈ দিলে।

অমৃকে আকৌ ট্ৰাক ঘূৰাই নেচনেল হাইৱেৰ পিনে পোনালে। অমৃক সিঙে ট্ৰাক চলোৱা কেতিয়াবাই এৰিলে। এতিয়া বয়স হৈছে। দুই পুতেক বিদেশত। গাঁৱৰ খেতি-বাতি চায় ভতিজাক এজনে। অমৃকে এতিয়া সেই ভতিজাককে খেতি-বাতিত সহায়-পৰামৰ্শ দি সময় কটায়। তাৰেই এটা ট্ৰাক ড্ৰাইভাৰ ভায়েক হঠাৎ অসুখত পৰিল। তাৰ পৰিৱৰ্তে শেষ মুহূৰ্ত্তত অসমৰ কাছাৰলৈ ট্ৰাক লৈ যোৱা ট্ৰিপ এটাৰ বাবে ড্ৰাইভাৰ বিচাৰি হায়ৰাণ হোৱাৰ শেষত অমৃকেই উপায় দিলে—ময়েই যাওঁ দে। সেইবোৰ ৰাস্তা মোৰ তেনেই চিনাকি।

ভতিজাক প্ৰথমতে অমান্তি হৈছিল। দিন-কাল বেয়া হৈছে। অসমত আলফা, বড়ো উগ্ৰপন্থী, বিহাৰ-নেপাল ব'ৰ্ডাৰত মাওবাদী আৰু গোটেই ৰাস্তাত চোৰ-ডকাইতৰ আকাল নাই। তাৰ ওপৰত আকৌ নৰ্থ-ইষ্ট পুলিচৰ জোৰ-জুলুম, ঘোচৰ উৎপাত।

অমৃক সিঙে ক'লে—মোক সেইবোৰ ভয় নেদেখুৱাবি। সেইবোৰৰ মাজেৰেই ত্ৰিশ বছৰ ট্ৰাক চলালো। তদুপৰি বহুদিন গুলাবো'ক দেখা নাই। তাইৰ খবৰ-খাতিও লোৱা নাই।

গুলাবো' আচলতে গোলাপী। বৰমা অঞ্চলত এখন হোটেল আছিল তাইৰ। এজন শিখৰ হাতত ইন্দিৰা গান্ধী নিধনৰ সময়ত সেই বিধৱা গোলাপীৰ হোটেলতে দীঘলীয়া কেইদিনমান কটাইছিল অমৃকে। লগৰ পাঞ্জাৱী শিখ ড্ৰাইভাৰবোৰে খবৰ লৈ আনিছিল —এইকেইদিন বেংগল, বিহাৰ, দিল্লীৰ

মাজেৰে নোযোৱাই ভাল। তাত শিখসকলক জনতাই দুৰ্ব্যৱহাৰ কৰি আছে। বৰঞ্চ অসমত কোনো অসুবিধা হোৱা নাই শিখসকলৰ। সেয়েহে অমৃক ৰৈ গ'ল গুলাবোৰ হোটেলত। গোলাপীয়ে সেইকেইদিন বৰ পৰিচৰ্যা কৰিলে অমৃকৰ। তাৰ পিছৰ পৰা আহোঁতে যাওঁতে অমৃকে সদায় তাইৰ খা-খবৰ কৰি যায়। গোলাপীৰ বাবে ইটো-সিটো উপঢৌকন লৈ আহে।

তথাপি ভতিজাক সহজে মান্তি হোৱা নাছিল। দুসপ্তাহমানৰ পিছত অমৃক সিং ইংলেণ্ডলৈ যোৱাৰ কথা। সৰু পুতেকৰ ঘৰলৈ, য'ত তেওঁৰ স্ত্ৰী চিকিৎসাধীন হৈ আছে। এইকেইদিনত যদি কিবা অঘটন হৈ যায় তেনেহ'লে তেওঁৰ বিদেশ যাত্ৰাও নহ'বগৈ। সকলো খেলিমেলি হৈ যাব। তথাপি অমৃক সিঙে নেমানিলে। জোৰকৈ ট্ৰাক লৈ উত্তৰ-পূব সীমান্তলৈ গুচি আহিল। গুৰুদ্বাৰত 'মৎথা টেকি'— মূৰ দোঁৱাই।

বিল্লাই ভোৰভোৰাবলৈ ধৰিলে—মই কৈছিলোঁৱেই এইবোৰ জঞ্জালত নপৰিবলৈ। কোনোবাই ডে'ডবডি ৰাস্তাত পেলাই থৈ গৈছে, যাওক। তাক বচাবলৈ কিয় গাত পাতি আগবাঢ়ি আহিব লাগে হাস্পতাললৈ নিবলৈ? এতিয়া, বাটে-বাটে পুলিচী জুলুম আৰম্ভ হ'ব। পঞ্জাবলৈ যোৱা পলম হৈ যাব। অনাহকতে।

অমৃক সিঙে অলপ বিৰক্তিৰে বিল্লাক ধমক দিলে—অ'য় বিল্লে, তু চুপভী কৰেগা? কব্‌চে কিয়ে' জা ৰহা হেয়। মেই গড্ডী চলাউ য়া তেৰী বক্‌বক্ চুনুঁ? মই গাড়ী চলাওঁ নে তোৰ বকবকনি শুনো? মনে মনে থাক।

জালুকবাৰী থানাৰ ওচৰত আকৌ সিহঁতৰ ট্ৰাকখন ৰখালে পুলিচ এজনে। বিল্লাই অভ্যস্তভাৱে চোলাৰ জেপৰ পৰা টকাৰ এখিলা নোট উলিয়ালে। পুলিচজনে নোট খিলা প্ৰত্যাখ্যান কৰি ক'লে—থানালৈ ব'ল। অফিচাৰে এই নম্বৰৰ গাড়ী থানালৈ লৈ যাব কৈছে।

অ'চিৰ লগত আন এজন পুলিচ অফিচাৰ বহি আছিল। অমৃক সিঙক থানাত সোমোৱা দেখিয়েই তেওঁ কৈ উঠিল—ইচোন তেনেই বুঢ়া। এইটো ড্ৰাইভাৰক থাৰ্ড ডিগ্ৰী কেনেকৈ দিবা?

অ'চিজনে উত্তৰত সুধিলে—নহ'লেনো তাৰ পেটৰ কথা ওলাব কেনেকৈ? ৰক্তিমক কোনে মাৰিলে কেনেকৈ জনা যাব?

বেছ কিছুপৰ জবানবন্দী লোৱাৰ পিছত পুলিচ অফিচাৰকেইজন পতিয়ন গ'ল যে এই ধৰ্মভীৰু শিখ ড্ৰাইভাৰজন সঁচাকৈয়ে হত্যাকাৰী দলটোৰ সৈতে জড়িত নহয়। তথাপি যেতিয়া ড্ৰাইভাৰজনে জনালে দুসপ্তাহমানৰ পিছত তেওঁ

ইংলেণ্ডলৈ যোৱাৰ কথা, তেতিয়া অলপ সন্দেহ জাগিছিল। বুঢ়াৰ আন্তঃৰাষ্ট্ৰীয় আতংকবাদীৰ গ্ৰুপবোৰৰ সৈতে সংশ্ৰৱ নাইতো? এইটো আন্তঃৰাষ্ট্ৰীয় ষড়যন্ত্ৰৰ অংশ নহয়তো? কিন্তু যেতিয়া অমৃক সিঙে সৰু পুতেকৰ ফটোখন উলিয়ালে আৰু ফটোখনত দেখা গ'ল পুতেক ইংলেণ্ডৰ পুলিচৰ ইউনিফৰ্ম পৰিহিত তেতিয়া সহজেই সেই সন্দেহৰো নিৰসন হ'ল।

পুনৰ ট্ৰাকত বহি অমৃক সিঙে ব্ৰহ্মপুত্ৰৰ দলঙৰ পিনে আগবাঢ়ি গ'ল। বিল্লাই ক'লে—বাবুজী এইবাৰ কাণে কাণ মাৰিহে সাৰি আহিলো। আগলৈ জীৱনত এনে ভুল নকৰো আৰু। ৰাস্তাৰ মানুহক সহায় কৰিবলৈ যোৱাটো ডাঙৰ মূৰ্খামি। অলপ হ'লেই এতিয়া আমি জে'লত 'চাক্কি' পিহিব লাগিলহেঁতেন।

অমৃক সিঙে তাক সুধিলে—অচ্ছা, বিল্লা, তইতো এইবোৰ ঠাইলৈ অহা-যোৱা কৰি থাক। মইহে এইবোৰ ঠাইলৈ বহুদিন অহা নাই। ইয়াত এইবোৰ মাৰ-পিট, খুন-জখম আতংকবাদী আৰ্মি, চি. আৰ. পিৰ ঝামেলা ইমান বেছি কিয়?

ট্ৰাকত তেতিয়া ৰব্বী সিং গিলৰ গান কেছেট ৰেকৰ্ডাৰত বাজি আছিল।

......জুগনী জা ৱড়ী পাঞ্জাৱ
জিত্থে পঢ়ে' লিখে' বেকাৰ
বে'চ জমীনা যাৱন্ বাহৰ
উত্থে' মাৰন ঝাড়ু......

(জুগনীয়ে এইবাৰ গৈ পালে পাঞ্জাৱ, য'ত লিখা-পঢ়া শিকা যুৱকবোৰ বেকাৰ হৈ বহি আছে। তেওঁলোকে কৰে কি—মাটি ঘৰ বিক্ৰী কৰি বিদেশ পায়গৈ। আৰু তাত চাকৰি-বাকৰি নেপালে ঝাড়ুৱালা জমাদাৰ হয়গৈ।)

বিল্লাই ক'লে—চৰ্দাৰজী, গাল্ শুন'। গানত যিদৰে কৈছে পঞ্জাৱত পঢ়া-লিখা শিকা যুৱকবোৰ বেকাৰ। চাকৰি নেপাই বিদেশ পায়গৈ ঘৰ-মাটি বিক্ৰী কৰি। ইয়াত অসমত বেকাৰবোৰে কৰে কি? বন্দুক-বাৰুদ উঠাই লয়।

উগ্ৰপন্থী হৈ যায়। পুলিচ আৰ্মিৰ সৈতে যুদ্ধ কৰে। আৰু তামাম জনতাক বিপদত পেলায়। আমি আজিয়েই কমখন লটি-ঘটি হ'লোনে?

অমৃক সিঙে সুধিলে—অ' তাৰ মানে আমি যিজনক বচাবলৈ হাস্পতাললৈ নিলো তাক মাৰিছিল উগ্ৰপন্থীবোৰে। সি পুলিচৰ চোৰাংচোৱা আছিল নেকি?

বিল্লাই উত্তৰ দিলে—আৰে' চৰ্দাৰজী, এইবোৰ খুটিনাটি বিচাৰি হায়ৰাণ হোৱাৰ কোনো দৰ্কাৰ নাই। তুমি গাড়ী চলোৱা ড্ৰাইভাৰ। গাড়ী চলাই থকা। স্পীড দিয়া। ৰাস্তা ভাল আছে। সোনকালে ঘৰ পাবগৈ লাগে। পাঞ্জাৱ পাবগৈ লাগে।

কিছুদূৰ যোৱাৰ পিছত অমৃক সিঙে দেখিলে এখন মাৰুতী জিপচী তীব্ৰবেগেৰে সিহঁতৰ ট্ৰাকখন অ'ভাৰটে'ক কৰি আগুৱাই গ'ল। তাৰ পিছত আচৰিত হৈ অমৃকে দেখিলে—মাৰুতী জিপচীখনে বেঁকাকৈ ৰাস্তাটো আগুৰি ৰৈ গ'ল। অমৃকে ব্ৰে'ক মাৰি ট্ৰাক ৰাখিবলৈ বাধ্য হ'ল। মাৰুতী জিপচীখনৰ পৰা কেইবাজনো ব্যক্তি নামি আহিল। তেওঁলোকৰ হাতে-হাতে আগ্নেয়াস্ত্ৰ। অমৃকে বিল্লাক সুধিলে—এইবোৰ পুলিচ নেকি? চিভিল ড্ৰেচ পিন্ধা পুলিচ?

বিল্লাই প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ ট্ৰাকৰ দুৱাৰ খুলি পিছ পিনলৈ দৌৰ লগালে। সমুখৰ পিনে চাই অমৃকে দেখিলে কেইজনমান যুৱক তাৰ পিনে আগবাঢ়ি আহিছে উদ্যত আগ্নেয়াস্ত্ৰ লৈ। অমৃক সিঙে দুৱাৰ খুলি তললৈ নামি গ'ল। অমৃক সিঙৰ অলপ ভয় লাগিল—আজিয়েই তাৰ জীৱনৰ শেষ মুহূৰ্ত্তটো কাষ চাপি আহিল নেকি?

এনেতে অদূৰৰ পৰা এটা চিঞৰৰ ভাঁহি আহিল। এজনী মহিলাই ঢাপলি মেলিছে তাৰ পিনে চিঞৰি চিঞৰি। অসমীয়াতে কি চিঞৰিছে অমৃকে বুজি নাপালে। তাই চিঞৰিছিল—বাপাহঁত, এই বুঢ়াটোক নামাৰিবি। এই বুঢ়াটো বৰ ভাল মানুহ। ইয়াক নামাৰিবি বাপাহঁত।

অমৃকে বুজি পালে—গুলাবো'। গুলাবো' আহিছে তাক বচাবলৈ। গুলাবো'ক এইবোৰ গুলি-পিষ্টলৰ কাষলৈ আহিবলৈ দিব নোৱাৰি। তাইৰ বিপদ হ'ব। জানি শুনি ভনীজনীক এনেকৈ বিপদৰ মাজলৈ টানি আনিব নোৱাৰি। সেয়ে অমৃকেও তাই দৌৰি অহা অৰয়বটোৰ পিনে এটা নিৰ্দ্দেশ দিবলৈ চেষ্টা কৰিলে—গুলাবো' ইধৰ মত আনা। য়হাঁ খত্ৰা হেয়। ইয়াত বিপদ। ইয়ালৈ নাহিবি।

আচৰিত হৈ অমৃকে অনুভৱ কৰিলে তাৰ ইচ্ছাটোক তাৰ কথন শক্তিয়ে জিভালৈ লৈ যাব পৰা নাই। সি মাত মাতিব পৰা নাই। হঠাৎ সি অনুভৱ কৰিলে তাৰ দুভৰিৰ শক্তিখিনিও লাহে লাহে লোপ পাব ধৰিছে। ঠাইতে লেউ-সেউ হৈ বাগৰি পৰাৰ আগমুহূৰ্ত্তত অমৃকে অনুভৱ কৰিলে এজনী মৰমীয়াল বয়সীয়া ভনীয়েকে তাইৰ আশ্ৰয় আগবঢ়াই দিছে সুদূৰ পাঞ্জাৱৰ এজন অচিনাকি আপোনজনলৈ। সি এইবাৰ নিশ্চিন্ত মনে টোপনি গ'ল।

শিখ ড্ৰাইভাৰজনক গুলীয়াই হত্যা কৰিবলৈ অহা যুৱককেইজন থমকি ৰ'ল। তেওঁলোকক কোৱা হৈছিল, আজি ৰাতিপুৱা চলন্ত ট্ৰাকৰ সমুখত দলিয়াই হত্যা কৰিব খোজা শত্ৰুজনক এজন শিখ ড্ৰাইভাৰে হয়তো বচাই দিলে হাস্পতাললৈ নি। এতিয়া শত্ৰুজনৰ পৰা সিহঁতৰ গোপন খবৰ এই শিখ ড্ৰাইভাৰজন অথবা পুলিচে ইতিমধ্যে পাই গৈছে। ড্ৰাইভাৰজনক তৎক্ষণাৎ বিদায় দিয়াৰ দৰ্কাৰ। জালুকবাৰীৰ পৰা অনুসৰণ কৰি পাতলীয়া ঠাই পালেই তাক এম্বুশ্ব্ কৰি হত্যা কৰাৰ নিৰ্দেশ পালন কৰিবলৈ অহা যুৱককেইজনে দেখিলে—হয়তো বৃদ্ধ শিখ ড্ৰাইভাৰজন সিহঁতৰ সমুখতে হৃদপিণ্ড বিকল হোৱাত মৃত্যুমুখত পৰিল। তেওঁক কোলাত লৈ কান্দিব ধৰিছে অসমীয়া তিৰোতা এজনীয়ে। এই পৰিস্থিতিত সিহঁতৰ কি কৰ্তব্য সেই বিষয়ে কোনো নিৰ্দেশ দিয়া নাছিল কোনেও। কেউজনে এতিয়া কি কৰা উচিত নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে ইজনে সিজনৰ পিনে চাবলৈ ধৰিলে। আনপিনে জিপচী চলোৱা ড্ৰাইভাৰজনে চিঞৰিলে—ঐ ভেবা লাগি কিয় ৰৈ আছ? কি কৰিবি সোনকালে কৰ। সোনকালে পলাব লাগে। কুইক্।

●●●

# মম জ্বলিছে, গলিছে

কুল শইকীয়া

বিজুলী নাথাকিলেও বাজি যায় বেলটো। ফটিকে হাতেৰে ওপৰৰ ধাতব বাটিটো চাবিৰ ধৰণত পকালে, লাগি থকা বুটামটোত টিপা মাৰি দিলে, ক্রিং ক্রিং—বীৰেশ্বৰ দৌৰি আহিল। তাক ক'লে—যা খিৰিকীখন খুলি দে, আৰু বীৰেশ্বৰ খিৰিকীৰ ওচৰলৈ গ'ল। তাৰ পিছত খিলিটোত হাতখন থৈ প্ৰশ্ন কৰিলে, ঠাণ্ডা বতাহহে সোমাব, নুখুলিলেও যদি চলি যায়—

ইমানবোৰ কথাৰ সন্মুখীন হোৱাতকৈ ফটিকে বেলটো হাতৰ পৰা নমাই থ'লে, পকোৱাই থোৱা চাবিখিনি অন্য কেতিয়াবা ব্যৱহাৰ কৰিবলৈ ঠিক কৰিলে আৰু চকীখন পিছলৈ ঠেলামাৰি দি খিৰিকীখনৰ ওচৰলৈ গৈ নিজেই সেইখন খুলি দিলে। ঠাণ্ডা বতাহেই সোমাল, লগতে সেমেকা ভাৱ—যিটো বীৰেশ্বৰে বৰ ভাল নেপালেহেঁতন, ক'লেহেঁতেন ঠাণ্ডাকালি অহা মানে পয়মাল, কাঁহ, হাঁপানি। কিন্তু ফটিকৰ নিশ্চিতভাৱে ভাল লাগিল যে কিছু নতুন বতাহ তাৰ কোঠাটোলৈ সোমাই আহিছে লগতে ভিতৰৰ গৰম ভাবৰ বতাহখিনিত এটা নাতিশীতল ভাব আহিল, মনলৈ কিছু সজীৱতা নামিল আৰু সি খিৰিকীখনৰ কাষৰ টেবুলখনৰ ওপৰতে বহি ল'লে। সি গ'ম পালে তাৰ পিঠিখন এতিয়া জোনাকৰ শীতল পোহৰে ধুই পেলাইছে। কোঠাৰ আন্ধাৰৰ প্ৰৱণতা কমি গ'ল, নাকত লাগিল সস্তীয়া ধূপৰ গোন্ধ। নিশ্চয় ৰামচৰণৰ পাণদোকান খোলা আছে। কাষতে পিয়াৰী বুঢ়ীৰ ফুলৰি চাহৰ দোকান। সিহঁতে এতিয়াই দোকান বন্ধ কৰাৰ কথা নাহে। আচলতে সিহঁতৰ সমস্ত বিজনেছ নিৰ্ভৰ কৰিছে ৰাতিৰ পেচেঞ্জাৰ ৰে'লখনৰ পৰা নমা যাত্ৰীৰ ওপৰত। অহা-যোৱাৰ কোনো নিৰ্দিষ্ট সময় ৰে'লখনে মানি চলা নাই। তাত কাৰো বিশেষ চিঞৰ-বাখৰো হোৱা নাই। মানুহে তেনেদৰেই মিলাই লৈছে। সময় হ'লে নিজে নিজে আহিব, যাব, তাত ষ্টেচনৰ কাৰ্যকৰ্ত্তাৰ কোনো দখল নাই। চব মৰ্জিত চলি থকা কথাত সৰু ঠাইখনৰ মানুহখিনি অভ্যস্ত হৈছে। চাকৰিত প্ৰথম যোগদানৰ সময়ত ফটিকে ভাবিছিল যে বহু কথাই বদলাই দিব পৰা যায়। কামৰ নতুন

আদব-কায়দাৰে পৰিৱৰ্তন আনিব পাৰি একোটা চিষ্টেমত। সৰু-বৰ সকলোকে লগত লৈ এনে কিছু কাম কৰিব পৰা যায় যিবোৰৰ দ্বাৰা সাধাৰণ মানুহৰ উপকাৰ হয়। সিহঁতে বুজি পাব যে প্ৰতিটো পা-পইচাৰ সদ ব্যৱহাৰ কৰা হৈছে। বিষয়াই হৃদয়ঙ্গম কৰিছে যে সাধাৰণ মানুহৰ সময়ৰ মূল্য আছে। সিহঁতে ৰে'লৰ টিকট কিনি পলমকৈ গন্তব্য স্থান পোৱাৰ কথা ভবা নাই—কিন্তু নাঃ এইবোৰৰ শূন্য ধাৰণা অতি সোনকালে পৰিত্যাগ কৰিলে। চাৰি পাঁচ বছৰৰ অভিজ্ঞতাৰে সি বুজি ল'লে যে অজস্ৰ চকাৰ ৰে'লখনৰ সি মাথোঁ এটা সৰু নাট বল্টুহে। তাৰ স্থিতি নহ'লেও সেই প্ৰকাণ্ড গাড়ীখন চলি থাকিব পাৰে। হুচ হুচকৈ ধোঁৱা উলিয়াই আকাশ-বতাহ কঁপাই তাক বুঢ়া আঙুলি দেখুৱাই নিশকতীয়া দুডাল লোহাৰ পাট্ৰিৰ ওপৰেদি চলি থাকিব পাৰে। তাহাঁতৰ দৰে এচিষ্টেণ্ট ষ্টেচন মাষ্টৰৰ মুখত ক'লা ধোঁৱা এসোপা সানি দি ৰে'লখন আঁতৰি যোৱাটো একো টান কথা নহয়। গতিকে সিও চিষ্টেমত যোগ দিলে। ৰে'ল সোনকালে আহিছে, দেৰি হৈছে, দুঘণ্টা পলম, পাঁচ ঘণ্টা লেট, বা নাহিলেই, এইবোৰত তাৰ মূৰ ঘমাবলগীয়া একো নাই, ষ্টেচনৰ বাৰাণ্ডাত টালি-টোপোলা লৈ, কেঁচুৱাকে পানী খুৱাবলৈ নোপোৱাৰ অৱস্থাৰে কোনোবা যাত্ৰীয়ে ৰাতিটো পাৰ কৰি দিছে—এইবোৰ দৃশ্যই তাৰ মনত কোনো প্ৰতিক্ৰিয়া নকৰে। কিবা আচহুৱা ভাৱ আহিলেও সি ফুচুৰিৰে সেইবোৰ উৰাই দিব পাৰে।

এতিয়া সি এটা মেচিন। তাৰ সমুখত থকা মেচিনটোৰ দৰেই য'ৰ পৰা একোটা 'টোকেন' ওলায় আৰু সেই 'টোকেন'টোৰ জৰিয়তে সি ৰে'ল এখনৰ লাইন ক্লীয়েৰ দিব পাৰে—ঠিক তেনেধৰণৰ এক লোহা লক্কৰ বিজুলি শক্তিৰে চালিত মেচিন, যান্ত্ৰিক কিবা এটা—

গোটেই ভাবখিনিয়ে তাক আচলতে সুখ দিব লাগিছিল, কিন্তু সি সুখী নহ'ল। প্ৰতিবাৰ এনে ধৰণৰ মানসিক চৰ্বিত-চৰ্বণে তাক অসুখী কৰি তোলে। অত এব এনেধৰণৰ চিন্তা-চৰ্চাক সি পাৰ্যমানে প্ৰশ্ৰয় নিদিয়ে—কিন্তু আহি যায়, সি গম নোপোৱাকৈয়ে মনৰ কোনোবা ছিদ্ৰৰে এইবোৰ তাৰ ভিতৰলৈ সোমায়। সি নভবা বুলি প্ৰৱঞ্চিত হয়, অথচ আহি যায়—

'ইয়াত আছে, এইটো দিয়াচলাই, আজি অলপ আগতে গ'ল কেতিয়া আহে ঠিক নাই',—বীৰেশ্বৰে আহি ডাঙৰ টেবুলখনত আধা পুৰি শেষ হোৱা মমবাতিডাল থৈ গ'ল। ফটিকে ইচ্ছা কৰিলে কোঠাটোৰ আন্ধাৰখিনি আঁতৰোৱাৰ ব্যৱস্থা কৰি ল'ব পাৰে। সি কিন্তু খিৰিকীৰ কাষৰ সৰু টেবুলখনৰ ওপৰতে বহি থাকিল। ওলমি থকা ভৰি দুখন সি গম নোপোৱাকৈয়ে লৰাই

থকা বুলি গম পালে। পিচলৈ ঘূৰি চালে, দুখনমান ৰিক্সাত জ্বলি থকা লেমকেইটা চকুত পৰিল। অন্য মানুহৰ সমাগম গধূলি লোডশ্বেডিঙৰ আগেয়ে প্ৰায় নাইকিয়া হৈ যায়। যাত্ৰীৰ বস্তু কঢ়িওৱা মজদুৰ দুই-তিনিজন অ'ত-ত'ত থাকি যায়। ৰাতিৰ পেচেঞ্জাৰৰ যাত্ৰী নামিলে সিহঁতৰ দৌৰা-দৌৰি আৰম্ভ হয়। চাৰি-পাঁচ মিনিটৰ ভিতৰত ৰেল ষ্টেচন এৰে মানে সিহঁত হৈ পৰে ব্যস্ত। দুই-চাৰিখন ৰিক্সাও গোট খায়হি। লাহে লাহে মানুহবোৰ আঁতৰি পৰে। লগতে ভকত চানাৱালা, কলবেচা পবিন, গৰম চাহৰ হকাৰ টিংকু, পুতুলহঁত নাইকিয়া হৈ পৰে আৰু গোটেই ষ্টেচন হৈ পৰে নিৰ্জন নিঃশব্দৰ পৰিত্যক্ত ঠাই। কিন্তু ফটিক থাকি যায়, তাৰ বগা কোটটো খোল খাই বেৰৰ হুকত ওলমি ৰয় আৰু সি দীঘল হাতৰ আৰামী চকীখনত ভৰি-হাত মেলি চকুহাল মুদি দিয়ে। তেনেকৈয়ে বহুতদিন তাৰ টোপনি আহি গৈছে, টোকেন মেচিনৰ ক্ৰিং ক্ৰিং আৱাজত সি সাৰ পাইছে, বীৰেশ্বৰক মাতি আনি আৱশ্যকীয় হুকুমপাতি দিছে, লাইন ক্লীয়েৰৰ খবৰ পঠাইছে, পূব-পশ্চিমৰ কেবিনৰ মানুহৰ স'তে ফোনত কথাপাতি দিবলগীয়া অৰ্ডাৰ দিছে আৰু তাৰ কিছু পাচত প্ৰকাণ্ড আৱাজ কৰি ধীৰে-গম্ভীৰে তাৰ সন্মুখেদি মালগাড়ীখন পাৰ হৈ গৈছে, ষ্টেচনৰ ঘৰটো কঁপি উঠিছে। কেতিয়াবা চিনাকি ড্ৰাইভাৰে তাৰ ফালে হাঁহিটো দলিয়াই দি বিশ কিলোমিটাৰ গতিৰে কাষেদি পাৰ হৈ গৈছে। চকুত চাৎ মৰা ইঞ্জিনৰ পোহৰে আন্ধাৰবোৰক ইতিকিং কৰিছে, পোহৰাই তুলিছে সন্মুখত অকলশৰীয়া হৈ পৰি থকা ৰে'লৰ লাইন দুডালক নিৰ্জীৱ শিলৰ বালাষ্টখিনিক আৰু পোক-পতংগৰ জাকটোক। বহুত সময়লৈকে সি চাই থাকে ৰে'লখনৰ শেষত লাগি থকা ৰঙা লাইটটো, আৰু তাৰ এনে লাগে আন্ধাৰক পোহৰৰ অস্ত্ৰেৰে দুফাল কৰি নাইকিয়া হৈ যোৱা ৰে'লখনৰ ক্ষীণ গুমগুমণি এটা বহু পৰলৈকে তাৰ বুকুত ৰৈ গৈছে। কিছু সময়ৰ বাবে চলি অহা হুট্টগোলখিনি তাৰ কাণত বাজি আছে, আৰু হেডলাইটে সৃষ্টি কৰা পোহৰৰ আভা ষ্টেচনৰ বেৰ, ৰে'লৰ লাইন, চিগনেলৰ খুঁটি, বিজ্ঞাপনৰ হ'ৰ্ডিঙত ওলমি ৰৈছে—

'ময়েই জ্বলাই দিওঁ', ওলাই যোৱা বীৰেশ্বৰ আকৌ সোমাই আহিছে। কৈছে—'আন্ধাৰত থকাও দিগদাৰ, মম জ্বলালেও আকৌ পোকৰ উৎপাত, মহা বিপদ'—

সি দিয়াচলাই কাঠি জ্বলালে। তাৰ মুখমণ্ডল হঠাৎ পোহৰ হৈ উঠিল। হাতৰ ঘেৰৰ মাজত লাহে লাহে জুই শলাডালৰ জ্বলন্ত আগটোৰ জুইখিনি পূৰ্ণতাৰে জ্বলি উঠিল। মমডালৰ আধাপোৰা ফালটোত সি অগ্নি সংযোগ কৰিলে। পুৰণি খালি চিয়াহী বটলটোৰ ভিতৰত সি মমডাল গুজি দিলে।

তেনেদৰেই সিহঁতে মম গুজি দিয়ে চিয়াহীৰ বটলটোত। ডাঙৰ বাবেই দুই-তিনিদিন কেতিয়াবা চলি যায় একেডাল মমবাতিৰে। কেতিয়াবা এদিনতে একাধিক মমবাতিৰো প্ৰয়োজন হৈ যাব পাৰে—লোডশ্বেডিঙৰ ওপৰত নিৰ্ভৰ কৰি।

'মমবাতি বদলিলেও এই চিয়াহীৰ বটলটো নবদলে—হাঃ হাঃ' বীৰেশ্বৰে হাঁহিৰ এক ক্ষন্তেকীয়া কছৰত কৰিলেও ফটিকে তাৰ ওপৰত কোনো মন্তব্য দিয়াৰ কথা নাভাবিলে।

'আজি দেৰিও হ'ব পাৰে'—বীৰেশ্বৰ ওলাই গ'ল। তাৰ ভৱিষ্যদ্বাণীৰ কোনো বিজ্ঞানসন্মত ব্যাখ্যা নাথাকিলেও ফটিকে জানে যে এইখন ঠাইত সন্ধিয়া বিজুলীবাতি জ্বলাটোও এক অস্বাভাৱিক কথা। সি ইয়ালৈ অহাৰে পৰা এনে অভিজ্ঞতাৰে সৈতে অভ্যস্ত হৈ পৰিছে। এনেকুৱা পৰিস্থিতিৰ বাবে তাৰ কোনো আক্ষেপ নাই। মমৰ পোহৰেৰেই প্ৰায়বোৰ সন্ধ্যা কাটি গৈছে। কেৱল আন্ধাৰ ৰাতিটোত ষ্টেচনৰ পৰিৱেশ হৈ পৰে ভয়ংকৰ নিমাওমাও, চিৰস্থায়ী পট্টা লোৱা দুটা লেঙেৰা কুকুৰৰ বাদে মাথো সি আৰু লাগতিয়াল কাৰিকৰী ষ্টাফখিনি আবদ্ধ হৈ পৰে আন্ধাৰৰ বিশাল গহ্বৰত। মাজতে ভালেখিনি বিৰতিত দুখনমান মালগাড়ী বা খালি ইঞ্জিন পাৰ হৈ যোৱাৰ সাধাৰণ ব্যস্ততা। বহুত সময়ত ফটিকে ওচৰতে থকা তাৰ সৰু কোৱাৰ্টাৰটোলৈকো উভতি যোৱাৰ কথা নাভাবে। বীৰেশ্বৰে আনি দিয়া ৰুটী-চব্জিৰে চলি যায় ৰাতিৰ আহাৰ। তাৰ পিছত আৰামী চকীখনত ভৰি-হাত মেলি শুই দিয়াৰ অভ্যাসটো কৰি লৈছে সি।

'চাহ-তাহ কিবা?' —বীৰেশ্বৰ আকৌ সোমাই আহিল। তাৰ প্ৰৱেশে ৰুমটোৰ জঠৰ বতাহ আন্দোলিত কৰিলে। মমৰ শিখা কঁপিল।

'চলি যাব পাৰে'—

ফটিকৰ নিৰাসক্ত উত্তৰে তাক বৰ খুচ নকৰিলে, 'লগত কিবা এটা?' বুলি সি সচৰাচৰ কৰা প্ৰশ্নফাকি আজি তাৰ মুখৰ পৰা নোলাল। সি টেবুলৰ ড্ৰয়াৰ খুলি ফটিকে ব্যৱহাৰ কৰা চাহৰ কাপ-প্লেটযোৰ উলিয়াই ল'লে। অভ্যাসবশতঃ ফটাকানিখনেৰে টেবুলৰ ওপৰত ভস্মীভূত হোৱা পোক-পতংগৰ অৱশেষবোৰ মচিলে আৰু বেঁকাকৈ ফটিকৰ ফালে চালে—

'আৰু দেৰি হ'ব নেকি? কোনো খা-খবৰেই নাই', —এইবাৰ সি পেচেঞ্জাৰ ৰেল'খনৰ কথাকে কৈছে বুলি ফটিক নিশ্চিত হ'ল। কোনো যাত্ৰীয়েই সময়মতে ৰে'লখন চলিব বুলি ভুলতো ভবা নাই। এক স্বনিৰ্ধাৰিত সময়ত যাবলগীয়া যাত্ৰী ষ্টেচনলৈ আহে। এই সময় তেওঁলোকে আজি ইমান দিনৰ

অভিজ্ঞতাৰ হিচাপত ঠিৰাং কৰি লৈছে। হয়তো বহুত ক্ষেত্ৰত সেই সময়ত ওলট-পালট ঘটি যাব পাৰে। অৰ্থাৎ অন্য দিনাতকৈ আৰু আধাঘণ্টা পলমকৈ ৰে'লখন আহিব পাৰে। কিন্তু আজিলৈকে এনেকুৱা হোৱা নাই যে গাড়ীখন সময়মতেই ষ্টেচনত সোমাই গ'ল আৰু বহুত যাত্ৰী গাড়ীখনৰ পৰা বঞ্চিত হ'ল।

'বাহিৰত কেনে?'

'আন্ধাৰ।'

ফটিকৰ প্ৰশ্নৰ উত্তৰ বীৰেশ্বৰে এটা শব্দত দি থ'লে।

'ডাউনৰ ফালৰ পৰা কিবা খবৰ আহি যাব পাৰে—'

'দেৰি আছে'— এক অভিজ্ঞ লোকৰ দৃঢ়তাৰে বীৰেশ্বৰে উত্তৰ দিলে। অৱশ্যে তাৰ ইয়াত অভিজ্ঞতা বেছি দিনৰ। আজি কেইবাবছৰো ধৰি সি ইয়াতে কটাই দিছে। লাগিলে টেকনিকেল কামৰ পৰা আৰম্ভ কৰি চাহকাপ বনোৱা পৰ্য্যন্ত সকলোধৰণৰ আজে বাজে কামৰ বাবে বীৰেশ্বৰ ব্যৱহৃত হৈ আহিছে। তাত তাৰ কোনো আপত্তিও নাই। আজিলৈকে কেইবাজনো ষ্টেচন মাষ্টাৰ, সহকাৰী ষ্টেচন মাষ্টাৰৰ সতে সি কাম চলাই গৈছে। তেওঁলোক আহিছে, এক-দুই বছৰতে ইয়াৰ পৰা আঁতৰি গৈছে। কেতিয়াবা সহকাৰী ষ্টেচন মাষ্টাৰেই চলাই দিছে সকলো কাম—লাগিলে তেওঁ টিকটো বেচিছে টোকেনো উলিয়াইছে। সেউজীয়া পোহৰৰ লেম্প দেখুৱাই, পতাকা উৰুৱাই গাড়ী পাৰ কৰাই দিছে। যাত্ৰীৰ বস্তু বুক কৰিছে। যাত্ৰীৰ বেমাৰত ডাক্তৰ-কবিৰাজকো মাতি আনিছে। লাইট নাথাকিলে অন্ধকাৰ ষ্টেচনত লেম্প জ্বলাই যাত্ৰীক ইফালে-সিফালে বাট দেখুৱাইছে—এনেধৰণে ফটিকে এতিয়া 'অলৰাউণ্ডাৰ'ৰ ভূমিকা খেলিব লগা হৈছে। তাত তাৰ আপত্তি নাই। আপত্তিৰ কথা শুনোতাও কোনো নাই। কিন্তু তাৰবাবে প্ৰধান সমস্যা অধিক কামৰ নহয়, কিন্তু এই যে নিঃসঙ্গতা, ৰে'লৰ ধোঁৱা-ধুলি, হৈ-হাল্লাৰ মাজতো এক নিৰ্জনতা, কাৰোবাৰ সতে কথা পতা, মুখ খুলি হঁহাৰ সংগীহীনতা—এইবোৰ জানো এনেদৰে সহি যাব পৰা যায়?

ফটিক খিৰিকীৰ কাষৰ পৰা উঠিল। দুৱাৰমুখলৈ আগবাঢ়ি গ'ল। বাহিৰত জোনাক। ৰে'ল লাইনৰ সিপাৰে সৰু চাহৰ দোকানত কেৰাচিনৰ চাকিৰ কঁপি থকা শিখাত ভকতৰ ছাঁৰ দৰে মূৰ্ত্তিটো, কাষত কাম কৰা সৰু ল'ৰাটো, পিছফালে পকা বেৰত থকা চাবোনৰ বিজ্ঞাপনৰ উজ্জ্বল কাপোৰৰ ছবিয়েই এতিয়া মনিব পৰা নাযায়। তথাপি তাত লিখা থকা কথাখিনি ফটিকে আওঁৰাই চালে অভ্যাসবশতঃ —'কাপোৰৰ মলিয়ন দাগ গুচোৱাত ওস্তাদ'—

যোৱা কেইবামাহো এইখিনি সি পঢ়ি আহিছে। এতিয়া শুধবগা চোলাটোৰ ছবিখন আগতকৈ মলিয়ন হ'ল। ধূলি, ধোঁৱা, তামোল-চাধাৰ পিক, বোকাপানীৰ ছিটিকনিত ছবিখন চাব নোৱাৰা হৈ পৰিছে। সোঁকাষত সৰুকৈ ভকতৰ চাহ দোকান বুলি চূণেৰে লিখি থোৱা আখৰকেইটাৰ তলত দুপৰীয়া কাম কৰা মানুহখিনিয়ে ভিৰ কৰেহি।

ৰে'লৰ লাইনটো পাৰ হৈ গ'ল লেঙেৰা কুকুৰটোৱে। মুড়ি বেচা সৰু ল'ৰাটোৱে শিলগুটি এটা মাৰি পঠিয়ালে। টং কৈ লোহাত পৰি আৱাজ হ'ল— আকৌ এতিয়া স্তব্ধতা, লাইনৰ ওপৰেদি খোজকাঢ়ি গ'ল কোনোবা এজন—

ফটিকে আলমাৰিটোলৈ আগবাঢ়ি গ'ল। সি গম পাইছে এই খোজটোত তাৰ মেচিনৰ মস্তিস্কহীনতা ফুটি উঠিছে। ক'ৰবাত এনেকুৱা এটা নিৰ্দেশ প্ৰগ্ৰামড কৰি থোৱা আছে যে পেচেঞ্জাৰ ৰে'লখন ষ্টেচন আহি পোৱাৰ কিছু আগতে সি আলমাৰিটো খুলিব লাগে। ভিতৰৰ চন্দুকটোৰ পৰা উলিয়াই ল'ব লাগে টিকটৰ পেকেটটো। তাৰ পিছত ৰুটিনভাৱে সৰু টকা থোৱা বাকচটো লৈ সি বহি যায় টিকেট বেচা খিৰিকীখনৰ কাষৰ টেবুলখনৰ ওচৰত। সন্মুখত টিকটৰ টোপোলা, ডাঙৰ হিচাবৰ বহী, টকা থোৱা বাকচ। সোঁফালে লোহাৰ জাল দিয়া খিৰিকীখনৰ সৰু বৰ্গাকাৰ ক্ষেত্ৰ যাৰ উন্মুক্ত মুখেদি সোমাই আহে একোখন হাত। লোহাৰ জালে আৱৰি থকা মুখখনৰ পৰা উচ্চাৰিত হয় এখন ঠাইৰ নাম, 'হাঁ, তালৈ দুখন টিকট'—আৰু ফটিকে আগবঢ়াই দিয়ে টিকেট দুখন। কেতিয়াবা তাৰে মাজতে কিছু খকা-খুন্দা, হৈ-হাল্লা, মানুহৰ উচ-পিচ, এইবোৰৰ মাজত ঘৰ্মাক্ত শৰীৰৰ পৰা আহি পৰা ঘামৰ গোন্ধে ফটিকৰ নাক মুখত এক অদৃশ্য চাৰনিৰ সৃষ্টি কৰে। ওপৰত চলি থকা প্ৰচণ্ড বাহুৰ পুৰণি ফেনখনৰ একঘেয়ী আৱাজে আনে বিতৃষ্ণা বিৰাগ। সি ক'ব খোজে, শুনা তোমালোকক এৰি থৈ ৰে'লখন গুছি নাযায়। হয়তো নিয়মতকৈও আৰু পলম হ'ব পাৰে, আগৰ ষ্টেচনৰ পৰা লাইন ক্লীয়াৰ অহাই নাই। আৰাম চে চলিব, কোনো হৈ-চৈৰ কথা নাই। এইখন ৰে'লৰ বাবে সময় বুলি কোনো কথা থাকিব নোৱাৰে আৰু তোমালোক আছা কেইজন বা এইটো ষ্টেচনত মানুহ উঠা-নমা কৰেই বা কেইজনে—আৰু ফটিকে গম পাইছে যে মানুহৰ ঠেলা-হেঁচা কমি গ'ল। দৌৰা-দৌৰি, চিঞৰ-বাখৰ এইবোৰো শাম কাটিবলৈ লৈছে। বস্তু-বাকচ টনা-টনিৰ শব্দবোৰ নাইকিয়া হৈছে। হোকাৰ কেইজনৰ মাতো দূৰলৈ আঁতৰি গ'ল। যাত্ৰীবোৰে ৰে'লখনত উঠাৰ আপাহত সেইফালে দৌৰি গ'ল আৰু সি দেখিলে দীঘল হুইচেলেৰে ৰে'লখন চলিল। লাহে লাহে সাপ এডাল পিছলি

যোৱাৰ দৰে তাৰ সন্মুখৰ পৰা সেইখন অন্তৰ্ধান হৈ পৰিল। তাৰ হাতত ওলমি থাকিল সেউজীয়া ৰঙৰ লেমটো যিটোক লৈ বহুত সময়ত গৰ্বিত অনুভৱ কৰিছে। নিজৰ সৈতে কথা পাতিছে, কৈছে, চা, তোৰ হাতৰ পোহৰৰ নীৰৱ সংকেতে ইমানবোৰ মানুহৰ যাত্ৰাত আনি দিয়ে গতি। সিহঁতৰ আশা-আকাংক্ষা, ইচ্ছা-বাসনা, এইবোৰ সকলোতে তোৰ হাতৰ সেউজীয়া পোহৰে তড়িৎশক্তি আনি দিয়ে। নতুন জীৱনৰ সম্ভাৱনাৰে সেইবোৰ অংকুৰিত হয়—কিন্তু মস্ত ৰে'লখন তাৰ দৃষ্টি বলয়ৰ পৰা অদৃশ্য হোৱাৰ দৰে অহংভাৱো তাৰ ক্ষন্তেকতে নাইকিয়া হৈ পৰিছে। হঠাৎ ভিৰ নাইকিয়া হৈ পৰা ষ্টেচনটোৰ উদং ৰূপে তাক পুনৰবাৰ কৈছে, ধিক এইবোৰো বাৰু জীৱন আৰু জীয়াই থকাৰ কুচকাৱাজ!

সি কিন্তু বিষণ্ণ হোৱাৰ কাৰণ নাই। কাৰণ মানুহৰ স্থিতি এতিয়া আৰু একো জৰুৰী কথা নহয়। এই যে মেচিন কল-কব্জা বিজ্ঞানৰ বাহাদুৰি আটায়ে আমাৰ স্থিতিৰ গুৰুত্ব তেনেই নগণ্য কৰি তুলিছে। তুমি ক'ত আছা, মই ক'ত আছো এতিয়া আৰু এইবোৰ বিচাৰ্য কথা নহয়। টিভি, মোবাইল ফোন, বিনাতাঁৰ প্ৰযুক্তি এইবোৰে লাহে লাহে তোমাৰ ঠিকনা মচি পেলাইছে।

'কুলি বা তেনেধৰণৰ কোনোবা?'—

কাষৰ ছোৱালীজনীৰ চুটকেচ আৰু ডাঙৰ বেগটোত সি খুণ্ডা মৰাৰ আগতে তাক কৈ উঠিছে আৰু সি কৈছে যে ইয়াত তেনেধৰণৰ কাকো পোৱা নাযায়। যাত্ৰীয়ে নিজৰ বস্তু-বাহানি সাধাৰণতে নিজেই নিয়াৰ ব্যৱস্থা কৰে।

আচলতে গধুৰ বয়বস্তুৰে মানুহ উঠা-নমা ইয়াত নচলেই বুলি ক'ব খুজিও সি ৰৈ গ'ল। ভাৱ হ'ল সি ঠাইখনক সৰু কৰি তোলাটো তাৰবাবে বৰ ভাল কথা নহ'ব।

সি জানিব বিচাৰিলে তাইৰ যাত্ৰাৰ আৰম্ভণিৰ ঠাইখনৰ কথা। গম পালে তাই মহানগৰীৰ পৰা আহিছে। সময়মতে চলিলে পাঁচ ঘণ্টাত ৰে'লখনে তাইক তাৰে পৰা ইয়ালৈ লৈ আনিব পাৰে কিন্তু সেইটো হোৱা নাই। হোৱাৰ আশাও নাই। তাই ইতিমধ্যে সাত-আঠ ঘণ্টাত সেইখিনি দূৰত্ব অতিক্ৰমি আহিছে। চুলিবোৰ অ'ত-ত'ত অবাধ্যতাৰে আস্থান লৈছে। শাৰীখনত থাকিবলগীয়া পৰিপাটি নাইকিয়া হৈ পৰিছে।

'প্ৰথমবাৰ আহিছে হ'বলা, ইয়ালৈ?'—

নাঃ এইবোৰ কথা সুবিধ পৰা নাযায়। সি মণ্টু হকাৰক মাতি আনি আঙুলিৰ সংকেতৰে ক'লে যা এইবোৰ লৈ গৈ ৰিক্সাখনত উঠাই দেগৈ। তাৰ

সন্মুখেৰে এজনী ছোৱালী আগবাঢ়ি গ'ল। মণ্টুৰ দীঘল খোজৰ স'তে সংগতি ৰাখি তাইৰ খোজ খৰ হ'ল। বাকচৰ লেবেলৰ পৰা সি ভাবি ল'লে তাইৰ নাম অৰ্পণা তামুলী।

'কেবিনত ৰে'লৰ খবৰ হৈছে'—

বীৰেশ্বৰে আহি কোঠাত হঠাৎ ফটিক ঘূৰি আহিল আজি তিনি মাহৰ আগৰ সন্ধিয়াৰ পেচেঞ্জাৰ ৰে'লখন আহি পোৱাৰ সৰু ঘটনাটোৰ প্ৰেক্ষাপটৰ পৰা, আৰু সি উচপ খাই উঠিলেও তাৰ মুখত সেইবোৰৰ কোনো চাপ ফুটি নুঠিল। সি মাথো সুধিলে টিকট কাউণ্টাৰৰ সন্মুখত যাত্ৰী গোট খাইছে নেকি? বীৰেশ্বৰে এখন ফটা কাপোৰ লৈ টেবুলত জ্বলি থকা মমবাতি ডালৰ ওচৰে-পাজৰে পৰি থকা পোক-পতংগৰ অৱশিষ্টখিনি চাফা কৰিলে আৰু ক'লে যে দুই-চাৰিজন গোট খাইছে। ফটিকে আলমাৰিৰ পৰা টিকটৰ বান্দিলটো উলিয়াই খিৰিকীৰ কাষৰ টেবুলখনত ৰাখিলে। কাষত আৱশ্যকীয় বহী, ৰচিদ বহী, টকা থোৱা বাকচ আদি জমা কৰিলে। কিন্তু এতিয়াই তাৰ তাত বহিবলৈ মন নগ'ল। সি মমবাতি থকা টেবুলখনৰ কাষৰ চকীখনত বহিল। তাৰ সন্মুখত জ্বলি থকা মমবাতিডালৰ গাত গলিত মমৰ টোপালে ধীৰ গতিত পাহাৰৰ পৰা বৈ অহা নিজৰা এখনৰ সৃষ্টি কৰিছে। কঁপি থকা জুইৰ শিখাৰ চাৰিওফালে উৰি ফুৰিছে কীট-পতংগৰ এটা জাক। সি গম পাইছে যে সিহঁতে পোহৰ বিচাৰি তালৈ আহিছে। আলোক উৎসসন্ধানী এই যাত্ৰাক কবি সাহিত্যিকে কিয় ৰোমাঞ্চ বা প্ৰেমৰ স'তে কল্পনা কৰিছে। অহেতুক আত্মহত্যাৰ আত্মগৌৰৱ হিচাপে কিয় ভাবিছে—সি ভাবি পোৱা নাই। সি যেতিয়া কবিতা লিখিছিল কলেজৰ আলোচনীত তেতিয়াও তাৰ মনলৈ মম এডাল জ্বলি গলি শেষ হোৱাৰ বেদনা আহিছিল, আৰু পোক-পতংগৰ এনে যাত্ৰাক সি ভাবিছিল নতুনত্ব সন্ধানৰ অনন্ত স্পৃহা।

'ধৰা, নতুন ঠাই এখন জানিলো। নতুন মানুহ লগ পালো, নতুন অভিজ্ঞতা—এইবোৰ এনেকৈ লৈছো। এইবোৰে জীৱনটো নতুনকৈ চাবলৈ শিকায়।' তাক অৰ্পণাই কৈছিল আৰু সি যোৱা দুমাহে তাইক সোধা নাই যে তাইৰ ডাঙৰ চহৰখনৰ পৰা ইয়াৰ অনামী স্কুলখনত কাম কৰিবলৈ অহাৰ গোটেই কাৰবাৰটো অকল কৰ্মসংস্থাপনৰ লক্ষ্য নে অন্য কিবা? মাথো সি এনেদৰে কৈছে যে চোৱা, তুমি এইখন ৰে'লৰ যাত্ৰী হৈ এইটো ষ্টেচনত নমাৰ আগতে মোৰ বাবে প্ৰতিখন ৰে'ল আছিল কিছুমান নাট-বল্টু, লোহা-লক্কৰ,

চকা-এক্সেল, স্প্ৰীং-কল-কব্জাৰ সমাহাৰ। তাত গতি আছিল কিন্তু জীৱন নাছিল। সি চলিছিল ঠিকেই কিন্তু তাত শ্বাস-নিশ্বাস বা প্ৰাণস্পন্দন নাছিল আৰু আজি এতিয়া তুমি প্ৰতিটো শনিবাৰে সন্ধিয়াৰ ৰে'লখনত দবাত যাত্ৰী হৈ বহিছা, গৃহাভিমুখে যাত্ৰা কৰিছা। মই নিজৰ হাতেৰে তুলি দিছো তোমাৰ হাতত ৰে'লখনত যাব পৰাকৈ এখন বিধিসন্মত কাগজ। যিখনক তুমি টিকট বুলি কৈছা আৰু যিবোৰ আন কাৰোবালৈ চাৰিকোণীয়া খিৰিকীৰ ফুটাটোৰে এটা মেচিনৰ জীৱনহীনতাৰে ঠেলি দিছা—সেই টিকটখন তুমি অমূল্য সম্ভাৰৰ দৰে ক'লা ৰঙৰ মোনাখনত ছয় ঘণ্টাৰ বাবে সাঁচি ৰাখিছা আৰু মই ভাবিছো এইখন সৰু ঠাইত মোৰো এক স্থিতি আছে। কাৰণ তুমি ষ্টেচনত উঠিয়েই মোৰ কোঠাত সোমাইছা। এইখন চকীত বহি মোক কৈছা ঠাইখন ভাল পাবলৈ শিকা। কেতিয়াবা মন গ'লে কাগজৰ টুকুৰাত কিবা এষাৰি কবিতাকে লিখা নহ'লে মোলৈ দিয়া টিকটৰ পিছফালে ভাল লগা কবিতাৰ দুটা শব্দকে—আৰু তুমি কৈছা, মমবাতিডাল চোৱা, আমি মাথো তাৰ পোহৰ দিয়া শিখালৈহে চাওঁ। গলি যোৱা মমখিনি আমাৰ বাবে অদৃশ্য—আৰু মই তোমাৰ কথাত হাঁহিছো, তাতকৈ কিবা এটা ক'ব পৰা গ'লহেঁতেন। কিন্তু কথাবোৰতো আৰু অনবৰত শব্দ হৈ নোলায়। অত এব, তুমি হাঁহিলা, তোমাৰ চেলাউৰিখিনি বহল হ'ল। চকু দুটাত এডাল জ্বলি থকা মম, গলি যোৱা মমৰ টোপোলাৰ প্ৰতিচ্ছবি ওলাল—মই গম পালো হঠাৎ পোহৰত আৰু ধুনীয়া হৈ পৰিছে তোমাৰ গালৰ তিলটো। ফেনৰ বতাহে জোকাৰি দিয়া চুলিখিনি, নীলাফুলৰ শাৰীখন।

টং টং কৈ কাষৰ ৰুমত বাজি উঠিল টোকেনৰ মেচিন, লগতে ফোনৰ অবিৰত ৰিং আৰু কিছু সময়ত সেইবোৰ বন্ধ হ'ল। ফটিকে গম পালে বীৰেশ্বৰে ইতিমধ্যে লাইন ক্লীয়েৰৰ টোকেন উলিয়াইছে। কেইমিনিমটানৰ ভিতৰতে গাড়ী আহি পাবহি। সি টিকট দিয়া খিৰিকীৰ কাষত বহিল। চাৰিকোণীয়া ফুটাটোত লাগি থকা ঢাকনীখন আঁতৰাই দিলে। মানুহৰ ঠেলা-হেঁচা, গুমগুমনি তালৈ ভাঁহি আহিল আৰু সি ঠিক মেচিন এটাৰ নিৰ্ভুলতাৰে কামবোৰ কৰি পেলোৱত ব্ৰতী হ'ল। সি জানে যে আজি শনিবাৰে সি অৰ্পণাৰ টিকটো তাইৰ হাতত তুলি দিব লাগিব আৰু তাৰ পিছত তাইৰ সৰু বেগটো বীৰেশ্বৰৰ হাতেৰে ৰে'লখনৰ খালি চিট এটাত তোলা হ'ব আৰু এটা সময়ত এদিনৰ বাবে অৰ্পণা ইয়াৰ পৰা আঁতৰি থাকিব। আকৌ দেওবাৰৰ সন্ধিয়াৰ ৰে'লত তাই উভতি আহি ক'বহি, ঠিক আছেতো। এই যে লাইন ক্লীয়েৰ, সেউজীয়া পতাকা, ব্লক চেক্সন, ষ্টেচন লিমিট, টোকেন, চিগনেল ৰঙা-

হালধীয়া—হাঃ হাঃ আৰু লাইট নথকা কোঠাটোত হাঁহিবোৰ সংক্ৰমিত হৈ তাৰ ওঁঠলৈ বাগৰিব আৰু সি ক'ব, চোৱা মমডাল কেনেদৰে জ্বলিছে আৰু গলিছে—

ফটিকে গম পাইছে কিছু দেৰি আগতে ৰে'লখন আহি ৰৈছে। মানুহবোৰ ইতিমধ্যে নামিছে উঠিছে, আৰু সি এখন টিকেট টেবুলত উলিয়াই থৈ হিচাপ-পত্ৰৰ কাগজ-পাতিবোৰ সামৰিলে। ফটিকে অৰ্পণাৰ বাবে ৰখা টিকটখন লৈ কোঠাৰ বাহিৰলৈ ওলাই আহিল। মানুহৰ দৌৰাদৌৰি চলিয়েই আছে। ব্যস্ত হৈ পৰিছে মণ্টু হকাৰ আৰু বাকীবোৰ।

অৰ্পণা নামিছে ৰিক্সাৰ পৰা। ফটিকে হাতৰ টিকটখন আলফুলে ধৰি থাকিল। কাৰণ অলপ আগতে সি ভালপোৱা কিবা কবিতাৰ তিনিটা শব্দ তাতে চিয়াহীৰে লিখি পেলাইছে। হাতৰ ঘামত সেই কেইটা বিয়পি যাব নালাগে।

'বীৰেশ্বৰে নালাগে, আমি দুয়োজনেই বস্তুখিনি উঠাব পাৰিম'। কাষত থকা নতুন ভদ্ৰলোকজনলৈ আঙুলিয়াই অৰ্পণাই ক'লে, আৰু ক'লে যে তেৰোঁ তাইৰ স্কুলৰে, একেলগে কাম কৰে।

'দুখন টিকটকে দিয়া—' অৰ্পণাৰ কথা শেষ হোৱাৰ আগতে ফটিক ভিতৰলৈ গ'ল। দুখন নতুন টিকট আনি সি অৰ্পণাৰ ফালে আগবঢ়াই দিলে।

দীঘল হুইচেলেৰে ৰে'লখন লাহে লাহে জোনাকত মিলিল। সেউজীয়া ৰঙৰ লেমটো লৈ ফটিক সোমাই আহিল জ্বলি থকা মমৰ কোঠাটোলৈ। হাতৰ টিকটখনত লিখা থকা শব্দ কেইটা ঘামৰ পানীত অচিনাকি হৈ পৰিল।

ফটিকে দেখিলে মমডাল জ্বলিছে, গলিছে—

●●●

# ইয়াত এখন পাহাৰ আছিল

সুৰেশ চক্ৰৱৰ্তী

ঃ ঘৰৰ মূধচেৰে কেতিয়াবা আকাশৰ তৰা দেখিছানে?

ঃ নাই দেখা।

ঃ পঢ়িছা নিশ্চয়! গল্পত, উপন্যাসত?

ঃ হয়, পঢ়িছো।

ঃ চাবৰ মন আছে নেকি?

ঃ পাৰি চাব।

ঃ সঁচাই কৈছানে?

ঃ সঁচাই।

ঃ ঠিক আছে, এদিন ওলাবা বাৰু!

ঃ হ'ব।

ঃ এতিয়া পিছে কি কৰি আছা?

ঃ এইখন চাই আছো।

ঃ অ' হেমিঙৱে পঢ়িছা। জানানে ব্যক্তিগতভাবে মানুহজন কেনে আছিল? পৃথিৱীৰ অকলশৰীয়া মানুহবিলাকৰ এজন আছিল। তেওঁ কেনেকৈ মৰিছিল জানানে?

ঃ নাজানো।

ঃ বাদ দিয়া সেইবোৰ। পিছে পৰেও জানিবা। কিন্তু কিতাপ অকল পঢ়িলেই নহ'ব, মগজুও খটুৱাব লাগিব।

ঃ হয়।

ঃ কি হয়? সদাই আনৰ কিতাপেই পঢ়িবানে। কেতিয়াবা নিজেও লিখিব লাগিব—আনক পঢ়ুৱাব লাগিব। কি ধূপ জ্বলোৱা তুমি! কমটো ভাল গোন্ধাইছে। দিয়াচলাইটো দিয়া, এক বজাত মোৰ পৰা লৈ আহিবা।

দুৱাৰখন নিঃশব্দে বন্ধ কৰি মৃগেন দা মোৰ ৰূমৰ পৰা ওলাই গ'ল।

ঘড়ীৰ কাটা চাই এক বজাৰ লগে লগে মই মৃগেন দাৰ ৰূমৰ আগত হাজিৰ হ'লো। চেণ্ডেলৰ শব্দত মৃগেন দাই গম পালে। দুৱাৰ খোলা আছে, সোমাই আহা। মই সোমাই গ'লো। দন্ত্য দৰ দৰে মৃগেন দা বিছনাত পৰি আছে। সোঁৱে-বাঁৱে, মূৰশিতান, ভৰিপঠান সৰ্বত্র কিতাপৰ দ'ম। পঢ়া টেবিলৰ কথা ক'বই নালাগে। আনকি চকীতো কিতাপৰ ভিৰ। ৰূমটো মোৰ মিউজিয়াম যেন লাগিল। খুম কম দিনতে হোষ্টেলত কিতাপ পঢ়া বুলি নাম এটা ওলাইছিল মৃগেন দাৰ। ৰূমত সোমোৱাৰ পিছত মোৰ ধাৰণাৰ সলনি হ'ল। মানুহে একেলগে ইমানবোৰ কিতাপ পঢ়িব পাৰে বুলি মোৰ সপোনৰো অগোচৰ আছিল। সাহিত্য, দৰ্শন, বেদৰ বিভিন্ন বিভাগৰ বৃহৎ গ্ৰন্থৰ কথা মোৰ জ্ঞাত আছিল, কিন্তু উপনিষদৰ একোটা অধ্যায়ৰ ওপৰত যে প্ৰকাণ্ড অৱয়বৰ কিতাপ থাকিব পাৰে তাক মৃগেন দাৰ ৰূপ নেদেখালৈকে মোৰ কল্পনাৰ বাহিৰত আছিল।

মোৰ নিজকেই তেনেই নিঃস্ব যেন লাগিল। মই নতুন উদ্যমেৰে কিতাপ পঢ়া আৰম্ভ কৰিলো। প্ৰাচীৰ পত্ৰিকাত লিখিবলৈ ল'লো। মৃগেন দাই কমেণ্ট দিলে মোৰ উৎসাহ বাঢ়িল। সৰস্বতী পূজা আহিল। হোষ্টেলত হাঁহাকাৰ লাগিল। হোষ্টেলৰ গেটত পৰম্পৰাগতভাৱে তোৰণ সাজিব লাগে। মূৰ্তিটো দৰদাম অনুসৰি খনিকৰে সাজিব। কিন্তু তোৰণ? তাৰ পৰিকল্পনা, অলংকৰণ, অংকন ইত্যাদি কামবোৰ? চিনিয়ৰ দুজনমানে ঘনে ঘনে মৃগেন দাৰ ৰূমলৈ তাঁতবাতি কাঢ়িলে। বাকীবোৰ হোষ্টেলৰ তোৰণৰ জঁকা ইতিমধ্যে থিয় হৈ গ'ল। অত্যুৎসাহী কিছুমানে চাই আহি খবৰ দিলে। চিগাৰেট হুপি হুপি মৃগেন দাই কমনৰূমত সকলোকে ঠিয় কৰালে, কাৰ কি পৰিকল্পনা সুধিলে। নিজে একো মন্তব্য নিদি আমাক অপেক্ষা কৰিবলৈ ক'লে। ভাত খাই আমি কমন ৰূমত অপেক্ষা কৰিলো। উৎকণ্ঠাত আমাৰ তত্ নাই—কাৰ পৰিকল্পনা চিলেকচনত উঠে। মহে কামুৰি আমাৰ ভৰি-হাত দগা-পখৰা কৰিলে। দুজনমান অধৈৰ্য্য হৈ পৰিল। আনবোৰ হোষ্টেলৰ তোৰণে নিৰ্দিষ্ট ৰূপ ল'লে। আমাৰ এতিয়ালৈকে একোৱে হোৱা নাই। একবজাত চিগাৰেটৰ টুকুৰা এটা মুখত লৈ মৃগেন দা আহিল। কাৰো পৰিকল্পনা তেওঁৰ মনঃপুত নহ'ল। নিজা পৰিকল্পনাৰ কথা তেওঁ গাই গ'ল—ৰাষ্ট্ৰযন্ত্ৰৰ সৰু কাৰাগাৰ এটাত বন্দী হৈ আছে জনতাৰ কণ্ঠ, —এক বিপ্লৱী—মানুহৰ আশাক, অধিকাৰক, ইটাৰ দেৱালেৰে সীমাবদ্ধ কৰি ৰাখিছে—কিন্তু বাহিৰৰ পৃথিৱীখনো আন্ধাৰ কাৰাগাৰতকৈ কম আন্ধাৰ নহয়—

পূতিগন্ধ আৰ্বজনাৰে ভৰপূৰ। তাত মানুহ দুৰ্নীতিৰ নাগপাশত বন্দী। মেঘে ঢকা জোনাক ৰাতি জনতা উদগ্ৰীব জোন ওলোৱালৈ। তেওঁলোকৰ প্ৰিয় জননেতা আহিব, শিকলি খুলিব। সেই সময় সমাগত—মাথো প্ৰয়োজন এজাক বতাহৰ।

ঃ চাৰিঘণ্টা সময়। ৰাতিপুৱা পাঁচ বজাত তোৰণ সম্পূৰ্ণ হ'ব লাগিব। মই এতিয়া শোও। তোমালোকে কামত ধৰা—চিগাৰেটৰ শেষ হোপাটো মাৰি মৃগেন দা নিজৰ ৰূমলৈ গ'ল। আমি কামত ধৰিলো। ইটাৰ বেৰৰ কাৰাগাৰ আহিল, লোহাৰ শিকলি আহিল, জনতাৰ প্ৰতীক বিপ্লৱীক মেতমৰা বোজাৰে শিকলি লগোৱা হ'ল। আকাশ, মেঘ, জোন আহিল—শ্ৰমজীৱি মানুহ আহিল—ৰাষ্ট্ৰযন্ত্ৰৰ শোষণত তেওঁলোক মূৰদাঙিব নোৱাৰা হ'ল আৰু ঠিক তেনেতেই আহিল আকাংখিত বতাহজাক। হুৰহুৰাই দেৱাল ভাঙিল। জোন ওলাল। শান্তিৰ কপৌজাকে নতুন ৰাতিপুৱাটোত ৰুণ দি সকলোকে মংগল বাতৰি জনাবলৈ আকাশলৈ ধাৱমান হ'ল।

আমি তোৰণত প্ৰথম হ'লো। মৃগেনদাৰ মুখত হাঁহি ওলাল। কলেজত মোৰ চিত্ৰশিল্পৰ প্ৰথম স্বীকৃতি। পৰম্পৰা ৰক্ষা কৰাৰ কাৰণে মৃগেন দাই মোক অভিনন্দন জনালে।

মই মৃগেন দাৰ অন্ধ অনুৰক্ত হৈ গ'লো।

## (২)

ঃ ওলোৱা, এদিন শনিবাৰে মৃগেন দাই ক'লে।

ঃ ক'লৈ? আকস্মিক আদেশত উৎসুক হৈ মই সুধিলো।

ঃ মূৰৰ ওপৰৰ চালিৰে আকাশৰ তৰা চাবলৈ। নিৰ্বিকাৰ হৈ মৃগেন দাই ক'লে।

চাৰি ঘণ্টা বাছ যাত্ৰাৰ শেষত আমি গাঁওখন পালো। তিনিটা ঘৰ। এটা থকা ঘৰ, এটা ৰান্ধনি ঘৰ আৰু আনটো গোহালি। বাঁহৰ কেঁচা ঘৰ, মাটি লেপা বেৰ—ওপৰত ভোলোঙা চাল। আমি বাঁহৰ চাঙত শুলো। দুজন ডেকা ল'ৰাৰ ভৰত বাগৰ সলাওঁতে সি কেৰ্‌কেৰাই উঠিল। মৃগেন দাই ক'লে—এই বিছনাখনৰ পৰাই মই মেট্ৰিক পৰীক্ষা দিছিলো। তুমি এতিয়া ওপৰমুখ কৰা আৰু গোটেই ৰাতি আকাশৰ তৰা গণা। মই শোও।

গোটেই ৰাতি তৰা নগণিলেও মই ভাবি থাকিলো—আঁৰ-বেৰ নথকা, একোঠালি ঘৰটোত মৃগেন দাই কেনেকৈ পঢ়াশুনা কৰিছিল—মেট্ৰিকত ৰেকৰ্ড ব্ৰেক নম্বৰ পাইছিল। মাক-দেউতাক, ভায়েক-ভনীয়েকৰ সৈতে ভৱিষ্যতৰ সপোন দেখিছিল। ৰাতিপুৱা দা ঘপিওৱাৰ শব্দত মোৰ টোপনি ভাঙিল। মুখ নোধোৱাকৈয়ে ব্ৰাচডাল মুখত লৈ মৃগেন দাই নাৰিকল এটাৰ বাকলি গুছাইছে।

ঃ কিয় ইমান পুৱাই নাৰিকল কাটিছে? মই আচৰিত হৈ সুধিলো।

ঃ আমাৰ ফালে আলহী আহিলে সন্মানৰ অৰ্থে নাৰিকল কাটে। গহীন হৈ মৃগেন দাই ক'লে। মোৰ হাঁহি উঠি গ'ল। মোক অবিশ্বাস কৰা দেখি মৃগেন দাই পুনৰ ক'লে—নাৰিকলৰ উপকাৰিতা মানে প্ৰয়োজনীয়তাৰ বিষয়ে কি জানা কোৱাচোন।

ঃ নাৰিকলৰ পানী স্বাস্থ্যকৰ। ই পূজা-পাৰ্বনত মংগলতাৰ প্ৰতীক। মাহ-প্ৰসাদত ই নহ'লে নহয়। নাৰিকলৰ লাৰু বৰ সুস্বাদু আৰু—

ঃ আৰু বাকীখিনি মোৰ পৰা শুনা। কোনো কিতাপত নোপোৱা। মৃগেন দাই আৰম্ভ কৰিলে—ইয়াক চেপি ওলোৱা ৰসখিনিৰে ভণ্টিয়ে এতিয়া আমাক গোলাপী চাহ বনাই খুৱাব। নাৰিকলখিনি মায়ে চাৰিভাগ কৰি তিনিভাগৰ লাৰু বান্ধিব—আমাৰ হাতত হোষ্টেলৰ বাকীবিলাকলৈ বুলি, এভাগ ৰাখি দুপৰীয়াৰ কণীৰ জোলখনত ঘূটি দিব আৰু বাকলিখিনি ধুনাৰ কাৰণে, নহয় ভণ্টিয়ে বাচন ধুবলৈ ব্যৱহাৰ কৰিব। ৰৈ যোৱাখিনি বস্তাত থৈ দিব শীতৰ দিনৰ লগৰী কৰিবলৈ।

অভাৱক জীৱনৰ সহচৰ কৰি ল'ব পৰা গুণ মৃগেন দাৰ ঘৰখন নেদেখা হ'লে মই কল্পনাই কৰিব নোৱাৰিলোহেঁতেন।

## (৩)

সৰুতে মোৰ এটা আচহুৱা স্বভাৱ আছিল—মই ফাউণ্টেইন পেন গোটাই ভাল পাওঁ। পুৰণা, নতুন এবিধ হ'লেই হ'ল। বাইদেউহঁতৰ, মামাহঁতৰ ঘৰলৈ গ'লে মই পুৰণা পেনৰ সন্ধানত পিটপিটাই ফুৰো। কাৰোবাৰ নিব বেয়া, সাফৰ নোহোৱা, নিলিখা পেনবোৰ পালেই মই ৰ'ব নোৱাৰো। জাৱৰৰ দ'মৰ পৰাও মই তাক বুটলি লওঁ। তাৰ নিলিখাৰ কাৰণ বিশ্লেষণ কৰো আৰু সাঁচি থওঁ। আজিৰি পৰত মই মোৰ ভৰাঁল উলিয়াই লওঁ। সিহঁতৰ মাজত পাৰ্মুটেচন কম্বিনেচন কৰো। এটা সময়ত এক ক'লাজৰ ৰং লৈ এটা নতুন পেনৰ সৃষ্টি

হয়। তাক মই লিখা কামত ব্যৱহাৰ কৰো। কলেজত মোৰ এই অভ্যাস কিতাপলৈ সলনি হ'ল। কিতাপ দেখিলে মই ৰ'ব নোৱাৰো। ভাল লগা কিতাপ এখন টোপনি ক্ষতি কৰি হ'লেও একে বহাই শেষ কৰো। হোষ্টেলত সেই অভ্যাস মোৰ নিচাত পৰিণত হ'ল। এটা ৰাতিত তিনিখনকৈ কিতাপ পঢ়াৰ ৰেকৰ্ড মোৰ হৈ গ'ল। গৰমৰ বন্ধত কলেজ নাই—ঘৰতে আছো। এদিন সম্পৰ্কীয় মামা এজন আমাৰ ঘৰলৈ আহিল—গাড়ী লৈ। গাঁৱৰ সমনীয়াৰ লগত ভাইটিহঁতে গাড়ীখন আগুৰি ধৰিলে। বীৰদৰ্পে মামা গাড়ীখনলৈ আহিল। পিছফালৰ আইনাখনত কাৰোবাৰ হাতৰ আখৰ দেখিলে। মামাৰ খঙে মূৰৰ চুলি পালে। তেওঁ ভাইটিক পূৰ্ণহতীয়া চৰ এটা মাৰিলে। ইডিয়ত ক'ৰবাৰ? ধুলিয়ে গ্লাচ কাটে বুলি নাজান নেকি? নাম লিখাৰ আৰু ঠাই নাপালি। চৰটো খাই ভাইটিয়ে সেমেনা-সেমেনি কৰিলে। কান্দিবলৈ পাহৰি গ'ল। এনেকুৱা লঘু দোষত ইমান গুৰুতৰ শাস্তি পাব বুলি সি কল্পনাও কৰা নাছিল। আইনাত নিজৰ নামটো লিখি চোৱাৰ হেঁপাহৰ মূল্য সি বাৰুকৈয়ে ভৰিব লগা হ'ল। ৰাতি সি ভোক নাই বুলি ভাত নাখালে। বিছনাত পৰি খচ্‌মচাই থাকিল।

ওৰে নিশা টোপনিৰ স'তে যুঁজা যুজত হাৰ মানি ৰাতিপুৱাই মই সোনকালে বিছনা এৰিলো।

তাৰ পাছত গম নোপোৱাকৈয়ে মোৰ ধ্যান গাড়ীলৈ সলনি হ'ল। চাৰিচকীয়া যিকোনো ধৰণৰ গাড়ী দেখিলে মই নেদেখা হোৱালৈ চাই থাকো। বহুত দূৰৈৰ পৰা মোৰ চকুত পৰে তাৰ ৰং, মডেল, কৰ্পৰেট হাউচ, ক্ৰমে ডিজাইন, কেপাচিটি আৰু পাৱাৰ ষ্টিয়াৰিঙকে ধৰি শেহতীয়া অত্যাধুনিক বৈজ্ঞানিক কৌশল। আনকি চকুৰ আঁৰ নোহোৱালৈকে তাৰ নম্বৰ প্লেটখন।

## (৪)

ব্যস্ত মহানগৰীৰ ৰেলৱে ক্ৰছিঙত বহুবছৰ বিৰতিৰ মূৰত এদিন গাড়ী এখন ৰৈ থকা দেখিলো। ক'লা ৰঙৰ এম্বেছেদৰ গাড়ী। চৰকাৰী ফলকখন এক আৱৰণেৰে ঢকা। চিপাহী এজনে অকলে যৎপৰোনাস্তি চেষ্টা কৰিছে গাড়ীখন ঠেলিবলৈ। পৰা নাই। এটা সময়ত ড্ৰাইভাৰজনো নামি আহিল। এখন হাতেৰে ষ্টিয়াৰিঙ আৰু আনখন হাতেৰে বডিত ধৰি তেওঁ চিপাহীজনক সহায় কৰিলে। দুয়ো গাড়ীখন ঠেলি ষ্টাৰ্ট কৰাৰ উপক্ৰম কৰিলে। ভাগৰি পৰা দেখি মই ৰ'ব নোৱাৰিলো। ৰিক্সাৰ পৰা নামি মইও গাড়ীখন ঠেলিবলৈ আৰম্ভ কৰিলো। এটা

সময়ত ইঞ্জিন ষ্টাৰ্ট হ'ল। পৈণত ড্ৰাইভাৰজনে চিটত বহি গাড়ীৰ ষ্টিয়াৰিঙ চম্ভালি ল'লে। তেতিয়াহে দেখিলো গাড়ী ভিতৰত এজন ভদ্ৰলোক বহি আছে। চকুত তেওঁৰ ৰঙীন চশমা। গাড়ীৰ ক'লা গ্লাচৰ কাৰণে মই ইমান সময় ধৰিব পৰা নাছিলো। মানুহজন মোৰ চিনাকি যেন লাগিল। দেখাত ফিটফাট কিন্তু মুখখন ইমান চিনাকি! 'হাৰে মৃগেন দা আপুনি! ইমান বছৰৰ মূৰত'—মই হাত মেলি দিলো। ক্ষণিক আগৰ কৃতজ্ঞ চিপাহীজন জিজ্ঞাসু হৈ উঠিল। তেওঁ কাৰ্বাইন টোৱাই মোৰ ফালে আগুৱাই আহিল। ভদ্ৰলোকে ইংগিতেৰে তেওঁক বাৰণ কৰিলে। ড্ৰাইভাৰে গাড়ীত স্পিদ দিলে। কোনো কথা নোকোৱাকৈ ভদ্ৰলোক গুছি গ'ল।

ক'লা ৰঙৰ গাড়ীখন নেদেখা হোৱালৈ মই তন্ময় হৈ ৰ'লো।

ঘটনাৰ পাকচক্ৰত হতভম্ব ৰিক্সাৱালাজন কেনিবা নোহোৱা হ'ল। সম্ভৱতঃ পুলিচ, বন্দুকৰ মাজত তেওঁ সোমাবলৈ মন নকৰিলে। মনটো বেয়া লাগিল। ভাড়া নোলোৱাকৈ বেচেৰা গুছি গ'ল। ওচৰে-পাজৰে এতিয়া আন এখন ৰিক্সা পাবলৈ নাই। ৰেলৰে ক্ৰছিঙ পাৰ হৈ মই নাতিদূৰ আগবাঢ়ি গ'লো। বহুদিন অনভ্যাসৰ মূৰত মোৰ শাৰীৰিক পৰিশ্ৰম হৈছে। কপালত বিন্দু বিন্দু ঘাম বিৰিঙিছে। গাড়ীখনৰ ধুলি-মাকতিৰে দুয়োহাত লেতেৰা। মন গ'লেও ঘামখিনি মচিব পৰা নাই। অকণমান পানীৰ সন্ধানত মই ৰাস্তাৰ দুয়োকাষলৈ চকু দিলো। নাতিদূৰৈত চাৰিচকীয়া গুমতিখনে মোৰ মনত আশাৰ সঞ্চাৰ কৰিলে।

কিশোৰ পুত্ৰক সাৰথি কৰি আদবয়সীয়া মানুহজনে গুমটিখনত চাহৰ দোকান চলাইছে। পাম্প দিয়া ষ্টোভটিৰ ওপৰত উতলা পানীৰ চচপেনটোৰপৰা চাহৰ গুৰিবোৰে সঘনাই বুৰবুৰণি তুলিছে। মগ এটাৰ পৰা গাখীৰ ঢালি মানুহজনে সুক্ষ্মভাৱে চাহৰ ৰঙ নিৰীক্ষণ কৰিছে। এটা সময়ত তাৰ গুলপীয়া ৰঙে গাঢ় ৰূপ ধৰিছে। মানুহজনে ষ্টোভটোৰ জুই কমাই দিছে—বুৰবুৰণিৰ প্ৰাবল্য কমি আহিছে। চাহ, চেনি, গাখীৰৰ মিশ্ৰিত গোন্ধ তীব্ৰ হৈ আহি মোৰ নাকত লাগিছে। মই চাহ একাপৰ প্ৰয়োজনৰ কথা বাৰুকৈয়ে অনুভৱ কৰিছো। গম নোপোৱাকৈয়ে মই তেওঁৰ সন্মুখত থকা বেঞ্চখনত বহি পৰিছো আৰু মানুহজনে আহি মোক সুধিছে, —চাহ খাব?

চাহ কাপৰ অৰ্ডাৰ দি মই হাত দুখন ধুই ল'লো। এতিয়াহে গাটো পৰিষ্কাৰ যেন লাগিল। ল'ৰাটোৱে চাহ একাপ আনি মোৰ হাতত দিলে আৰু কি খাম

সুধিলে। মই তাক হাঠা বিস্কুটৰ কথা ক'লো। সি নুবুজি বাপেকৰ ফালে চালে। বাপেকে মিচিকিয়া হাঁহিৰে ক'লে—'এতিয়া ক্রিম কেকাৰৰ যুগ। হাঠা বিস্কুট ক'ত পাব ?' তেওঁ নিজ হাতেৰে মোক এটা পান কেক দি গ'ল।

একেই গোন্ধ, একেই সোৱাদ। ক'ত খাইছিলো এনেকুৱা চাহ। হয় সৰস্বতী পূজাৰ আগদিনা ৰাতি চাৰে চাৰি বজাত তোৰণৰ কাম শেষ। চাহ একাপৰ তীব্ৰ বাসনা এটা প্ৰত্যেকৰে হৈছে। কি কৰা যায়? চিনিয়ৰ দাদা এজনে ক'লে—ব'ল। আপোনা আপুনি সকলোৰে অচল ভৰি ষ্টেচন ৰোডলৈ পোনালো। সেয়াই আৰম্ভণি। তাৰ পাছৰ পৰীক্ষাৰ আগৰ ৰাতি—আৰু ক'ত কি? নষ্টালজিক ভাৱনাই মোক ক্ষন্তেক কাবু কৰি ৰাখিলে।

বন্ধু এজনৰ অসুখ—হাস্পতালত আছে। তেওঁৰ খবৰ ল'বলৈকে মই আহিছো। বহু বছৰৰ মূৰত অহা কাৰণে চিনাকি ঠাইবোৰো অচিনাকি লাগিছে। ৰাস্তাবোৰ দুমুখীয়া আহল বহল হ'ল। গাড়ী-মটৰৰ সংখ্যা বাঢ়িল। ৰিক্সা নচলা ৰাস্তাত চিটিবাছ চলিল। পুৰণা দোকান-পোহাৰ কাৰো একো চিন নাই। হাস্পতালখনৰ সঠিক অৱস্থানৰ কাৰণে মই চাহ দোকানীজনৰ সহায় বিচাৰিলো। তেওঁ আঙুলিৰে নাতিদূৰৈৰ ঠাই এটুকুৰালৈ আঙুলিয়াই দিলে—খোজকাঢ়ি গ'লে বৰ বেছি পাঁচ মিনিট।

ঃ কিন্তু মই জনাত হাস্পতালখন পাহাৰ এখনৰ নামনিত আছিল। ইয়াততো পাহাৰৰ চিন মোকামেই নাই? মই আচৰিত হৈ ক'লো।

ঃ তাত বহু যুগ আগতে পাহাৰ এখন আছিল। পাহাৰখন এতিয়া মানুহৰ প্ৰয়োজন হ'ল। খান্দি তাক সমভূমি সজালে। নিৰ্বিকাৰ হৈ দোকানীজনে ক'লে।

চাহৰ পইচা দি মই যাবলৈ উদ্যত হ'লো। চকু এটাত বেণ্ডেজ বান্ধি অহা বয়সীয়া মহিলা এগৰাকীক ডেকা ল'ৰা এজনে ৰাস্তাটো পাৰ কৰাৰ প্ৰয়াস কৰিছে। অনভ্যস্ত মানুহ গৰাকীয়ে ব্যস্ত ৰাস্তাটো পাৰ হ'বলৈ ভয় কৰিছে। এখোজ আগুৱাই তেওঁ দুখোজ পিছুৱাই আহে। ল'ৰাটো বুঢ়ীজনীক লৈ বৰ বিপাণ্ডত পৰিছে। এখন হাতেৰে মানুহগৰাকীক ধৰি আনখন হাতেৰে গাড়ী-মটৰ নিয়ন্ত্ৰণ কৰিছে। ল'ৰাটোক সহায় কৰিবলৈ মই আগুৱাই গ'লো। ক'ত দেখিছিলো মানুহগৰাকীক? ল'ৰাটোক থকা ঠাইৰ কথা সুধিলো। সি গাঁওখনৰ কথা ক'লে। মই সম্বিৎ ঘূৰাই পালো—মৃগেন দাৰ মা! এনেকুৱা অৱস্থাত!

ঃ আপোনালোক আহিব বুলি মৃগেন দাক খবৰ দিয়া নাই নেকি? আচৰিত হৈ মই সুধিলো।

ঃ ৰেডিঅ'যোগে কেম্পটোৰ কথা শুনিলো। ৰাতিপুৱা আহি আবেলি ঘূৰি যাব পাৰি। সেইকাৰণে তাক খবৰ নিদিলো। চকুৰ চানিৰ অপাৰেচন। তাকনো সৰু কাম এটাৰ কাৰণে কিয় দিগ্‌দাৰ দিওঁ। এইটো ছোৱালীৰ নাতি—তাকেই লগত লৈ আহিলো, —মায়ে ক'লে।

ঃ এতিয়া পিছে ক'লৈ যাব? মই গাড়ীত তুলি দিওঁ?

ঃ মোক আদাবাৰীৰ লাইনৰ বাছত তুলি দিয়া, —মায়ে ক'লে।

ঃ কিয় মৃগেন দাৰ তালৈ নাযায়?

ঃ নাই, এতিয়া নাযাওঁ। কাপোৰ-কানি লৈ অহা নাই থাকো বুলি। মিছাতে সিহঁতৰ কষ্ট হ'ব।

ছোৱালীৰ নাতিয়েকৰ হাতত ধৰি মৃগেনদাৰ মা বাছত উঠিল। তেওঁৰ শীৰ্ণকায় হাতৰ শেতা শিৰাবোৰ মোৰ চকুত জিলিকি থাকিল।

হাস্পতালৰ ঠিকনা দিবলৈ এতিয়া ইয়াত পাহাৰখন নাই। চহৰক নগৰ সাজিবলৈকে চাগে মানুহে এনেকৈয়ে পাহাৰ ভাঙে। ৰাস্তাৰ দাঁতিৰ চাইনবৰ্ড চাই মই হাস্পতাললৈ খোজ দিলো।

●●●

# পাঁচ হেজাৰ বছৰীয়া নৰ-নাৰী

মৌচুমী কন্দলী

## হোমাগ্নিৰ ছাঁ

পকা অমিতাৰ মুখ। পুৰা পকা নহয়। এই পকিবলৈ ধৰোঁ ধৰোঁ। গাত মেৰ খাই থকা ঘিউৰঙী সিংখাপে সেই ৰঙচুৰা মণ্ডলত এক উজ্বলতাৰ প্ৰলেপ সানি দিছে। তাতে সামৰণ-স্পৰ্শৰ শেষ বোল আঁকি দিছে দগমগ জুইকুৰাই। তাৰ হালধীয়া দীপ্তিৰ তুলিকাৰে। অপূৰ্ব! উদুলি-মুদুলি দক্ষৰে পদূলি.....আজি হৰ-গৌৰীৰ বিয়াহে। নহয় হৰ-গৌৰী নহয়। হৰ-গৌৰীৰ আছে গ্ৰাম্যতা আৰু পাৰ্বত্য জনগোষ্ঠীয় ৰেশ। কৃষ্ণ-ৰুক্মিণী। এঃ নহয়—সাক্ষাৎ উষা-অনিৰুদ্ধ। ৰাজকীয়, আভিজাতিক। পুৰনৰ-পুৰনাৰী—নাগৰিক চৰিত্ৰৰ। মেট্ৰোনাগৰিক। কিন্তু এই উষা যে নিজেই সুনিপুণা—সক্ষম—ষ্ট্ৰীট স্মাৰ্ট। কোনো সখী চিত্ৰলেখাৰ ইণ্টাৰভেনশ্যনৰ প্ৰয়োজন নাই। নহয়—নহয়—এয়া অৰ্জুন-দ্ৰৌপদী হে। সয়ম্বৰ পৰ্ব! একেবাৰে মাছৰ চকুৰ লক্ষ্য ভেদ কৰি নৰই লাভ কৰিছে এই আতোলতোল সম্পদ। আৰু নাৰীয়ে সাতে পাঁচে বাৰৰ শত গণনা কৰি, বিচক্ষণ চিন্তাৰে প্ৰদান কৰিছে বৰমালা। উদুলি-মুদুলি দ্ৰুপদৰাজৰ পদূলি, আজি কৃষ্ণা-অৰ্জুনৰ বিয়া হে......

## হিট ড্যা টাৰ্গেট

এটা টাৰ্গেট হিট কৰা হ'ল। কন্‌জুগেল চেটেলটেণ্টৰ। কিন্তু আৰু যে কিমান টাৰ্গেট বাকী! উসঃ ছটফটনি লাগে। অপব্যয়—অপব্যয়—এই ৰিচুৱেল, লোকাচাৰ—বিধি-বিধান পৰ্বটো বৰ দীঘলীয়া হৈছে। ঘড়ীটোৱে কয় শুনা টিক্ টিক্ টিক্, সময় গৈছে উৰি ঠিক ঠিক ঠিক। নৰ-নাৰীৰ ছটফটনি বাঢ়িছে। অজস্ৰ ডেডলাইনে নৰ-নাৰীক হাত বাউলি দি মাতিছে। সহস্ৰ টাৰ্গেটে চকু পিৰিকিয়াইছে। চকুটিপ মাৰি মাৰি নৰ-নাৰীক আকুল আৱাহন জনাইছে।

জুইৰ তাপত নৰ-নাৰীৰ শৰীৰ তপ্ত। পিছে তাতোকৈ তপ্ত, উদ্বিগ্নতাৰেহে। এই বিৰতিৰ ফলত, অৰ্দ্ধসমাপ্ত টাৰ্গেটবোৰ হিট কৰিব পাৰিবনে নোৱাৰে, সেই চিন্তাই আনি দিয়া উদ্বিগ্নতাত। হে দ্বিজ, সোনকালে সমাপন কৰা তোমাৰ পাৰ্বন। ভৰা নাৰীগৰ্ভৰ ডিম্বাণুৰ দেৱালত শুক্ৰকীটবোৰে প্ৰৱেশ কৰিব নোৱাৰি নিস্ফলভাৱে মূৰ আফলিয়াই মৰাৰ দৰেই, দ্বিজ তুমি গাৰ্হস্থ্য ধৰ্মৰ শুভ আৰম্ভণীৰ হকে পাঠ কৰি থকা মন্ত্ৰবোৰেও প্ৰৱেশ কৰিব পৰা নাই এই নৰ-নাৰীৰ অস্থিৰ উদ্বিগ্ন চেতনাত। কেৱল চেতনাৰ বেৰত মূৰ খুন্দিয়াই উফৰি আহি একো একোটা অনৰ্থৰ নিষ্ফল ধ্বনি হৈ আত্মজাহ দিছে শূন্যতাত.......

## অভীপ্সাৰ উৰণ

শূন্যত ভাহিছে বিমান। তীব্ৰ অকম্পিত তাৰ গতি। নৰ-নাৰীৰ মন দুটাও দুখনি বিমান। তীব্ৰ গতিত ধাৱমান অভীপ্সাৰ অন্তহীন আকাশত। চিলাৰ দৰে ওপৰলৈ উৰি উৰি গৈ থাকে—গৈ থাকে সেই অভীপ্সা। চিলাৰ গতি আৰু উচ্চতাৰ সমানুপাতিক, স্তুপীকৃত মুদ্ৰাৰ পাহাৰ। সেই মুদ্ৰাৰ পাহাৰ নিৰ্মাণত জৰজৰকৈ সৰে ঘাম। কি একগ্ৰতা, সাধনা, কঠোৰ সংগ্ৰাম আৰু পৰিশ্ৰমৰে ঢাপে ঢাপে আগুৱাই গৈ থাকে নৰ-নাৰী। কিন্তু একাগ্ৰতা—তপস্যা—পৰিশ্ৰমৰ চকৰি ঘূৰে ডিপ্লমেচি আৰু সুকৌশলী নেটৱৰ্কিঙৰ লুব্ৰিকেণ্ট ফুৰেলেৰেহে। উপঢৌকন আৰু বিচিত্ৰ এক আদান-প্ৰদান পন্থাৰ ষ্টিয়েৰীঙৰে। ঘাম সৰে—জৰ জৰ ঘাম সৰে। অৱশ্যে, নৰ-নাৰীৰ সুবিশাল ভৱিষ্যবাদী কাৰুকাৰ্যৰ শীত-তাপ নিয়ন্ত্ৰিত কাৰ্যালয়ত, মূৰৰ ঘাম মাটিত পেলাই কাম কৰাৰ সেই গ্ৰাম্য কৃষিকাৰ্য সংলগ্ন উপমাটো এতিয়া এলাগী। কিন্তু আপ্তবাক্য উপমাৰ অতীত গৌৰৱেৰে মহীয়ান সেই অদৃশ্য ঘামৰ সাগৰেই মন্থন কৰি সৃষ্টি কৰে অৰ্থৰ হিমালয়। অৰ্থ আৰু জিকমিক বৈভৱৰ সেই হিমালয়ৰ সমুখত, শৈলতুষাৰৰ হিমালয়োযে নতজানু......

## জঁকাটো পিছে ৰাজনীতিৰে

হয় নতজানু হ'ল। হ'ব লগাত পৰিল। অনেক নেৰানেপেৰা অনুৰোধ—উপদেশ—আদেশ, দাবী-ধমকিৰ অন্তত সকলোৰে সমুখত দুয়ো নতজানু হ'ল আৰু বিবাহোত্তৰ এই বিশেষ ৰিচুৱেলটো পালন কৰিবলৈ বাধ্য হ'ল। প্ৰথমতেতো, এই বিবাহ নামৰ ৰিচুৱেলটোকেই পালন কৰাৰ সমূলি ইচ্ছা

নাছিল নৰ-নাৰীৰ। অনৰ্থক তিনিটা দিন নষ্ট। কিন্তু লগে লগেই অনবৰত ট ট কৈ চৌপাশে চকু ফুৰাই থকা সাংসাৰিক জ্ঞানৰ চক্ষু দুটিয়ে চকু পকাই ধৰিলে। মগজুৰ গাণিতীক বিভাগতো এলাৰ্ম সঙ্কেত বাজি উঠিছিল। নাই এই সুবৰ্ণ সুযোগটো হাতচাৰা হ'বলৈ দিব নোৱাৰি। প্ৰকৃততে বিবাহনো কি? দুই নৰ-নাৰীৰ আত্মা আৰু শৰীৰৰ মিলন? এক সামাজিক চুক্তি? নে দুই হৃদয়ৰ বুজাবুজি? —এক একৰ্ড? গোটেই কাৰবাৰটোত দুটি সামাজিক আৰু সাংস্কৃতিক মোহৰ লগাই থোৱা আছে। নহ'লে 'শৰীৰ আৰু আত্মাৰ মিলন হৈ গ'ল আমাৰ'—বুলি অনুভৱ কৰা দুই নৰ-নাৰীক সেই মুহূৰ্ত্ততেই বিবাহিত বুলি গণ্য কৰা নহয় কিয়? সমাজ তাত সাক্ষীগোপাল হ'ব লাগে কিয়? নিতান্তই ওচৰৰ কেইজনক মনৰ আনন্দত তেওঁলোকে খাই ভাল পোৱা প্ৰিয় খাদ্য কিছু নিবেদন কৰি, কিছু চেলিব্ৰে'শ্যন কৰিলেই জানো বিবাহ হৈ যাব নোৱাৰে? পাৰে, কিয় নোৱাৰে। কিন্তু তাৰ বাবে এক সুবিশাল আয়োজন কৰা হয় কিয়? কিয় পালন কৰা হয় বিধি-বিধান-মন্ত্ৰোচ্চাৰণৰ পাৰ্বন? সেইখিনিও বাৰু পৰম্পৰাৰে নামত আৰু হৃদয়াবেগৰ খাতিৰত। কিন্তু সঁচাকৈয়ে সকলোৰে কোৱাৰ দৰে ই জানো কেৱল এক অপৰিহাৰ্য সাংস্কৃতিক কৰ্মকাণ্ডহে? কিয় জানো, নৰ-নাৰীৰ ভাব হৈছিল, এই সংস্কৃতিৰ প্ৰসঙ্গটো যেন নিতান্তই দেহৰ ওপৰৰ ছালখনিৰ দৰেই এক ওপৰ স্তৰৰ প্ৰসঙ্গহে। তেনেই এক পাতল—নান্দনিক প্ৰলেপ মাত্ৰ। ছালৰ তলত থাকে মাংস আৰু তেজৰ সাম্ৰাজ্য। তাৰো তলত হাড়ৰ জঁকা। শৰীৰ-স্থাপত্যৰ মূল কাঠামো। বিবাহ নামৰ এই প্ৰাচীন অনুষ্ঠানটোৰ জঁকাটোও যেন প্ৰকৃততে ৰাজনীতিৰহে। ৰাজনীতিয়েই হৈছে তাৰ মূল পৰিকাঠামো। হয়—হয়! ৰাজনীতি মানে কেৱল দল-সংগঠন, শাসনতন্ত্ৰৰ পৰিচালন, নিৰ্বাচন-গণতন্ত্ৰ-ৰাজতন্ত্ৰ-সামন্ততন্ত্ৰ—সেয়াই জানো? ম্যেন ইজ এ পলিটিকেল এনিম্যেল। ৰাজনীতি আৰম্ভ হয় মানুহৰ নিজৰ পৰাই। স্বগৃহৰ পৰাই। সম্পৰ্ক—আন্তঃসম্পৰ্কৰ সমীকৰণবোৰৰ পৰাই। সেই ৰাজনীতিৰ সমীকৰণবোৰৰ এটা হৈছে বিবাহ নামৰ এই আশ্চৰ্য অনুষ্ঠানটো। অনুষ্ঠান পালনৰ প্ৰক্ৰিয়া আৰু ধৰণতে নিহিত থাকে সামাজিক ষ্টেটাচ আৰু প্ৰতিপত্তি-বৈভৱৰ সাৰাৎসাৰ। কাৰুকাৰ্য-অলঙ্কৰণ, ভোজন-খাদ্যৰ তালিকা হৈছে বৈভৱৰ সূচক। আৰু অভ্যাগতৰ তালিকাখন? সামাজিক-ৰাজনৈতিক প্ৰতিষ্ঠা আৰু প্ৰতিপত্তিৰ দ্যোতক। আহ! কথাটো হৃদয়ঙ্গম কৰাৰ লগে লগেই নৰ-নাৰীয়ে অতি সুনিপুণ পৰিকল্পনাৰে তেওঁলোকৰ সামৰ্থ আৰু সফলতাৰ নিচানখন

বিবাহৰ বহুবৰ্ণী চিকমিকিয়া তম্বুটোৰ চূড়াত উৰুৱাই দিলে। আকাশ ধিয়াই উৰি থকা সেই নিচানৰ কঁপনিয়ে মন আৰু শৰীৰলৈ আনি দিলে অভাৱনীয় উদ্যম আৰু স্ফূৰ্তি। কিন্তু..... আৰু কিমান সময় অপব্যয় কৰিব—কিমান অপচয় হ'ব এই বিবাহোত্তৰ ৰিচুৱেলটিৰ নামত? কিন্তু নাই, সকলো মুখৰ হৈ পৰিল—পিতৃ-মাতৃজন, আত্মীয়-স্বজন-বন্ধু-বান্ধৱ পৰিজন। 'মানুহক অকণমান ৰীল্যাক্‌চেইশ্যানৰ প্ৰয়োজন দেই', 'জীৱনত এবাৰেই অহা বস্তুবোৰ কিন্তু উপভোগ কৰি ল'ব লাগে', 'অৰ্হনিশে ৱৰ্কহ'লিক হৈ ৰেটৰেছত দৌৰি থাকিলে কিন্তু জীৱনৰ ধুনীয়া ধুনীয়া কথাবোৰ সেই ৰেটেই কাটি-কুটি নিশ্চিহ্ন কৰি দিয়ে', 'দিনে ৰাতিয়ে কেৱল কাম-কাম-কাম-কাম বুলি দৌৰা-দৌৰি কৰি থাকিলেই নহয়, খন্তেক বৈ অলপ ৰিলেক্স হৈ পৃথিৱীখনো এবাৰ চাব লাগে', 'ইজনে সিজনক সময় নিদিলে বুজা বুজি হ'ব কেনেকৈ—বণ্ডিং কেনেকৈ হ'ব'—ইত্যাদি ইত্যাদি বাক্যগুচ্ছৰ আতিশয্যত অতিস্থ হৈ অৱশেষত, দুই নৰ-নাৰীয়ে বিবাহ সম্পন্ন হোৱাৰ পিছদিনাই উৰন্ত বিমান এখনিৰ চিটবেল্টৰে আষ্টপৃষ্ঠৈকে বান্ধ খাই পৰিলহি। নাৰীয়ে আলফুলে কেঁচুৱাৰ দৰে কোলাত তুলি ল'লে এটা লেপটপ। আৰু পুৰুষে সমুখৰ চিটসংলগ্ন কণমানি স্ক্ৰীণখনিৰ বিজনেছ চেনেল এটি খুলি, চাবলৈ ধৰিলে শেহতীয়া বজাৰ বিশ্লেষণ। দুখন স্ক্ৰীণত মূৰ গুজি বহি থকা দুই নৰ-নাৰীৰ লাগেজবোৰত নে চিকিউৰিটি কাউণ্টাৰত, নে অবচেতনৰ খাদত পৰি থাকিল মধুৰ পাত্ৰ আৰু আসক্তি ৰহিত নিথৰ আকাশত, এটা মৰাশৰ দৰে পৰি ৰ'ল সেই মায়াময় চন্দ্ৰিকা—there is neither honey in the bottle nor moon in the sky.......

## আকাশত চন্দ্ৰিকা নাই মধু পাত্ৰও উদং

ৰিছৰ্টৰ বুকিঙ কৰি থোৱা সুসজ্জিত কোঠাত প্ৰৱেশ কৰিয়েই নৰ-নাৰীয়ে স্নান সমাপন কৰিলে আৰু খুলি ল'লে ফটিকাৰ বটল। 'চামথিং স্পেচিয়েল'ৰ লগতে চকলেট ৱাইন, স্মকড্ লেম্ব আৰু সুস্বাদু ৰসাল ফল, পাচলি আৰু সিজোৱা মাংসৰ এক মিক্সড্ চালাড। চালাডৰ ওপৰত ছটিয়াই ল'লে টবেস্ক'চ চছ। উমম্—হেভেনলী! স্বৰ্গীয়—অতি স্বৰ্গীয়। আৰু লগে লগে দুয়োকে হেঁচি ধৰিলে হেজাৰ যুগৰ অপাৰ ভাগৰ, ক্লান্তি আৰু অৱসাদে। অতদিনে যেন হেজাৰটা জনপদ দুয়ো খোজকাঢ়ি কাঢ়িহে আহি আছিল। তপ্ত শুকান মৰুৰ বাটেৰে। নাৰী এক কম্পেনীৰ কৰ্পৰেট কমিউনিকেশ্বনৰ হেড। পুৰুষ সেই

আন্তৰ্জাতিক কম্পেনীৰে মাৰ্কেটিঙ হেড। ফাইভ ডিজিট চেলাৰি। নিজ জন্মস্থানৰ পৰা হেজাৰ মাইল দূৰত্বত, ব্যস্ততম মহানগৰীবোৰৰ এখনৰ সিহঁত বাসিন্দা। আচলতে ইমান দিনে প্ৰায় লিভ-ইন-ৰিলেশ্চনতেই থকাৰ নিচিনা। কিন্তু নিকট আত্মীয় কেইজনৰ প্ৰতি কমিটমেণ্টৰ কাৰণেই এই ৰিচুৱেলটোৰ সিহঁতে পালন কৰাৰ সিদ্ধান্ত ল'লে। ৰিলেক্সড হৈ ল'ব পাৰিলে, কামত কোনো টেন্‌শ্যান নাথাকে। সেয়ে এই টাৰ্গেটটোও হিট কৰা হ'ল। চ' দেট এভ্ৰিথিং বিকাম্‌চ ফেয়াৰ এণ্ড ফাইন এট্‌ হ'মফ্ৰণ্ট—ফৰ দি অল্ড গাইজ—মা-পাপা—মম্‌-ডেড্‌। তাৰ বাহিৰে নতুনকৈ আৱেগ-উত্তেজনা-শিহৰণ অনুভৱ কৰিবলৈ একো নাই—শৰীৰতো, মনতো। পাৰস্পৰিক সম্পৰ্কটোত নতুনকৈ সন্ধান কৰিবলৈ নাই একো ৰহস্য—মনৰ প্ৰতিখন দুৱাৰ খোলা হৈ গৈছে—শৰীৰৰ প্ৰতিটো ৰন্ধ্ৰ চিনাহৈ গৈছে—বাচ, এতিয়া প্ৰয়োজন অকণমান বিশ্ৰামৰ, সকলো ভাগৰ আৰু অৱসাদ আঁতৰাই শৰীৰক পুনৰ ৰিভাইভ কৰিব পৰা অকণ বিশ্ৰাম। 'চামথিং স্পেচিয়েলৰ' কাঢ়া নিচা, চকলেট ৱাইন, স্মকড্‌ লেম্ব আৰু মিক্সড চালাডৰ সুস্বাদু মিশ্ৰণখিনিয়ে যেন অতদিনে হেঁচা মাৰি থৈ দিয়া ভাগৰ আৰু অৱসাদখিনিক হু হুৱাই সোমাই আহিবলৈ দুৱাৰ এখন বহলকৈ মেলি ধৰিলে আৰু সিহঁত দুয়ো ঢলি পৰিল এক অনন্ত নিদ্ৰাত। প্ৰথম দুদিন সেই অনন্ত টোপনিৰ কুম্ভকৰ্ণ শয়নত প্ৰায় মৃতৰ দৰে পৰি থাকিল দুয়ো। দ্বিতীয় দিনাৰ সন্ধিয়া সিহঁতে সম্পূৰ্ণকৈ সাৰ পালে। শৰীৰ হ'ল তজবজ-সতেজ-প্ৰাণবন্ত। আহ-পাহ মুকলি হ'ল। সোণত সুৱগা চৰাবলৈ দুয়ো নামি গ'ল লাউঞ্জৰ 'বিউটি কেয়াৰ এণ্ড মেছেজ পাৰ্লাৰিলৈ' পুৰুষ-নাৰীৰ বাবে আছুতীয়া দুটা পৃথক কোঠাত সোমাই নৰ-নাৰীয়ে প্ৰাণভৰি উপভোগ কৰিলে স্পাৰ এৰোমা থেৰাপী। শৰীৰ মন কঁপাই তোলা সুগন্ধি ফুলৰ সুঘ্ৰাণত বুৰ মাৰি শৰীৰে লাভ কৰিলে অপাৰ সুখ আৰু প্ৰশান্তি। পেডিকিউৰ-ম্যেনিকিউৰ-ফেচিয়েল-বডি মেচেজৰে ঠন ধৰি উঠা প্ৰাণত সাৰ পাই উঠা অজস্ৰ সুখ বিন্দুৰ ৰসনাৰে সম্পূৰ্ণ দুদিনৰ পাছত সিহঁতে অনুভৱ কৰিলে—পেটত এক তীব্ৰতম আগ্ৰাসী ভোক। নৰ-নাৰী উঠি গ'ল সাত মহলাৰ শাৰী শাৰী ৰেস্তোৰাৰ থিমেটিক পৰিৱেশনালৈ। এৰা, তাত সকলো থিমেটিক, বিষয় নিৰ্ভৰ। কোনো একোখন বিশেষ ঠাই, এটি বিশেষ সংস্কৃতিৰ আধাৰত পৰিৱেশন কৰা হয় খাদ্য। আৰু সেই খাদ্য গ্ৰহণৰ আৱহাৱাক। এঠাইত ইটালীয় ৰেনেছাকালীন ৰেস্তোৰা, ক'ৰবাত আৰব্য ৰজনীৰ সোৱাদ, চীন দেশীয় উপচাৰ, ক'ৰবাত কাউবয় চেটিঙ্‌চ ম'ৰক্কৰ সুবাস অথবা অৰিয়েণ্টেল আৱেশ। নৰ-নাৰীও সোমাই গ'ল এখন দ্বাৰেৰে। অভ্যন্তৰত

অৰিয়েণ্টেল স্থাপত্যৰ পৰশ। আচবাব-পত্ৰ, খাদ্য পৰিৱেশনৰ পাত্ৰ সকলো প্ৰাচীন সামন্তীয় শৈলীত সজোৱা। বেৰত ম্যুঁৰাল পেইন্টিঙৰ বাহাৰ। পাৰস্য দেশীয় শৈলী। চকুত বিয়াগোম এটি ৰৌপ্যৰ মিনা কৰা চুৰাহী। প্ৰৱেশ পথত বৰটোপ। চকী-মেজৰ সলনি দীঘলীয়া শয্যাৰ ছেটি আৰু মখমলৰ গোল গোল গাৰু। বতাহত সুগন্ধি আতৰ। পৰিচাৰক-পৰিচাৰিকাৰ দেহত আদি মধ্যযুগীয় সাজ—মূৰত মোগলাই পাগ, বাহুত খাজকটা বাজু। অপূৰ্ব! সঁচাকৈয়ে ই কি এক ভিণ্টেজ—এক্স'টিক পৃথিৱী—'কিংছ এণ্ড কুইনছৰ'......

## কিংছ এণ্ড কুইনছ

ৰজা আৰু ৰাণী। 'কিংছ এণ্ড কুইনছ'ৰ বতাহবোৰ, তাৰ পৰিৱেশ আৰু সময়খিনি যেন নৰ-নাৰীৰ অভ্যন্তৰলৈকে সোমাই আহিল। নিচাত দোৰোল খোৱা নৰৰ জিভাই নাৰীক সম্বোধন কৰিলে—মহাৰাণী, প্ৰিয়তমা, শয়ন কক্ষলৈ নোযোৱা জানো—নৰৰ ৰজাৰূপী এনে বচন আৰু ভঙ্গীমাত উৎসাহিত হৈ নাৰীয়েও সহযোগ কৰিলে—বলক স্বামী দেৱতা। পিছে আন্ধাৰ ক'ৰিডৰত যেন আপুনি মোক অভয় প্ৰদান কৰি নিয়ে, আপুনিয়ে মোৰ ৰক্ষক, ত্ৰাণকৰ্তা, মোৰ পৰমেশ্বৰ। ভীতা-কোমলা-অৱলা নাৰীৰ অভিনয়ৰে জীৱন্ত হৈ উঠা ৰাণীয়ে ৰজাৰ কণ্ঠলগ্না হৈ নামি আহিল তৃতীয় মহলাৰ শয়ন কক্ষলৈ। এই অভিনয়খিনি কৰি সিহঁতৰ বেছ স্ফূৰ্তি লাগিছিল। উৎসাহৰ চাকিটো আৰু দুগুণে জ্বলাই নাৰীয়ে প্ৰস্তাৱ দিলে—লেটছ্ কণ্টিনিউ দিচ্ টিল টুম'ৰ—ইট ৱিল বি ফান—ৰিয়েল ফান—বাট ৱি শ্বেল প্লে ড্যা গেইম ভেৰি চিৰিয়াছলি। ৰজায়ো চাকিটোত উত্তেজনাৰ অলপ তেল ঢালি উত্তৰ দিলে—অ'কে ডান! আই এম ড্য অলমাইটি কিং এণ্ড দাও শ্বেল বি মাই বিলাভেদ কুইন! ৰজাই উৎসাহেৰে ভাবিলে—হওক হওক এনেকুৱা কিবা এটাৰেই এই ৰিচুৱেলটোক 'চামথিং স্পেচিয়েল' কৰা যাওক—অন্য এটা চৰিত্ৰ হৈ, অন্য এক চৰিত্ৰৰ ছদ্মবেশ হৈ সন্ধান কৰা যাওক আছে নেকি কিবা এক অৱশিষ্ট ৰহস্যৰ সম্ভাৰ—অৱচেতনৰ খাদত আছে নেকি আৰু কিবা গুপুত খনি—অনুধাৱন নকৰা কিবা সত্য। আৰুতো এনেকুৱা গেইম সিহঁতে আগতেও খেলিছে। আচলতে প্ৰায়ে সিহঁতৰ সেই বিশেষ জীৱন চৰ্যাৰ বৃত্তত, এনেকুৱা সৰু ধেমালি, বৰ ধেমালিৰ আয়োজন হৈয়েই থাকে। কম্পেনী চাৰ্কোল অথবা তাৰ শাখা-প্ৰশাখাৰ বৃত্ত-উপবৃত্তবোৰত অনুষ্ঠিত কৰা হয় নৈশ উৎসৱৰ তেনে বিশেষ আয়োজন। থিমেটিক—বিষয় নিৰ্ভৰ। সৃষ্টি কৰা হয় একোখন মায়াবী বাস্তৱ। বিভ্ৰমৰ ছয়াময়া ইন্দ্ৰজাল।

গোটেই নিশাজুৰি চলি থকা সেই মেজিক নাইটলৈ সকলোৱে আহে একো একোটা ছদ্মবেশ ধৰি। কোনোবা আহে আপাদমস্তক ক'লা আলখাল্লাৰে ঢকা এক যাদুকৰ হৈ। মূৰত ক'লা টুপী, হাতত চামৰাৰ দস্তানা আৰু যাদুদণ্ড। কোনোবা আহে মূৰত শিং থকা চয়তানৰ বেশ লৈ। কাৰোবাৰ পিঠিত আকৌ দুখনি পাখি। কিম্বদন্তী চৰিত্ৰ হৈয়ো আহে কোনোবা—ক্লিউপেট্ৰা, হেলেনা অথবা নেফাৰটিটি। সম্ৰাট বিম্বিসাৰ অথবা নাপ'লেঅ' ব'নাপার্ট। এৰাতিৰ 'মেক বিলিভৰ' পৃথিৱীখনত তাৰ ধূসৰিত পোহৰ আৰু ৰহস্যময় আন্ধাৰত ছদ্মবেশী চৰিত্ৰবোৰৰ অভিনয়েৰে আৰম্ভ হয় ৰোমাঞ্চকৰ খেলা। মুখৰ ওপৰত পিন্ধি লোৱা মুখাৰে, নিবিড় ছন্দোময় নৃত্য-গীতৰ সুৰদী সুৰীয়া লহমাৰে অন্ধকাৰ মজিয়াত উন্মোচিত হয় অন্য এক ৰাতিসেৰা। মুখাবোৰ মুখ হৈ যায়—মুখবোৰ মুখা।

কেতিয়াবা সেই ৰোমাঞ্চকৰ খেলাৰ ৰোমাঞ্চবোৰ আৰু এঢাপ আগুৱাই যায়। ছয়াময়া আন্ধাৰৰ মাজত অনুষ্ঠিত হয় এক বিশেষ মিউজিকেল চেয়াৰ—অৱশ্যে চকীবোৰেৰে সাজি লোৱা বৃত্তটোত কেৱল উদং চকীবোৰেই বৈ নাথাকে। সঙ্গীতৰ ধ্বনি শেষ হোৱাৰ লগে লগেই সেই চকীত বহিবলৈ দৌৰি অহা নাৰী খেলুৱৈসকলৰ বাবে, আকুল মনেৰে অপেক্ষা কৰি বহি ৰয় এজাক পুৰুষ। যি নাৰীয়ে যিজন পুৰুষৰ চকীৰ আবেষ্টনীত বহি পৰে, সেই ৰাতিটো তেওঁৰ বাবেই উৎসৰ্গিত—অৱশ্যে এই নৰ-নাৰী দুটিয়ে সেই দ্বিতীয় ঢাপৰ বিশেষ ৰোমাঞ্চকৰ খেলাটোত অংশীদাৰ হ'বলৈ পৰা নাই এতিয়াও। ৰাতিসেৰাৰ পন্থাটো যেনেদৰে তেনেই গুপুত পন্থা, নিতান্তই এক্সক্লুচিভ তাৰ সদস্যপদ, ঠিক তেনেদৰেই আধুনিকতম জীৱন-যাত্ৰাৰ এই ৰাতিসেৰাবোৰো—একোটাকৈ নিৰ্দিষ্ট এলিট ক্লাবৰ মেম্বাৰৰ বাবেহে এক্সক্লুচিভ। তথাপিও, বতাহত বিয়পি পৰে তাৰ ৰহস্যময় সুগন্ধি। সঁচা-মিছা-ৰহনসনা, মিথ-মিথ যেন লগা ৰূপকথাৰ সেই পৃথিৱীখন এবাৰ জুমি চাবলৈ তীব্ৰতম ইচ্ছা হয় দুই নৰ-নাৰীৰ—চকুৰ পতাত বাহ সাজি থকা অজস্ৰ সপোনৰ সূতাই টানি টানি নি থাকে সিহঁতক। কেতিয়াবা আন্ধাৰগলিত উজুটি খালেও, আকৌ খপজপকৈ খেপিয়াই খামুচি ধৰেগৈ সেই সপোনৰ সূতা.....

আন্ধাৰতে খপজপাই খপজপাই ৰজায়ো খামুচি ধৰিলেগৈ বিছনাৰ খুঁটাটো। ৰাণীয়ে বেৰত খেপিয়াই খেপিয়াই জ্বলাই দিলে ডিমলাইটৰ চুইচ্ছ। পাতল নীলাভ পোহৰত দেখা গ'ল ৰজা বিছনাত চিতভোলোঙা খাই পৰি আছে আৰু দোৱোলখোৱা জিভাৰে আদেশ দিছে—ৰাণী মোৰ পাদুকাযোৰ খুলি দিয়া।

আপাদমস্তক কঁপি উঠিল নাৰী। হাউ দেয়াৰ হি! কি ব'লকিছা? বিয়াৰ দুদিন নৌহওঁতেই এনে অৱস্থা—য়ু ট্রিট মি লাইক এ বিচ্ছ—এ ড'ৰটেট, য়ু ফিউডেল ফ্রড, মেল চ'ভিনিষ্ট পিগ! নিচাই অৱশ কৰি অনা ৰাণীৰ জিভাখনেও সৰ্বশক্তিৰে গৰজি উঠিল। লগে লগে কোব খোৱা সাপৰ দৰে লেও সেও ৰজাৰ আত্মা। —লৰণু কোমল কণ্ঠেৰে ক'লে—হাৰে তুমিয়েই দেখোন কৈছিলা—লেটছ্ কণ্টিনিউ দিচ্—য়ু অনলি ষ্টাৰটেট দ্য গেইম—তুমিয়েইতো আৰম্ভ কৰিছিলা এই ফেন্টাচীৰ খেলা—বি স্প'ৰ্টিয়াৰ। স্প'ৰ্টি হৈ ৰাণীয়েও আকৌ এবাৰ মিচিকিয়াই হাঁহিলে—সুযোগ লৈছে, ৰজা সুযোগ—য়ু আৰ টেকিং এডভাণ্টেজ অৱ দ্য গেইম..... হ'ব বাৰু, দেখা যাওক আপুনি কিমান দূৰ যাব পাৰে, কিমান সীমা অতিক্রম কৰিব পাৰে। ৰজাৰ আদেশ মতেই ৰাণীয়ে খুলি দিলে ভৰিৰ জোতা, সোলকাই দিলে সাজ, জাগৰ পৰা বাকি দিলে পানী আৰু হাতত তুলি দিলে সুগন্ধি জলফাইতেল—ল্যা অলিভৰ এটা বটল, আৰু ৰাণীৰ সুকোমল হাতৰ তৈলমৰ্দনৰ তালে তালে, ক্রমে ক্রমে নদীৰ বালিৰ তপত উমত শুই থকা অজগৰ এটা যেন সাৰ পাই উঠিল। এটা পাঁচহাজাৰ বছৰীয়া অজগৰ। হঠাৎ কুণ্ডলী পকাই বহি ল'লে সি নৰৰ চেতনাত আৰু সেই পাঁচহাজাৰ বছৰীয়া সৰ্পৰ আত্মাৰে নৰই নিৰ্দেশ দিলে নাৰীক—অ' এতিয়া আমি পৰৱৰ্তী ক্রমলৈ আগবাঢ়িম—এটা বিশেষ কাম কৰিম। সেই কামৰ প্ৰস্তাৱটো শুনি ৰাণীৰ জিভা ঘৃণা আৰু ক্রোধত কোঁচ খাই আহিল। অসম্ভৱ —অসম্ভৱ! বিছনাত শায়িত ৰজাৰ চেতনাত ফেট তুলি বহি থকা বিয়াগোম অজগৰে হঠাতে যেন সহস্ৰমুখৰ কালীয় নাগৰ ৰূপ ধাৰণ কৰিলে। তৰিৎ গতিত জাঁপ মাৰি উঠিল বিছনাৰ পৰা আৰু খামোচ মাৰি ধৰিলেহি ৰাণীৰ বাহু—বজ্ৰাহতৰ দৰে স্তব্ধ হৈ ৰ'ল ৰাণী। এতিয়ালৈকে কাহানিও প্ৰত্যক্ষ নকৰা ই কি এক ভয়ঙ্কৰ মুখ নৰৰ! হাড়ৰ মজ্জাৰ ভিতৰলৈকে শিয়ৰি উঠিল নাৰী আৰু এখোজ দোখোজকৈ পিছুৱাই গ'ল। নৰৰ চকুত আগতে কাহানিও নেদেখা দুটা জ্বলি থকা আঙঠাৰ তিৰবিৰ শিখাত, ভয়াৰ্ত, স্তম্ভিত নাৰী ঠাইতে মাটিত বহি পৰিল। ভৰি দুখন যেন কুমজেলেকুৱা নে শামুকৰ ভৰি—হাড়হীন, অবলম্বনহীন। বহি পৰা নাৰীৰ দুবাহুত খামুচি ধৰি চোঁচোৰাই টানি আনি নৰই বিছনাখনত বগৰাই পেলালে, সহস্ৰ জিভাৰ কালীয়নাগে হিচহিচাই উঠিল আৰু ৰাণী পৰি ৰ'ল এক অ'ডালিস্কৰ দৰে। অ'ডালিস্ক! এৰা অ'ডালিস্ক! কিন্তু সেই অ'ডালিস্কৰ চকুত কামনাৰ আহ্বান নাই। আছে হীম শীতল ভয় আৰু ঘৃণাৰ নিৰুপায় সমৰ্পন। আচলতে নাৰী ঘটনাৰ অভিজ্ঞতাৰ পৰিধিৰ বহু নিলগত। আৰু সবাতোকৈ

অনাকাঙ্খিত। গভীৰ কান্দোন এটায়ো যেন কোনোবা অতল তলিৰ পৰা এটা শিশুৰে দৰে ভূৰুং কৈ ভূমুকি মাৰিলে আৰু নিমিষতে পুনৰ ডুব গ'ল তাতোকৈ গভীৰ এক ভয়ৰ জলপৃষ্ঠত। নাৰী পৰি ৰ'ল এডাল নিঃসাৰ, ছিন্নমূল ভূপতিত বৃক্ষৰ দৰে। এক নিস্প্ৰাণ অ'ডালিস্ক হৈ—আৰু সেই অ'ডালিস্কৰ শৰীৰত সহস্ৰ ফনাৰ দংশনেৰে ৰজাই আৰম্ভ কৰি দিলে আগ্ৰাসী অধিগ্ৰহণ—যেন এক ৰণোন্মাদ ঘোঁৰা, খুৰাৰ গচকত খহাই গৈছে জৰৌৰোৱা মাটি। আৰু ঘোঁৰাৰ সেই হেঁহনিত সাৰ পাই, স্মৃতিৰ শ্মশানৰ পৰা উঠি আহিল এখন মুখ আৰু এটা নিজান দুপৰীয়া......

## নিজান দুপৰীয়া আৰু হিটলাৰৰ মুখ

নিজান দুপৰীয়া এটা। এটি কণমানি ল'ৰাই এজাক পুতলা আৰু গাড়ীৰে অকলে অকলে খেলি আছে। ঘৰত কোনো নাই। ককায়েক স্কুলত। দেউতাক অফিচত আৰু মাক লেডিজ ক্লাৱৰ মাহ্লী কিটি পাৰ্টিৰ আয়োজনৰ বাবে বজাৰত। এটা সঁচাই নিজান দুপৰীয়া। প্ৰখৰ ৰ'দে চকু চাং মাৰি ধৰা চিকমিক টিঙৰ চালিবোৰ আৰু আলকতৰাৰ ৰাস্তা। গছপাত, বতাহ, কালভাৰ্টত শুই থকা কুকুৰবোৰ—সকলো নিথৰ, স্পন্দনহীন। যেন গোটেই পৃথিৱীখনেই গাত এখন নীৰৱতাৰ আলোৱান মেৰিয়াই লৈছে। এনেতে ঘৰৰ কাম কৰি থকা ভৃত্যটিয়ে কণমানিটিক কৈছে—'ৰজা-ৰজা খেলিম আহ। মই ৰজা তই চিপাহী, হ'ব?' উল্লাসিত উত্তেজিত কণমানি চিপাহীয়ে মনৰ আনন্দৰে প্লাষ্টিকৰ বন্দুকটো আকাশলৈ টোৱাই চিঞৰিছে—থিছিও—থিছিও—ৰজাই কাঠৰ চকীৰ সিংহাসনত আৰামচে বহি লৈ চিপাহীক আদেশ দিলে—যাঃ জংঘলৰ পৰা বদমাছ দৈত্যটোক ধৰি আন। লগে লগে প্লাষ্টিকৰ বন্দুক লৈ দৌৰি গ'ল কণমানি চিপাহী—টেডিবিয়েৰ ধৰি আনি ৰজাৰ সমুখত হাজিৰ—এয়া এয়া দুষ্ট দৈত্যক আনিছোঁ ধৰি। নহয়—নহয়—এয়াতো দৈত্য নহয়, এয়া ভালুক পোৱালিহে। সৈনিকে এইবাৰ ধৰি আনিলেগৈ খুঁটিতাল বজাই থকা জ'কাৰ এটিক। নহয়—নহয় এয়াও দৈত্য নহয়। দৈত্যক ধৰি আন ঐ বুৰ্বক চিপাহী! চাবি দিলে হাত চাপৰি দিয়া বান্দৰ, নাক ভঙা সোণালী চুলিৰ ছোৱালী এজনী, জিভা উলিয়াই থকা কুকুৰটো—এটা এটাকৈ খালি হৈ পৰিল বাকচ। কিন্তু দৈত্যক বিচাৰি পোৱা নগ'ল। কি তই এটা দৈত্যক ধৰি আনিব নোৱাৰ, কিহৰ চিপাহী তই—কেনেকুৱা পুলিচ অ'—ৰ তোক মজা দিম—বুলি ৰজাই কণমানিৰ ককায়েকৰ পঢ়া টেবুলৰ পৰা দীঘল কাঠৰ স্কেলপাট লৈ খেদি গ'ল

চিপাহীক। সৌৰা আগে আগে ভয়াৰ্ত চিপাহী আৰু পাছে পাছে খোলা তৰোৱাল লৈ ৰজা-চিপাহী দৌৰিছে—প্ৰাণৰ ভয়ত শুকাই গৈছে অষ্ঠ-কণ্ঠ। ড্ৰইংৰূমৰ পৰা বেডৰূমলৈ, বেডৰূমৰ পৰা খেলৰ কোঠালৈ—তাৰ পৰা ষ্ট'ৰৰূম—ষ্ট'ৰৰূমৰ পৰা গেষ্টৰূম—চিপাহীয়ে দৌৰিছে আৰু কান্দি কান্দি চিঞৰিছে—নেখেলোঁ, নেখেলোঁ, এইটো খেল নেখেলো—এইটো বেয়া খেল। কিন্তু ৰজা নাচোৰবান্দা—যেন কিবা এটা পুঞ্জীভূত ক্ষোভ আৰু যন্ত্ৰণাৰ উদ্গীৰণ ঘটিছে—কিবা যেন গুজৰি-গুমৰি থকা আক্ৰোশে এক হিংস্ৰ ৰূপ লৈ মোহাৰি পেলাব খুজিছে এটা নিজান দুপৰীয়াক। গাৰ তেজ শুহি থকা উৰহটোক মাৰিব নোৱাৰি, উধাই-মুধাই লাঠি এডালেৰে প্ৰহাৰ কৰিছে এখন ভগা নিৰ্জু ঢাৰিক আৰু এক পাশৱিক উল্লাসত ঢেকঢেকাই হাঁহিছে...... আৰু সেই হাঁহি চিৰকালৰ বাবে খোদিত হৈ গৈছে সেই কণমানি চিপাহীৰ নিবিড় নিভৃতত। অতদিনৰ মূৰত উঠি আহিছে যি স্মৃতিৰ সেই শ্মশানভূমিৰ পৰা। ফুটছাই হৈ পৰি থকা আৰু এখন মুখ স্মৃতিৰ বতাহ লাগি ফুৰফুৰকৈ জ্বলি উঠিছে নাৰীৰো অভ্যন্তৰত। কিয় বাৰু হঠাৎ মনত পৰিছে হিটলাৰক? নাৰীৰ শৈশৱৰ বিস্মৃতিত শুই থকা হিটলাৰক? মিলিটেৰীত কাম কৰা মিলিটেৰী খুৰা! মোতোহা মোতোহ দুহাত, ওখ, ক'লা বলিষ্ঠ শৰীৰৰ মিলিটেৰী খুৰা। আনন্দ মেলাত, বন্দুকেৰে সাতহাত দূৰৰ পৰাই বেলুনৰ টাৰ্গেটবোৰ ধা ধা ধা কৈ একেবাৰে একেকোবতে ফুটাই দিয়া মিলিটেৰী খুৰা। বিয়াঘৰ—পূজাঘৰৰ বিশাল ছামিয়ানা, তম্বুবোৰ ধৰি ৰাখিবলৈ অনা মস্ত মস্ত ভলুকাবাঁহৰ খুটাবোৰ অনায়াসে হেলাৰঙে থিয় কৰাই দিয়া মিলিটেৰী খুৰা। চাৰিআলিৰ বজাৰ তহছ নহছ কৰি সকলোকে খেদি অহা সেই দুৰ্ধৰ্ষ উন্মত্ত ষাঁড়টোক একে গোৰে বগৰাই পেলোৱা মিলিটেৰী খুৰা। সিহঁতৰ ল'ৰালিৰ সাহস আৰ শৌৰ্যৰ প্ৰতীক। পৌৰুষত্বৰ চানেকি। সকলোৰে নামডাকত যি 'হিটলাৰ! হিটলাৰ।' বহুদিনৰ মূৰত এদিন স্পেইনত বুলফাইট দেখি তাইৰ সেই হিটলাৰলৈ মনত পৰি গৈছিল। অদ্ভূত সেই চৰিত্ৰৰ হিটলাৰে সৃষ্টি কৰা সবাটোকৈ লোমহৰ্ষক নাটকখন ঘটিছিল প্ৰতিটো সপ্তাহত। এদিন বা দুদিনকৈ—প্ৰায় নিয়মিত ৰূপত। সকলোৰে দেখাকৈ এডাল ফলা বাঁহ হৈ হিটলাৰে ঘৈণীয়েকক চোতালত খেদি খেদি গুৰুলা-গুৰুলকৈ পিটিছিল। তাইৰ ডেডাউৰিয়ে কঁপাইছিল সমস্ত ভূ-মণ্ডল আৰু সন্ধিয়া দুয়ো একেলগে হাঁহি হাঁহি হাতত হাত ধৰি ওলাই গৈছিল লতিকা চিনেমা হললৈ। বাটৰ 'মিষ্টান্ন ভাণ্ডাৰ'ত সোমাই সেই প্ৰেমিক যুগলে ৰসাস্বাদন কৰিছিল একপ্লেট ৰসগোল্লাৰ আৰু দুগিলাছ স্পেচিয়েল চাহৰ। বিচিত্ৰ! অলিম্পিকত বুটলি অনা এক স্বৰ্ণপদক হৈ

ওৰেবাটে খিলখিলাই হাঁহি হাঁহি গৈছিল পত্নী প্ৰেমিকাই আৰু প্ৰেমিক পতিজনো যেন আছিল সেই বিশ্ববিজয়ী চেম্পিয়ন। তেওঁৰ কি পৌৰুষসুলভ অহঙ্কাৰী মদমত্ত খোজ! ল'ৰা-ছোৱালীবোৰক পালেই হিটলাৰে ভোতোহা ভোতোহ হাতেৰে খপকৈ থাপ মাৰি ধৰি আৰম্ভ কৰিছিল প্ৰশ্নোত্তৰ পৰ্ব—চন্দ্ৰলৈ যোৱা কুকুৰটোৰ নাম কি? মহাৰাণা প্ৰতাপ ঘোঁৰাটোৰ নাম একা? আৰু ইন্দ্ৰৰ হাতীটো? মেকুৰীয়ে পোৱালি দিলে কি কৰে জানেনে? জন্ম দিয়েই তাৰে এটা গিলি খায় থয়। সকলো মতা প্ৰাণীয়েই মাইকী পাবলৈ শক্তি পৰীক্ষা দিব লাগে। কুইজৰ বিষয়বস্তু আছিল এটাই—প্ৰাণী জগত। আৰু নিজেও এক অদ্ভুত প্ৰাণীৰ অৱতাৰ হৈ ঢেকঢেকাই হাঁহি, মোতোহা মোতোহ খহটা হাত আৰু বিয়াগোম এটি কায়াৰ উপস্থিতিৰে—এক অতিনাটকীয় চৰিত্ৰ, এক মহানায়ক, এক ৰূপকথাৰ মধ্যবিন্দু হৈ ছানি ধৰিছিল নাৰীৰ শৈশৱৰ আকাশ। হিটলাৰৰ সেই মুখ! নিজান দুপৰীয়া এটাৰ স্মৃতিয়ে অশ্বাৰোহী ৰজাৰ চেতনাত পূৰ্ণগ্ৰাস গ্ৰহণৰ জোৱাৰ তোলাৰ দৰেই হিটলাৰৰ মুখখনেও অ'ডালিস্ক হৈ পৰি থকা নাৰীৰ মনত এক পাম্প দি থকা মেণ্ঠল লাইটৰ ভমককৈ জ্বলি উঠা জুই একুৰা হৈ ভকভকাই উঠিল। ৰজাই অশ্বাৰোহী হৈ পিষ্ট কৰিলে অন্য এক ৰজাক, অতদিনে পৰাস্ত কৰিব নোৱাৰা এক প্ৰতিদ্বন্দ্বী ভৃত্যমুখ আৰু তাৰ ঢেকঢেক হাঁহিক। আৰু ৰাণীয়ে প্ৰথম সন্মোহনৰ শিহৰণেৰে আৱাহন কৰিলে দুখন প্ৰচণ্ড শক্তিশালী মোতোহা মোতোহ হাতক, একে আঁজোৰে এডাল প্ৰকাণ্ড ভলুকা বাঁহ থিয় কৰি দিব পৰা দুখন হাতক। আৰু ক'ব নোৱাৰাকৈয়ে হঠাৎ নাৰীৰ শৰীৰৰ যন্ত্ৰবোৰো সক্ৰিয় আৰু দুৰন্ত হৈ পৰিল! যেন ৰুদ্ধ হৈ থকা শেম্পেইনৰ বটল এটাৰ কৰ্কটো খুলি গ'ল আৰু আচৰিত ধৰণে ঘটি গ'ল কাহানিও নঘটা এক ব্যতিক্ৰম, এখন খেলৰ সম-অংশীদাৰ হৈ দুয়োয়ে একেলগে আৰোহণ কৰিলে শিখৰত, স্পৰ্শ কৰিলেগৈ কাহানিও এতিয়ালৈকে এবাৰো স্পৰ্শ কৰিব নোৱাৰা এক শীৰ্ষবিন্দু—।

**পাঁচ হেজাৰ বছৰীয়া নৰ-নাৰী**

শিখৰলৈ উঠাত উত্তেজনা থাকে। থাকে ইচ্ছা প্ৰাপ্তিৰ দুৰন্ত আশা। কিন্তু শিখৰ মানে জানো কেৱল সৰুতে ড্ৰইং ক্লাচত আঁকা সেই ত্ৰিভুজ ত্ৰিভুজ যেন লগা পাহাৰবোৰৰ জোঙা মূৰটো? এটা শঙ্কু বা কম্বুশীৰ্ষ? কিছুমান শিখৰ আৰোহণ কৰিলে দেখা যায়—তাত দেখোন আগ্নেয় লাভা বতিয়াবলৈ উন্মুখ হৈ ৰৈ থকা এখন তপ্ত মুখ! অথবা দৃষ্টিৰ আঁৰত লুকাই থকা এখন গভীৰ গ্লানিৰ

মালভূমি। শিখৰত উপনীত হৈয়েই এই নৰ-নাৰীয়েও তেনে এক গ্লানিৰ মালভূমিত মূৰ গুজি বহি পৰিলগৈ। ক্লাইমেক্সৰ অন্তত এক তৃপ্তিদায়ক, সুখদ গভীৰ টোপনিয়ে প্ৰায়ে সকলো নৰ-নাৰীকে সাৱটি ধৰেহি। ঠিক যেন সফলতাৰে পৰ্বতাৰোহণ কৰাৰ অভিনন্দন! কিন্তু গ্লানি আৰু খেদৰ মালভূমিত মূৰ গুজি বহি পৰা এই দুই নৰ-নাৰীয়ে অনিদ্ৰাৰ শেতেলীতহে ইকাটি-সিকাটি কৰিবলৈ ধৰিলে। মনৰ লগতে শৰীৰতো সিহঁতে অনুভৱ কৰিলে এক ঝিমঝিমাই উঠা অস্বস্তিদায়ক বিষ। আচৰিত এই মানুহৰ শৰীৰটো! মনৰ নিয়ন্ত্ৰণতেই শৰীৰৰ স্থিতি যদিও, কেতিয়াবা কেনেদৰে শৰীৰ হৈ উঠে স্বয়ংসম্পূৰ্ণ, স্বাধীন আৰু মনৰ পৰা পৃথক এক সুকীয়া সত্তা। মনত হয়তো উদ্গীৰণ হৈছে ঘৃণাৰ, অথচ শৰীৰে পাঠ কৰিছে অন্য এক ভাবনা। মনে সঁহাৰি দিয়া নাই, অথচ শৰীৰে সমগ্ৰতাৰে সঁহাৰি দি বহুদূৰ গুচি গৈছে। কেতিয়াবা আকৌ মনৰ ভিতৰত অন্য এক অপৰিচিত মনে—অন্য এক নেদেখা সত্তাই শৰীৰক ব্যৱহাৰ কৰিছে এক মাধ্যম ৰূপে, শৰীৰক গঢ় দিছে এপাত অস্ত্ৰৰ দৰে। চেতনাৰ আন্ধাৰত স্তূপীকৃত সকলো বিকাৰ-বিকৃতি, সকলো পুঞ্জীভূত নৈৰাজ্যক উচ্ছেদ কৰিবৰ বাবে গঢ় দিয়া এপাট অস্ত্ৰ! মানুহৰ জীৱনৰ এই দুই সাৰসত্য-সাৰোৎসাৰ—জড়দেহ আৰু চেতনা—মন আৰু শৰীৰ—তাৰ ৰহস্য সন্ধানৰ বাবেইতো হেজাৰ বছৰীয়া দৰ্শন, মনোবীক্ষণ, দ্বিধা আৰু দ্বন্দ্বৰ দ্বন্দ্বাত্মক অতবোৰ বাট! বিছনাত পৰি থকা নৰ-নাৰী নিৰৱ, নিমাত। ইজনে সিজনৰ ভিতৰত চলি থকা সেই দ্বিধা-দ্বন্দ্বৰ অস্ফুট গুমগুমনিবোৰ শুনি আছে। অথচ মুখামুখি হৈ কথা পাতিব পৰা নাই। চৰম লজ্জা আৰু অনুশোচনাৰে দগ্ধ নৰই নাৰীৰ মুখলৈ চাবলৈ সাহস কৰা নাই। কিন্তু নাৰীওতো হতচকিত। যেন আইনাত নিজৰ অচিন অনাকাঙ্খিত মুখ দেখি নিজেই স্তম্ভিত। অলপ আগতে কি হৈ গৈছিল? কিয় হৈছিল? .....

অলপ আগতে এই ৰাতিৰ আন্ধাৰলৈ নামি আহিছিল এহাল আদিম নৰ-নাৰী। পাঁচ হাজাৰ বছৰীয়া নৰ-নাৰী। পৌৰাণিক নে তাতোকৈ পুৰণি প্ৰাগ্-ঐতিহাসিক যুগৰ এক আন্ধাৰ গুহাৰ পৰা নামি অহা সেই নৰ-নাৰীয়ে থিতাতে মোহাৰি ফেনেকি পেলাইছিল সকলো পৰিশোধিত সংস্কাৰ, মনন, চিন্তা আৰু ধাৰণাবোৰ। মানুহৰ তেজত বৈ যোৱা অৱশিষ্ট—অপৰিশোধিত ইনষ্টিংক্টবোৰৰ ছাঁত সন্তৰ্পনে খাপ পাতি বৈ থকা সেই আদিম নৰ-নাৰীয়ে সুযোগ পালেই থিতাপি লয়হি মনৰ আন্ধাৰত। হয় অলপ আগতে সিহঁতেই নামি আহিছিল এই ৰাতিলৈ আৰু আৰম্ভ কৰিছিল এক হিংস্ৰ বন্য উন্মাদ খেলা। পাঁচ হেজাৰ বছৰীয়া এক স্বাপদীয় জান্তৱ খেলা ......

...... ওভতনিৰ বিমান। নাৰীৰ কোলাত লেপটপ। পুৰুষৰ চকুত ভিডিঅ' স্ক্ৰীণ। লেপটপত খুলি লোৱা এক ফ'ল্ডাৰ। স্ক্ৰীণত শ্বেয়াৰ বজাৰৰ হিচাব। চকু ফ'ল্ডাৰত যদিও নাৰীৰ মনটো অন্যত্ৰত। সমুখত খোলা স্ক্ৰীণ যদিও পুৰুষো গভীৰ ভাবনাৰ জগতত। আচলতে দুয়ো বিধ্বস্ত। পাৰ হৈ যোৱা এটা বা-মাৰলিৰ হেং অ'ভাৰত। বহুদিনৰ মূৰত, অভীপ্সাৰ আকাশত অনবৰতে ডেউকা কোবাই উৰি থকা এই নৰ-নাৰীৰ বাহ্যগামী উৰণত খন্তেক যতি পৰিছে। এই প্ৰথম, দুয়ো যাত্ৰা কৰিছে নিজৰ অভ্যন্তৰলৈ। আৰু অনুভৱ কৰিছে—যুদ্ধ কেৱল বাহিৰৰ পৃথিৱীখনৰ সৈতেই নচলে। যুদ্ধ চলে নিজৰ সৈতেও। নিজৰেই চেতনাত অৱস্থিত সেই পাঁচ হাজাৰ বছৰীয়া প্ৰাচীন কুঁৱাটোৰ সহস্ৰ যোজন অতল তলিৰ পৃষ্ঠত, অচেতন প্ৰায় হৈ শুই থকা হিংস্ৰ স্বাপদটোক সাৰ পাই উঠিবলৈ নিদিয়াৰ এক অবিৰত যুদ্ধ.......

●●●

# সাক্ষাৎ ডাইনী

মনালিছা শইকীয়া

মানুহজনীৰ আচল নামটো আছিল বেলেগ। মানুহক কয় 'ফুলেশ্বৰী' বুলি। সৰু সৰু চকু দুটিৰে চুটি চাপৰ মানুহগৰাকী। চুলিকোচাও দীঘল। তপিনালৈ বৈ পৰা। ৰ'দে পোৰা গালখনত মাজে মাজে চকলা-চকল ক'লা দাগ। চকুকিটা অনবৰতে ৰঙা পৰি থাকে।

কেতিয়াবা অস্বাভাৱিক ধৰণে গহীন হৈ থাকে। কেতিয়াবা আকৌ সামান্য কথাতেই খিল্‌খিলাই হাঁহে। সেই হাঁহি যেন বন্ধ নহ'বই। উচ্ছল যুৱতীৰ প্ৰাণখোলা হাঁহিৰ দৰে সেই হাঁহি। 'তোমাৰ বয়স কিমান' বুলি সুধিলে কয় "যোল্ল বছৰত বিয়া হৈছিলো। এবছৰৰ পিছত ডাঙৰ ল'ৰাটোৰ জন্ম। এতিয়া তাৰ বয়স হ'ল সোঁতৰ। মোৰ বয়স কিমান তয়ে ক।" মাই কোৱামতে তাইৰ এখন নিজা সংসাৰ আছে। ল'ৰা-ছোৱালী তিনিটাও আছে। এদিন তাইক "সিহঁতক কিয় এৰি আহিলা?" বুলি সুধিবলৈ লৈও ৰৈ গ'লো। তাইৰ চকুহাল ৰঙা পৰি আহিছে। মুখমণ্ডলৰ মাংসপেশীবোৰ লৰচৰ কৰিছে। ভূন্‌ভূনাই কিবাকিবি মন্ত্ৰও পঢ়িছে। কঁপিবলৈ ধৰিছে। হঠাতে মোলৈ আঙুলি টোঁৱাই ক'লে, "বেয়া কৰিলি তই.....। মোৰ ওচৰলৈ আহোঁতে ভৰি ধুই নাহিলি.....। এয়া চা, মা মনসাই ভৰিতে খোঁট মাৰি দিলে।" ইস! ইস! তেতিয়াহে মন কৰিলো মানুহজনীৰ ভৰিৰ তলুৱাত কিহবাই ফুটালে। দুটোপালমান তেজ ওলাইছে। দোষী দোষী ভাবেৰে ক'লো, "মজিয়াত কিবা পৰি আছিল নেকি? জোঙা বস্তু-চস্তু।" পুনৰ আটাহ পাৰি উঠিল তাই, "নাই। এয়া মা মনসাৰ কাণ্ড। দেৱীয়ে বেয়া পাইছে। চা, দেৱী-দেৱতা মোৰ লগত চব সময়তে থাকে।" সিহঁত মোৰ লগে লগে ঘূৰি ফুৰে। মোৰ ওচৰলৈ চাফ-চিকুণ হৈ নাহিলে সিহঁতে বেয়া পায়, আৰু যেতিয়া দুৰ্গা মা মোৰ গালৈ আহে তেতিয়া মোৰ মুখ একদম লাল হৈ যাব। ধেমালি নকৰিবি মোৰ লগত......। মই মানুহ একেবাৰতে চিনি পাই যাওঁ।" কথা শুনি মাৰ অৱস্থা একেবাৰে নতশিৰ।

দুয়োহাত যুৰি ফুলেশ্বৰীৰ কাষত বহি ক'লে, "'অইন কথা বাদ দিয়া। এই ছোৱালীটিকে যেনে তেনে ভাল কৰি তোলা। তাৰ পিছত তোমাক যি লাগে তাকেই দিম।"

"হৈ যাব, ভাল হৈ যাব......। তই চিন্তা নকৰিবি। মই পাহাৰ বগাই দৰৱ বিচাৰি যাম। গোটেইবোৰ বন দৰৱ। মোক দেৱী মাইঁতে সেই দৰৱ চিনাই দিব। তই চিন্তাই নকৰিবি। তোৰ ছোৱালীক ভাল কৰাই দিম।" এইবুলি ফুলেশ্বৰীয়ে মোৰ ওপৰত experiment কৰাত লাগিল। ডিঙিত হাত দি চালে অভিজ্ঞ ডাক্তৰৰ দৰে.....। দুবাৰ মান ফুৰাই ফুৰাই মন্ত্ৰ মাতিলে। মন্ত্ৰবোৰ নুবুজিলো। হ'লেও চকু মুদি বহি থাকিলো। একো নামাতিলো। বেছিকৈ কিবাকিবি কৈ থাকিলে মায়ে বেয়া পাব। বহুত বিশ্বাস আৰু ভক্তিৰে তাইৰ কাষত বহুৱাই থৈছে মাই মোক। তাৰ আগতে বুজাইও থৈছে "মানুহজনী অদ্ভুত, বুজিছ মাজনী! বহুত শক্তি আছে তাইৰ। বহুত মানুহৰ বেমাৰ-আজাৰো ভাল কৰিছে বোলে। আনকি মোৰ ভৰিৰ বিষটোও তাই দিয়া ঔষধেৰে দুদিন মালিচ কৰিয়েই ভাল পাইছো। অকণমান বিশ্বাস ৰাখিবিচোন। অকলে অকলে দেৱ-দেৱতাবোৰৰ লগত কথা পাতি থাকে। কিছুমান কথা ইমান সঠিক আৰু নিৰ্ভুলভাৱে ক'ব পাৰে যে তই নেদেখিলে বিশ্বাসেই নকৰিবি।"

প্ৰথমতে মাৰ কথা শুনি খঙেই উঠিছিল।

"এইবোৰ কথা মোক নক'বা দেই। কিহৰ দেৱ-দেৱতাৰ লগত কথা পাতে হে? চব মানসিক বেমাৰ। তুমি মানুহজনী তেনেকুৱাই.....। দুটামান কথা ক'লেই একেবাৰে গলি যোৱা।" মোৰ গালি শুনি মাই বুজালে, "নহয় অ' মাজনী। এবাৰ বিশ্বাস কৰি চাচোন। কামত আহিব পাৰে। এইক ভগৱানেই পঠাইছে বুইছ। নহ'লেনো এনেকুৱা এজনী মানুহ নিজে নিজে ঘৰ ওলাইহিনে?"

"নিজে নিজেই মানে?"মই মাক সুধিলো।

"এদিন ফুলনিত পানী দি আছিলো। হঠাতে দেখো গেটৰ বাহিৰত মানুহ এজনী থিয় হৈ আছে। কিবা ঘৰুৱা কাম-কাজ কৰিবলৈ আছে নেকি সুধিলে। মইও কাম-কাজ কৰিব পৰা মানুহ এজনী বিচাৰিয়েই আছিলো। কথা পাতো বুলি তাইক মাতিলো। চেহেৰা দেখিয়েই বুজিলো ট্ৰাইবেল মানুহ। সোধাত ক'লে, 'বড়ো' বুলি। দুই-এটা কথা পাতিয়েই মানুহজনীয়ে মোৰ মুখলৈ চাই কথা কিছুমান ক'বলৈ ধৰিলে। সেই যে, এবাৰ পইচাৰ বেগটো হেৰাইছিল! মই তাইক সুধিলো সেইটোৰ কথা। ক'লে, ৰঙা শাড়ী পিন্ধা মানুহ এজনীয়ে নিছে। শুনিতো মই অবাক। ৰঙা শাৰী 'দিদি'ৰ বাদে কোনে পিন্ধে কচোন।"

'দিদি' মানে আমাৰ ঘৰত পাৰ্টটাইম কাম কৰা মানুহজনী। কথাৰ গুৰি ক'ৰবাত। সেয়ে তাইক মই ঘৰলৈ অহাৰ পিছত দেখা নাই। "তুমি হ'বলা মানুহজনীৰ কথা শুনিয়েই 'দিদি'ক খেদালা?" মাক সুধিলো।

"নহয় অ'। খেদোৱা নাই। সুধিছিলো তই পইচাৰ বেগটো পাইছ নেকি বুলি.....। পিছদিনাৰ পৰা নাহিলেই। মইও ফুলেশ্বৰীকে ৰাখি থ'লো। মোৰ কাম-কাজবোৰত সহায় হ'ব বুলি। চব কৰে পিছে দেই বেচেৰীয়ে। বুইছ, বৰ ভাল তাই। খালী শনি আৰু মঙ্গলবাৰেহে কেতিয়াবা তাইৰ জঁক উঠে। গাত দেৱী লম্ভে বোলে। তেতিয়া তই সভক্তিৰে মাননী এটা আগবঢ়াই যি সোধ তাকে কৈ যায়......।"

এইধৰণৰ কথাবোৰত সমূলি বিশ্বাস নকৰো। মায়েও এই কথা জানে। যিমান পাৰে মোক বুজাবলৈ যত্ন কৰিলে। এনেয়েও গোড়া স্বভাৱৰ মাই এইবোৰ লৈয়েই ব্যস্ত থাকে। থাকো ঘৰত মা আৰু মই। স্থানীয় কলেজখনতে মই চাকৰি কৰি আছো। Refresher course এটাৰ বাবে গুৱাহাটীত পোন্ধৰ দিন আছিলোগৈ। ঘূৰি অহাৰ পিছত এই ফুলেশ্বৰীৰ কাণ্ড আৰম্ভ হ'ল।

বেজ-বেজালি এইধৰণৰ কথাবোৰত বিশ্বাস মোৰ কম। মা মোৰ ওলোটা। সৰুৰে পৰাই দেখি আহিছো, যিয়েই যি কয় তাকেই বিশ্বাস কৰে।

মন্দিৰে মন্দিৰে ধূপ-চাকি জ্বলাই ফুৰে। এটাই প্ৰাৰ্থনা ল'ৰা-ছোৱালীহালক যেন ঈশ্বৰে কুশলে ৰাখে। বিশেষকৈ দেউতা ঢুকোৱাৰ পিছত মাৰ এই অভ্যাস বাঢ়িহে গ'ল। কেতিয়াবা অসমৰ বাহিৰত চাকৰি কৰি থকা দাদা-বৌহঁত দুদিনমানৰ বাবে ঘৰলৈ আহে। সিহঁত অহাৰ পৰাই মাৰ ব্যস্ততা আৰম্ভ হয়। এদিন আগবঢ়াই থোৱা নাম পাতে....। কোনোবা দিনা আকৌ বৌক লৈ মন্দিৰলৈ যাব....। কাৰোবাৰ পৰা পানী জৰাই আনি সিহঁতক খাবলৈ দিব।

কিজানি কিবা দোষ লাগিছে। তিনিবছৰ হৈ গ'ল, বিয়া হোৱা। ল'ৰা-ছোৱালী এটি ওপজা নাই। এই লৈ দুই-একৰ লগত মাই খেদ প্ৰকাশ কৰাও শুনিছো।

"সিহঁতৰ সৈতে একেলগে বিয়া হোৱা ধনৰ ল'ৰাই সৌৱা দৌৰি ফুৰিছে। আমাৰবোৰৰহে জানো ক'ত কি জগৰ লাগি আছে!"

ফেমিলি প্লেনিঙৰ কথা মাক বুজাব নোৱাৰি। মাৰ বাবে সেইবোৰ অদৰকাৰী কথা। ল'ৰা-ছোৱালী জন্ম দি মানুহে কাম নকৰাকৈয়ে আছে নে নাখাই-নবৈ আছে?

তেনেকৈয়ে সেইবোৰ মাইকী মানুহে দেশ চম্ভালি থকা নাইনে? চাকৰিয়াল বৌৰ প্ৰতি মাৰ এয়া টিপ্পনি।

মোক লৈ মাৰ চিন্তা এটাই। ডিঙিৰ বিষটো। টনছিল, ফেৰেনজাইটিছে বছৰি ভোগায়। খাব নোৱাৰো। শুব নোৱাৰোঁ......। অতি কষ্টত ভুগি থাকো।

ফুলেশ্বৰীক মাই মোৰ বেমাৰটোৰ কথাও এদিন ক'লে। ইতিমধ্যে ফুলেশ্বৰী আমাৰ ঘৰৰ সদস্যৰ দৰে হৈ পৰিছে। ঘৰুৱা কাম-কাজত ভাল। লাগি-ভাগি খায়। থাকে।

বেমাৰৰ কথা শুনিয়েই তাই কিছুসময় তভক মাৰি লৈ মোৰ ডিঙি, মুখ, জিভা পৰীক্ষা কৰিলে। তাৰ পিছত ক'লে, "মই ধ্যানত বহিলেই দৰৱবোৰৰ নাম পাই যাম। তাৰ পিছত সেইবোৰ বিচাৰি যাব লাগিব। তই চিন্তা নকৰিবিব। তোৰ ভাল হৈ যাব। মই তোক দেৱী মাই দিয়া দৰৱহে দিম। ভাল হৈ যাব। একো চিন্তা নকৰিবি।"

মানুহগৰাকীক লৈ মোৰ দিনে দিনে কৌতুহল বাঢ়ি আহিল। নিজৰ ঘৰ এখন, ল'ৰা-ছোৱালী থকা সত্ত্বেও তাই কিয় এনেকৈ ঘূৰি ফুৰিছে! সুধিম সুধিম বুলিও কথাষাৰ সোধা হোৱা নাই। এদিন সুধিলো, "তোমাৰ কথা কোৱাচোন বাই। কিয় ঘৰ-সংসাৰ এৰি আহিলা তুমি।"

দীঘলকৈ হুমুনিয়াহ এটা এৰি তাই ক'লে, "সেইবোৰ বহুত কথা অ' মাজনী.....। গাঁৱলৈ ঘূৰি যাব নোৱাৰো......। সাতখন গাঁৱৰ ৰাইজে মোক ধনুকাঁড় মাৰি মাৰি পেলাব। তাৰ পৰা পলাই আহিছো মই। জীউটো লৈ পলাই আহিছো.......।"

তাৰ পিছত ফুলেশ্বৰীয়ে নিজৰ বিষয়ে যিখিনি কথা ক'লে শুনি অবাক হ'লো। বিয়া হোৱাৰ পিছত প্ৰথম অৱস্থাত দুটা ল'ৰা-ছোৱালী হোৱালৈকে তাইৰ সংসাৰখন ঠিকেই আছিল। মদ-পানী খাই যদিও গিৰিয়েকে তাইক মৰমেই কৰিছিল। একেবাৰে সৰুটো জন্মৰ পিছতেই তাইৰ গাত বোলে দেৱী লম্ভিলে। ৰাতি ঘৰৰ পৰা ওলাই যায়.....। গৈ গৈ মন্দিৰ পায়গৈ.....। দেৱ-দেৱতাবোৰৰ সৈতে কথা পাতে। বিৰ্বিৰাই থাকে.....। ক'ব নোৱাৰাকৈয়ে বিছনাৰ পৰা উঠি যায়। এদিন এনেকৈ গৈ সাতদিনমানৰ বাবে ঘৰলৈ নাহিল। ওচৰতে মন্দিৰ এটাত থাকিল। সেইবাৰ ঘূৰি অহাৰ পিছত গিৰিয়েকে তাইক আৰু সহ্য নকৰিলে। গাঁৱৰ মানুহ চপাই লৈ ক'লে যে তাৰ ঘৈণীয়েক মানুহ হৈ থকা নাই। ডাইনী হৈ গৈছে তাই। এইক গাঁৱত ৰাখিলে অমংগল হ'ব....।

গাঁৱৰ ৰাইজেও গিৰিয়েকৰ কথা শুনি তাইক খেদি পঠালে। প্ৰাণে মৰাৰ ভাবুকি দিলে। এদিন ৰাতি পলাই আহিল তাই।

পলাই গৈ এটা মন্দিৰত আশ্ৰয় ল'লেগৈ। তাতেই সাধু বাবা এজনৰ পৰা তন্ত্ৰ-মন্ত্ৰ শিকিলে। ভূত-প্ৰেত, দেৱ-দেৱতা তাইৰ সৈতে থাকিবলৈ ধৰিলে। বহুদিন ধৰি মন্দিৰে মন্দিৰে ঘূৰি ফুৰিলে। কামাখ্যাতো বোলে থাকিল বহুদিন। এতিয়া আগৰ দৰে অনবৰতে তন্ত্ৰ-মন্ত্ৰ নকৰে। কাম কৰিব খোজে। মানুহে বিচাৰিলেহে দৰৱ-পাতি দিয়ে। সহায় কৰে। তেনেকুৱা বহুত বেমাৰীক তাই ঔষধ দি ভাল কৰিছে বোলে!

কথাবোৰ শুনি হাঁহিমেই নে কান্দিমেই লাগিল। আজিৰ যুগত এই দেৱ-দেৱী, ভূত-প্ৰেত, যাদু-মন্ত্ৰ, ডাইনীৰ কথা মই যেনিবা বিশ্বাস নকৰিলোৱেই...। কিন্তু এচামেতো সেই মায়াৰ আৱেশত এতিয়াও বন্দী হৈ আছে।

ফুলেশ্বৰীৰ দৰে কতজনী নাৰীক 'ডাইনী' সন্দেহত হত্যা কৰা হৈছে। সমাজৰ এচাম অন্ধবিশ্বাসীৰ বলি হৈছে এইসকল। কোনে বুজাব তেওঁলোকক বৈজ্ঞানিক দৃষ্টিভংগীৰ কথা। আধুনিক চিকিৎসা পদ্ধতিৰ কথা! এই গণ-বিভ্ৰান্তিৰ ফলত কতজন নিৰীহে কৰুণ মৃত্যুক সাৱটি ল'ব লগা হৈছে।

"তুমি সঁচাকৈয়ে দেৱ-দেৱতা, ভূত-প্ৰেতৰ লগত কথা পাতি থাকা নেকি?" কৌতুহল দমাব নোৱাৰি ফুলেশ্বৰীক সুধিয়েই পেলালো।

"অঁ.....। মোৰ কাণত সিহঁতৰ মাত বাজি থাকে...। এইটো কৰ, এইফালে যা, এইখিনি ল....... এনেধৰণে কথা কৈ থাকে সিহঁতে। মোৰ লগত ঘূৰি ফুৰে। অনবৰতে মোক কিবাকিবি কৈ থাকে। খং কৰো, মৰম কৰে....।" তাই উত্তৰ দিলে। কথাখিনি শুনি মাক অকলশৰে ক'লো, "এইৰ আন একো হোৱা নাই মা। ই এক মানসিক বিকাৰ। ডাক্তৰৰ ওচৰলৈ নিলেই চব ঠিক হৈ যাব।" তুমি তাইক এদিন লগ ধৰিবা। ডাক্তৰৰ ওচৰলৈ লৈ যাম।"

মোৰ কথা শুনি মাই গৰ্‌গৰাই উঠিল, "তহঁতৰ লগত এইবোৰেই দিগ্‌দাৰ.....। চব কথাতে কিতাপৰ পাঠ খটুৱাৰ।"

মাৰ ছেণ্টিমেণ্টত লাগিল। ল'ৰা-ছোৱালী দুটাৰ বাবে তেওঁ ইমান কৰে। লাগে ভাগে। কিন্তু সিহঁতে সেই কামবোৰক কোনো মূল্যই নিদিয়ে। এই লৈ মাৰ ক্ষোভ। ফুলেশ্বৰীয়ে পাহাৰ বগাই, হাবি-জংঘল ঘূৰি মোৰ বাবে বন দৰৱ বিচাৰি আনিলে। সেই দৰৱেৰে ঔষধ প্ৰস্তুত কৰি খাবলৈ দিলে।

ভেষজ এই ঔষধ ব্যৱহাৰ কৰিবলৈ মোৰ আপত্তি নাই। কাৰণ, ইয়াৰ গুণাগুণ একেবাৰে নোহোৱা নহয়। কিন্তু আপত্তি এই লগে লগে ভূত-প্ৰেত, দেৱ-দেৱতাবোৰৰ কথাতহে!

স্বাস্থ্য ভাল হোৱা, বেয়া হোৱা পিছৰ কথা। মাক সন্তুষ্ট কৰিবলৈ আন বহুত কৰ্ম কৰাৰ দৰে এইফাকিও কৰিলো। দৰৱপালি ব্যৱহাৰ কৰাৰ পিছত দেখিলো আনন্দত মাৰ দুয়ো চকু জল্‌মলাই উঠিছে। হওক তেও। মনতে ভাবিলো।

"বিষটো ভাল পাইছনে?" মায়ে সুধিলে। মই মূৰ জোকাৰিলো।

ৰাতি ভাত খাই উঠি ফুলেশ্বৰীক সুধিলো, "ল'ৰা-ছোৱালী কেইটালৈ মনত নপৰেনে?"

"পৰে।" লাহেকৈ ক'লে তাই। চকু-মুখত বেজাৰৰ চিন স্পষ্ট।

"কিমান ডাঙৰ হ'ল সিহঁত?"

"ডাঙৰটোৱে এইবাৰ মেট্ৰিক দিব। মাজুটো নাইনত। ছোৱালীজনী সৰু। এইবাৰ ন বছৰ হৈছে। মই নেদেখা দুবছৰ হ'ল। এতিয়া ছাগৈ বহুত ডাঙৰ হ'ল তাই।"

আপোন মনে তাই এইবাৰ ল'ৰা-ছোৱালী কেইটাৰ কথা কৈ গ'ল। এইবাৰ মমতাময়ী এগৰাকী মাতৃৰ ছবিৰ দৰে দেখা গ'ল ফুলেশ্বৰীক। তাই কৈ গ'ল, "দুয়োটা ল'ৰাক দেখিলে তই চাহাবৰৰ ল'ৰা বুলি ভাবিবি। ওখ পাখ। গাল-মুখ একেবাৰে ৰঙা পৰি থাকে। মোক বৰ ভাল পায় সিহঁতে। বাপেকে গাঁৱৰ মানুহৰ চপোৱাৰ দিনা সিহঁতে কান্দিছিল। মোক আহিবলৈ নিদিছিল। মৰিবলৈ মোৰ ভয় লাগিল। সেয়ে পলাই আহিলো সিহঁতক এৰি থৈ।"

"আৰু তোমাৰ ছোৱালীজনী?" এইবাৰ ছোৱালীজনীৰ কথা সুধিলো।

"তাই দেখাত ফুলৰ দৰে। গুলপীয়া। এতিয়া চাগে আৰু ধুনীয়া হ'ল। তাইলৈ মোৰ বৰ মনত পৰে। বৰ মনত পৰে অ'...।" আৱেগিক হৈ উঠিল ফুলেশ্বৰী। মাতষাৰ বৰ কৰুণ শুনা গ'ল।

"বাৰু বাই, তোমাৰ দেৱতাহঁতে তোমাক সহায় কৰেনে?"

"কৰে। সিহঁতে মোক বিপদত পৰিব নিদিয়ে। মোৰ অন্যায় হ'বলৈ নিদিয়ে।" দেৱ-দেৱীৰ কথা ক'লেই তাইৰ চকুৰ মণি স্থিৰ হৈ যায়।

"তুমি তোমাৰ ঘৰৰ খবৰ কিবা পোৱানে এতিয়া?"

"শুনিছো, বাপেকে মদ-পানী খাই মাটি-বাৰী, ঘৰৰ বয়বস্তু চব বেচিছে। ল'ৰা-ছোৱালী কেইটাই বৰ কষ্ট পাইছে। সিহঁতে ভালদৰে খাবলৈ নাপায় বোলে।এইকথা মনত পৰিলে মোৰ পেটলৈ ভাত নাযায় অ' মাজনী.....। শোকে খুন্দা মাৰি ধৰে।"

বিপুল শক্তিৰ অধিকাৰিণী যেন হৈ উঠিছে তেনেই সাধাৰণ মানৱী। তাই কৈ যায়, সংসাৰখন কেনেকৈ নিজ হাতেৰে তিল্তিলকৈ গঢ়িছিল সেইকথা। এপদ এপদকৈ ঘৰৰ বস্তু গোটাইছিল। ঠেলাত ধানৰ বস্তা তুলি নি মিলত কুটাই আনিছিলগৈ। সকলো কৰিছিল ঘৰখনৰ বাবে। চব ঠিক-ঠাকেই চলি আছিল। হঠাতে তাইৰ গাত দেৱতা লগাৰ পৰাই চব খেলি-মেলি হৈ গ'ল।

"তোমাৰ দেৱতাই ভাল কামেই কৰে নে বেয়া কৰ্মও কৰে?" সুধিলো।

মায়ে মোলৈ চকু ডাঙৰ কৰি চালে। এইবোৰ সুধি থকাটো তেওঁ ভাল পোৱা নাই।

"নাই নাই। সিহঁতে কাৰো অন্যায় নকৰে। চবৰে ভাল কৰে।"

"তেন্তে কিয় তোমাৰ দুখ নুবুজে তেওঁলোকে?" প্ৰশ্নটো শুনি ট টকৈ চকু দুটা মেলি তাই মোৰ মুখলৈ একেৰাহে চাই থাকিল। সুবিধা বুজি মইও কৈ গ'লো, "এই যে তুমি ল'ৰা-ছোৱালী কেইটাৰ পৰা আঁতৰি আছা, নেদেখাকৈ আছা, কিয় সিহঁতক তোমাৰ সৈতে থাকিবলৈ দিয়া নাই তোমাৰ দেৱতাই?"

"হয়তো দেৱতাই তাকেই বিচাৰিছে......।" লাহেকৈ ক'লে তাই।

"ছোৱালীজনীক তোমাৰ চাবলৈ মন নাযায়?"

"যায় যায়। খুব মন যায়। যাব নোৱাৰো.....। গ'লেই ধনু-কাঁড়েৰে মোক মাৰি পেলাব সিহঁতে.....। বৰ কষ্ট....। সেই অত্যাচাৰ বৰ কষ্ট। আমাৰ মানুহবোৰক তই নাজান.....। কিন্তু মই মোৰ ল'ৰা-ছোৱালীক চুৰ কৰি হ'লেও আনিম মোৰ লগলৈ। চাই থাকিবি তহঁতে.....।" থোকাথুকি হ'ল তাইৰ মাত।

'কিয় তুমি চুৰ কৰিব লাগিছে। তোমাৰ লগত থকা এই দেৱ-দেৱীসকলে তোমাক সহায় নকৰিবনে বাই? ল'ৰা-ছোৱালীৰ সৈতে তোমাক মিলন কৰাই নিদিবনে? ধ্যানত তুমি বহি এই কথা নোকোৱানে? তোমাৰ ল'ৰা-ছোৱালীক আনি দিবলৈ?" এইবাৰ ফুলেশ্বৰীয়ে একো নামাতিলে।

মোৰ কথা শুনি উচুপিবলৈহে ধৰিলে।

সেই কান্দোন শুনি মা আৰু মোৰো চকু চলচলীয়া হৈ পৰিল।

●●●

**কে চি দাস কমাৰ্চ কলেজ**

ছাত্ৰীবাৰী, গুৱাহাটী-৭৮১০০৮